● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

এটা সুদৃঢ় মনৰ সংকল্পক কোনো সুযোগ অথবা ভাগ্যই কেতিয়াও বাধা দিব অথবা নিয়ন্ত্ৰণ কৰিব নোৱাৰে।

ইলা হুইলাৰ উইলকক্স
*আমেৰিকাৰ লেখিকা*



www.dainikagradoot.in

৭ ইজৰাইলী সেনাৰ বোমা বৰ্ষণত গাজাত নিহত কমেও ৩৫
১৩ খিতাপ নিশ্চিত হ'ল মানচেষ্টাৰ চিটীৰ
৪ অসমৰ নতুন মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণৰ উদ্দেশ্যে

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২১২তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২৯ ব'হাগ ১৪২৮ ভাস্কৰাব্দ ১৩ মে' ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 13 May 2021 মূল্য ঃ ৭.০০ টকা

■ হোমেন বৰগোহাঞিৰ দেহাৱসানত ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীৰ শোক প্ৰকাশ ■ ক'ভিডমুক্ত হৈও নিজ গৃহতে আকস্মিক মৃত্যুক আঁকোৱালি ল'লে ■ ৰাজ্যজুৰি গভীৰ শোক ■ নৱগ্ৰহ শ্মশানত শেষকৃত্য

# সাহিত্য-সাংবাদিকতাৰ মহীৰূহৰ বিয়োগ



### শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে জনালে শ্ৰদ্ধাঞ্জলি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে'** ঃ সমগ্ৰ ৰাজ্যকে স্তম্ভিত কৰি আজি পুৱাই চিৰবিদায় ল'লে অসমৰ সাহিত্য তথা সংবাদ জগতৰ মহীৰূহ, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি হোমেন বৰগোহাঞিয়ে। আজি পুৱতি নিশা নিজ গৃহতে এক অবাঞ্ছিত দুৰ্ঘটনাত আঘাতপ্ৰাপ্ত হৈ চিকিৎসাধীন হোৱাৰ পাছত বৰগোহাঞিয়ে ৰাজ্যৰ অগণন গুণমুগ্ধক শোকস্তব্ধ কৰি চিৰকাললৈ বিদায় লয়। বিয়লি ৰাষ্ট্ৰীয় মৰ্যাদাৰে 'আত্মানুসন্ধান'ৰ স্ৰষ্টাগৰাকীৰ শেষকৃত্য সম্পন্ন কৰা হয়। বৰগোহাঞিৰ মৃত্যুৱে অসমৰ সাহিত্য আৰু সংবাদৰ ক্ষেত্ৰখনত অপূৰণীয় ক্ষতিৰ সৃষ্টি কৰিলে বুলি আজি বহুজনে একমুখে কয়।

উল্লেখ্য যে ৮৯ বছৰীয়া প্ৰবীণ সাহিত্যিক-সাংবাদিকগৰাকী কিছুদিন পূৰ্বে কৰ'না ভাইৰাছত আক্ৰান্ত হৈছিল। অৱশ্যে ইতিমধ্যে তেওঁ ৰোগমুক্ত হৈ নিজ গৃহলৈ প্ৰত্যাৱৰ্তন কৰিছিল। চিকিৎসালয় সূত্ৰই জনোৱা মতে, আজি পুৱতি নিশা প্ৰায় তিনি বজাত বৰগোহাঞি আকস্মিকভাৱে বিছনাৰ পৰা মজিয়াত বাগৰি *আঠ পৃষ্ঠাত চাওক*



*হোমেন বৰগোহাঞিলৈ অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ, নৱগ্ৰহ শ্মশানত বুধবাৰে।*

## চাৰিকড়ীয়াৰ দুয়োপাৰ উদং কৰি ভটিয়াই গ'লগৈ সাউদৰ নাও

### বাপুকণৰ বিয়োগত শোকস্তব্ধ ঢকুৱাখনা-লখিমপুৰ

**বিশেষ সংবাদদাতা**

**লখিমপুৰ, ১২ মে'** ঃ লখিমপুৰৰ ঢকুৱাখনাৰ চাৰিকড়ীয়া নদীৰ দুয়োপাৰ উদং কৰি কাহানিও উভতি নহাৰ পথেৰে বাপুকণ গ'লগৈ। চাৰিকড়ীয়াৰ পাৰৰ বালিগাঁও অথবা পৰিয়াল স্বজনৰ তাহানিৰ মৰমৰ বাপুকণ আৰু পাছৰ পৰ্যায়ৰ প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিয়ে *১০ পৃষ্ঠাত চাওক*



■ উচ্চ পদবীৰ চৰকাৰী চাকৰি ত্যাগ কৰি জড়িত হৈছিল সাংবাদিকতাত
■ দুখনকৈ উপন্যাসৰ পৰা সৃষ্টি হৈছিল বঁটা ৰাষ্ট্ৰীয় বিজয়ী চলচ্চিত্ৰ
■ কে'বাখনো কাকত-আলোচনীৰ সম্পাদনা

## অখ্যাত গাঁৱৰ পৰা আহি সাহিত্যৰে অৰ্জন কৰিছিল বিপুল জনপ্ৰিয়তা



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে'** ঃ এক বিৰাট ৰিক্ততাৰ সৃষ্টি কৰি আজি পুৱা হঠাতে চিৰবিদায় ল'লে অসমৰ সাহিত্য আৰু সংবাদ ক্ষেত্ৰৰ মহীৰূহ স্বৰূপ কথাশিল্পী হোমেন বৰগোহাঞিয়ে। অসমৰ সাংবাদিকতাৰ ক্ষেত্ৰখনক অন্য এক উচ্চতালৈ তুলি নিয়া বৰগোহাঞিয়ে অসমীয়া সাহিত্যলৈকো আগবঢ়াই গ'ল *১০ পৃষ্ঠাত চাওক*

## বিশ্বাস নহয় হোমেন বৰগোহাঞি নাই

■ নগেন শইকীয়া



**আজিৰ**, ১২ মে'ৰ পুৱাটোৱে অনা আটাইতকৈ দুখৰ খবৰটোৱেই হ'ল— হোমেন বৰগোহাঞি আৰু নাই। এই কথাষাৰ বিশ্বাস কৰিবলৈকে যেন মোৰ কষ্ট হৈছে। মই তেওঁক বিভিন্ন সময়ত পাইছিলো। যোৰহাটত যেতিয়া তেওঁ মহকুমা পৰিষদৰ অধিকাৰী হৈ আছিল সেইসময়তে প্ৰথম পাইছিলো দেখা-দেখিকৈ। তেওঁৰ লেখাৰ লগত হোৱা অন্তৰংগ পৰিচয়ে মানুহজনৰ প্ৰতি মোৰ মনত জগাই তুলিছিল এটা সশ্ৰদ্ধ *১০ পৃষ্ঠাত চাওক*

## হোমেন বৰগোহাঞিৰ সাহিত্য কৃতি

■ লীনা শৰ্মা



**কোমল** বয়সত সুবালাৰ জীৱন পৰিধিৰে পতিতালয় আৰু জীৱনৰ কিছুমান কঠিনতম সত্য যেনে দাৰিদ্ৰ্য, নিষ্ঠুৰতা, দুমুখীয়া নীতিৰ নাঙঠ ৰূপ উদঙাই সৃষ্টি কৰা উপন্যাসখন পঢ়ি শিহৰিত হৈছিলো। সেই শিহৰণত একপ্ৰকাৰ আত্মধিক্কাৰৰ আধিপত্য আছিল। বিশেষকৈ একেবাৰে শেষৰ বাক্যশাৰীত 'এইজনী বুঢ়ী' বুলি নিক্ষেপ কৰা শব্দ শৰত পাঠক হিচাপে কোনোবাখিনিত মই বিধ্বস্ত হৈ পৰিছিলো। হোমেন বৰগোহাঞিৰ *১০ পৃষ্ঠাত চাওক*

## আজিৰ পৰা বলৱৎ হোৱা নিৰ্দেশনা

- পৌৰ নিগম, নগৰ সমিতি, ৰাজহ নগৰ সমিতিৰ সীমাৰ পৰা পাঁচ কিলোমিটাৰ ব্যাসাৰ্ধৰ অঞ্চলত সকলো দোকান-পোহাৰ দিনৰ এক বজাত বন্ধ হ'ব। এই অঞ্চলসমূহত দিনৰ দুই বজাৰ পৰা পুৱা পাঁচ বজালৈকে ৰাজহুৱা স্থানত মানুহৰ চলা-ফুৰা নিষেধ।
- গ্ৰামাঞ্চলত দিনৰ দুই বজালৈকে দোকান-পোহাৰ খুলিব পাৰিব। এই অঞ্চলসমূহত সন্ধিয়া ছয় বজাৰ পৰা পুৱা পাঁচ বজালৈকে ৰাজহুৱা স্থানত চলা-ফুৰা নিষেধ।
- ৰেস্তোৰাঁ, ধাবা আৰু অন্যান্য ভোজনালয়ে দিনৰ এক বজালৈকেহে নিজৰ চৌহদত গ্ৰাহকক খাদ্য যোগান ধৰিব পাৰিব। ইয়াৰ পাছত হোটেলৰ আৱাসীসকলক নিজ নিজ কোঠাতহে খাদ্য যোগানৰ অনুমতি দিয়া হৈছে। এক বজাৰ পাছত গ্ৰাহকৰ ঘৰত খাদ্য যোগান ধৰিব পাৰিব।
- সকলো সাপ্তাহিক বজাৰ/হাট অহা ১৫ দিনৰ বাবে সম্পূৰ্ণৰূপে বন্ধ থাকিব।
- অত্যাৱশ্যকীয় সামগ্ৰীৰ গ্ৰাহকৰ ঘৰত যোগানৰ ব্যৱস্থা ক'ভিড নিয়ম অনুসৰণ কৰি অব্যাহত থাকিব।
- সকলো শিক্ষানুষ্ঠানৰ শ্ৰেণী অহা ১৫ দিনলৈ বন্ধ থাকিব। *১০ পৃষ্ঠাত চাওক*

■ কৰ'নাৰ ভয়ংকৰ সংক্ৰমণ ঃ কঠোৰ নীতি-নিৰ্দেশনা জাৰি ৰাজ্য চৰকাৰৰ

## গোপনে অনুষ্ঠান পাতি ভিৰ কৰিলে 'হত্যাৰ চেষ্টা'ৰ গোচৰ ৰুজুৰ সকীয়নি

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ১২ মে'** ঃ ৰাজ্যত দিনে দিনে কৰ'নাৰ সংক্ৰমণ আৰু ইয়াত মৃত্যুৰ সংখ্যা ভয়াৱহ ধৰণে বাঢ়ি অহাৰ পৰিপ্ৰেক্ষিতত চৰকাৰে আজি কেতবোৰ কঠোৰ বাধা-নিষেধ জাৰি কৰে। সৰ্বাত্মক তলাবন্ধ ঘোষণা নকৰিলেও কাইলৈৰ পৰা বলৱৎ হ'বলগীয়া এই নতুন বাধা-নিষেধৰ বিষয়ে আজি এক সংবাদমেলত ব্যাখ্যা দাঙি ধৰে ৰাজ্যৰ মুখ্য সচিব জিষ্ণু বৰুৱা আৰু আৰক্ষীপ্ৰধান ভাস্কৰজ্যোতি মহন্তই। কৰ'নাৰ শেহতীয়া পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰি মুখ্য সচিব বৰুৱাই কয়, 'আমি বিপদৰ দুৱাৰডলিত থিয় হৈছো। কিছু কিছু জিলাত সংক্ৰমণৰ হাৰ ১০ৰ পৰা ১৫ শতাংশৰ অধিক *১০ পৃষ্ঠাত চাওক*

**মহানগৰত ১,৪৫৬ আক্ৰান্ত, মৃত্যু ২৬জনৰ ঃ ডিব্ৰুগড়ত চিকিৎসা মহাবিদ্যালয়ত নাৰ্ছৰ মৃত্যু**

## ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি পুনৰ সংক্ৰমিত ৫,৬৫৭, প্ৰাণ হেৰুৱালে ৭১ জনে

**ষ্টাফ ৰিপ'ৰ্টাৰ**



**গুৱাহাটী, ১২ মে'** ঃ কৰ'নাৰ সংক্ৰমণে জটিল ৰূপ ধাৰণ কৰিছে ৰাজ্যত। দৈনিক আক্ৰান্তৰ সংখ্যা আৰু সংক্ৰমণৰ হাৰ বৃদ্ধি পোৱাৰ সমান্তৰালকৈ বৃদ্ধি পাইছে মৃত্যুৰ সংখ্যা। নিতৌ ক'ভিডে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ভয়াৱহ ৰূপ ধাৰণ কৰিছে। আক্ৰান্ত হৈছে ন ন অঞ্চল। ঠায়ে ঠায়ে গণসংক্ৰমণো হৈছে। ইয়াৰ মাজতে আজি পুনৰ ৰাজ্যত ৫,৬৫৭জন লোক আক্ৰান্ত হয়। আক্ৰান্তসকলৰ ভিতৰত গুৱাহাটী মহানগৰ জিলাত *দুই পৃষ্ঠাত চাওক*

## তৰুণ প্ৰজন্মৰ মাজত ক'ভিডৰ দ্বিতীয় সংক্ৰমণ বৃদ্ধি পাইছে

**আই চি এম আৰৰ তথ্য**

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১২ মে'** ঃ কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৱে দেশৰ যুৱ প্ৰজন্মৰ বাবে কঢ়িয়াই আনিলে উদ্বেগৰ খবৰ। ক'ভিডৰ দ্বিতীয় ঢৌত প্ৰথম ঢৌৰ তুলনাত কম বয়সীয়া লোকসকল অধিক আক্ৰান্ত হৈছে। ইণ্ডিয়ান কাউন্সিল অৱ মেডিকেল ৰিচাৰ্চ (আই চি এম আৰ)ৰ বিশেষজ্ঞই এই কথা প্ৰকাশ কৰি *১০ পৃষ্ঠাত চাওক*

## কৰ'না কালত দেশত এদিনত সৰ্বাধিকৰ মৃত্যু

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ১২ মে'** ঃ কৰ'নাত মৃত্যুৰ সংখ্যাই দেশত পুনৰ নতুন অভিলেখ ৰচিলে। যোৱা আঠ মে'ত ভাৰতত কৰ'নাত মৃত্যু হৈছিল ৪,১৮৭ জন লোকৰ; কিন্তু ইয়াৰ পাছত দেশত ক'ভিডত মৃত্যুৰ সংখ্যা সামান্য হ্ৰাস পাইছিল। যোৱা ২৪ ঘণ্টাত দেশত ক'ভিডত মৃত্যুৰ সংখ্যাই পূৰ্বৰ সকলো অভিলেখ ভংগ *১০ পৃষ্ঠাত চাওক*

## নীৰৱে প্ৰকৃত মানুহৰ নতুন প্ৰজন্ম এটা সৃষ্টিত ব্ৰতী আছিল

■ ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী



**আজি** পুৱা প্ৰৱাসত অকস্মাত হোমেন বৰগোহাঞিৰ বিয়োগৰ বাতৰিটো পাই বাকৰুদ্ধ হৈ পৰিলো। দুদিনমান আগতে তেওঁ আৰোগ্য হৈ চিকিৎসালয়ৰ পৰা যোৱা বাতৰিটোত মন আনন্দত ভৰি উঠিছিল; কিন্তু আজিৰ বাতৰিটোৱে হতবাক কৰি দিলে। বৰগোহাঞিৰ মৃত্যুৱে *ছয় পৃষ্ঠাত চাওক*

## অসমৰ বৌদ্ধিক জগতৰ চেতনাৰ পোহৰ নাইকিয়া হৈ গ'ল

■ ৰংবং তেৰাং



**দুখজনক** বাতৰিটো পাই মোৰ ভাষা-শব্দ হেৰাই গৈছে। বিশ্ববিদ্যালয়ৰ পৰাই তেওঁৰ লগত মোৰ সম্পৰ্ক। তেওঁৰ প্ৰথম উপন্যাসখন যেতিয়া মই পঢ়িছিলো তেতিয়া তেওঁ শ্বিলঙত আছিল। তেতিয়াৰে পৰাই আমাৰ সম্পৰ্ক। এই দুখজনক বাতৰিটো লাভ কৰি মই মোৰ লাইব্ৰেৰীটোলৈ আহো আৰু মই *ছয় পৃষ্ঠাত চাওক*

## কথাশিল্পী হ'লেও অনুভূতিপ্ৰৱণ কবি

■ কৰবী ডেকা হাজৰিকা



**অসমৰ** জনজীৱনত হোমেন বৰগোহাঞিৰ পৰলোকপ্ৰাপ্তি এক অসহনীয় শোকৰ সংবাদ। অসমৰ ৰাইজ আজি নিৰ্বাক, শোকস্তব্ধ হৈ পৰিছে। ব্যক্তিগতভাৱে ১৯৭০ৰ পৰা মই তেওঁৰ সান্নিধ্যলৈ আহিছিলো। মোক আধুনিক কবিতাৰ জগতলৈ হাতত ধৰি উলিয়াই আনোতা *দুই পৃষ্ঠাত চাওক*

## বৰগোহাঞিৰ স্মৃতি আমাৰ পাথেয় হ'ব

■ ড° বসন্ত কুমাৰ ভট্টাচাৰ্য



**হোমেন** বৰগোহাঞিৰ আকস্মিক বিয়োগত মই গভীৰভাৱে শূন্যতা অনুভৱ কৰিছো। অকল ময়েই নহয়, অসমৰ বৌদ্ধিক সমাজখনে আজি সম্পূৰ্ণৰূপে নিঃসংগ অনুভৱ কৰিছে। ব্যক্তিগতভাৱে বৰগোহাঞি মোৰ চেতনাৰ অংগ। ১৯৫৭ত তেওঁ নলবাৰীৰ *দুই পৃষ্ঠাত চাওক*

## পশ্চিমৰ আকাশত দেখা পোৱা নগ'ল ন-জোন

## কাইলৈ পৱিত্ৰ ঈদ-উল-ফিটৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে'** ঃ কাইলৈ নহয়, অহা ১৪ মে'তহে ঈদ-উল-ফিটৰ পালন কৰা হ'ব। আজি সন্ধিয়া পশ্চিম আকাশত ভাৰতৰ লগতে অসমত ন-জোন দেখা নোপোৱাত কাইলৈ ঈদ পালন কৰা নহয় বুলি সদৰী কৰিছে কেন্দ্ৰীয় হিলাল কমিটী, অসমে। এক বিবৃতিত হিলাল কমিটীৰ সভাপতি মৌলানা ফখৰুদ্দিন কাছিমী আৰু সম্পাদকপ্ৰধান আলহাজ ইমদাদ হুছেইনে এই কথা *ছয় পৃষ্ঠাত চাওক*

**মাহে ৰমজান**
**ইফটাৰ**
**আজি আবেলি ঃ ৬.০১ বজা**
* *গুৱাহাটীৰ সময়*

## অসমত গ্ৰামোদয় সম্ভৱ কৰি তুলিম, দায়িত্ব লৈ ঘোষণা মন্ত্ৰী ৰঞ্জিৎ দাসৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে'** ঃ 'দেশৰ প্ৰথম পাঁচখন উন্নত ৰাজ্যৰ তালিকাত অসমৰ নাম উজলাই তুলিবলৈ হ'লে ৰাজ্যখনৰ সৰ্বদিশৰ বিকাশ হ'ব লাগিব। আমি অসমত গ্ৰামোদয় সম্ভৱ কৰি ৰাজ্যখনক সৰ্বোদয়ৰ দিশে ধাৱিত কৰাত বৰঙণি যোগাম।' আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, আয়ুক্ত *১০ পৃষ্ঠাত চাওক*



**সোণোৱালক সাক্ষাৎ কেবিনেটৰ**

## জিলাৰ ক'ভিড পৰিস্থিতি পৰ্যবেক্ষণৰ দায়িত্ব মন্ত্ৰীক

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ১২ মে'** ঃ ৰাজ্যৰ শেহতীয়া ক'ভিড পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি এক নিৰ্দেশনাৰ জৰিয়তে ৰাজ্যৰ কেবিনেট মন্ত্ৰীসকলক বিভিন্ন জিলাৰ নিৰীক্ষণৰ দায়িত্ব অৰ্পণ কৰিছে। সেই মৰ্মে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক বৰপেটা, বজালী আৰু বঙাইগাঁও জিলাৰ ক'ভিড পৰিস্থিতি *১০ পৃষ্ঠাত চাওক*

## মহাৰাষ্ট্ৰত দুই সহস্ৰাধিক ৰোগীৰ শৰীৰত 'ব্লেক ফাংগাছ'

**কৰ'না আক্ৰান্তৰ বাবে নতুন আতংক**

■ **নিউজ ব্যুৰ'**

**মুম্বাই, ১২ মে'** ঃ ক'ভিড-১৯ৰ ব্যাপক সংক্ৰমণৰ ত্ৰাস অব্যাহত থকাৰ সময়তে মহাৰাষ্ট্ৰত কৰ'না আক্ৰান্তৰ মাজত এক নতুন উদ্বেগৰ সৃষ্টি হৈছে। ৰাজ্যখনত যথেষ্টসংখ্যক ক'ভিড আক্ৰান্তৰ শৰীৰত দেখা দিছে 'ব্লেক ফাংগাছ' অৰ্থাৎ ক'লা ভেঁকুৰৰ সংক্ৰমণ। চিকিৎসা বিজ্ঞানৰ ভাষাত 'ব্লেক ফাংগাছ'ক 'মিউক'ৰমাইক'ছিছ' বুলি কোৱা হয়। মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেৰ উদ্বেগ বৃদ্ধি কৰি ইতিমধ্যে *১০ পৃষ্ঠাত চাওক*

## অসমীয়া সাহিত্য জীয়াই থকালৈকে তেওঁৰ মৃত্যু নাই

■ নীলিম কুমাৰ



**প্ৰথিতযশা** সাহিত্যিক হোমেন বৰগোহাঞিৰ মৃত্যুৱে অসমৰ কেৱল বৌদ্ধিক জগততে নহয়, সমাজ জীৱনতো সৃষ্টি কৰিলে এক শূন্যতা, সঞ্চাৰ কৰিলে এক খালী ঠাইৰ। আজি তেওঁৰ মৃত্যুৰ বাতৰিয়ে সকলো স্তৰৰ অসমীয়া মানুহক মৰ্মাহত কৰি তুলিছে। কৈশোৰ অৱস্থাতে তেওঁৰ ৰচনাৰাজি পঢ়ি মুগ্ধ হৈছিলো তেওঁৰ ভাষাৰ *ছয় পৃষ্ঠাত চাওক*

## হোমেন বৰগোহাঞিৰ সময়ানুৱৰ্তিতা শিকিবলগীয়া

■ সমুজ্জ্বল ভট্টাচাৰ্য



**এগৰাকী** জাতীয় জীৱনৰ মহীৰূহ হেৰাই গ'ল। বৌদ্ধিক জগতৰ এটি ধ্ৰুৱতৰা খহি পৰিল। হোমেন বৰগোহাঞিয়ে অসমৰ সাহিত্য আৰু সংবাদ জগতখনক কিদৰে মহীয়ান কৰি থৈ গ'ল তাৰ ব্যাখ্যা নিষ্প্ৰয়োজন। অসমৰ বিভিন্ন সমস্যাক লৈ, বিভিন্ন বিষয়ক লৈ তেওঁৰ ওচৰ চাপিছিলো। তেওঁৰ পৰা সমাধান *ছয় পৃষ্ঠাত চাওক*

# কুকুৰমাৰাৰ ব্যৱসায়ী তৰুণ কলিতাৰ মৃত্যু

**ছয়গাঁও, ১২ মে’ ঃ** কামৰূপ জিলাৰ পলাশবাৰী বিধানসভা সমষ্টিৰ বৰ তেজপুৰ নিবাসী বিশিষ্ট ব্যৱসায়ী তৰুণ কলিতাৰ আজি পুৱা নিজ বাসগৃহত মৃত্যু হয়। কুকুৰমাৰাৰ প্ৰতিষ্ঠিত ব্যৱসায়ী কলিতাই দীৰ্ঘদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ আৰু কন্যাসহ বহু আত্মীয়ক ইহসংসাৰত এৰি যায়। এই মৃত্যুৰ খবৰ লাভ কৰি কুকুৰমাৰা আঞ্চলিক ব্যৱসায়ী সন্থাই কালি পুৱা ছয় বজাৰ পৰা দিনৰ এক বজালৈ কুকুৰমাৰাৰ সকলো দোকান-পোহাৰ বন্ধ থাকিব বুলি জানিবলৈ দিছে।

# বংগত নিৰ্বাচনোত্তৰ হিংসাৰ বলি শিবিৰবাসীৰ পৰিস্থিতিৰ বুজ ল’লে বিধায়ক অজয় ৰায়ে

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১২ মে’ ঃ** চুবুৰীয়া ৰাজ্য পশ্চিমবংগত হৈ যোৱা বিধানসভা নিৰ্বাচনৰ পৰৱৰ্তী পৰ্যায়ত সংঘটিত ৰাজনৈতিক হিংসাৰ বলি হৈ অসমত আশ্ৰয় লোৱা বংগৰ নাগৰিকসকলৰ পৰিস্থিতিৰ বুজ ল’বলৈ আজি শ্ৰীৰামপুৰত উপস্থিত হয় বিজনীৰ বিজেপি দলৰ বিধায়ক অজয় ৰায়। তেওঁক সংগ দিয়ে বিটিচিৰ তিনি নম্বৰ শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ সজল সিংহই। বিধায়কজনে কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰস্থিত মহাত্মা গান্ধী ৰাষ্ট্ৰ ভাষা এম ই স্কুলত নিৰ্বাচনী ফলাফল প্ৰকাশৰ পাছৰ পৰা আশ্ৰয় গ্ৰহণ কৰি থকাসকলৰ লগত আলোচনাত মিলিত হৈ ঘটনাৰ বুজ লয়। শিবিৰত আশ্ৰয় লৈ থকা লোকসকলে কোনো ক্ষেত্ৰত কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন হৈছে নেকি সেয়া জানিব বিচাৰে বিধায়কজনে। অৱশ্যে আশ্ৰয় শিবিৰত থকাসকলে একমুখে গোসাঁইগাঁও মহকুমা প্ৰশাসনে গ্ৰহণ কৰা সুব্যৱস্থাৰ শলাগ লয়। ইয়াৰ পাছত এক সংবাদমেল সম্বোধন কৰি বিধায়ক ৰায়ে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী নেতৃত্বাধীন তৃণমূল কংগ্ৰেছ চৰকাৰক তীব্ৰ সমালোচনা কৰে। তেওঁ মমতা বেনাৰ্জীক গণতন্ত্ৰ হত্যাকাৰী নেত্ৰী বুলি অভিহিত কৰে। বিধায়কজনক সংগ দিয়া শ্ৰীৰামপুৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ সজল সিংহই মমতা বেনাৰ্জীৰ দলৰ গুণ্ডা বাহিনীয়ে নিৰীহ বিজেপিৰ কৰ্মী-সমৰ্থকৰ ওপৰত চলোৱা অত্যাচাৰ অতিব দুৰ্ভাগ্যজনক বুলি আখ্যা দিয়ে। তেওঁ আৰু কয় যে পশ্চিমবংগত বিজেপিৰ উত্থানত মমতা বেনাৰ্জী শংকিত হৈছে আৰু এনেকৈ নিৰীহৰ ওপৰত অত্যাচাৰ চলাইছে বুলি ক্ষোভ উজাৰে। বংগৰ পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে শিবিৰবাসীক নিশ্চিতভাৱে ইয়াতে থাকিবলৈ সজল সিংহই আহ্বান জনায়। তেওঁলোকৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা নিশ্চিত নোহোৱালৈকে অসম চৰকাৰ তথা বিজেপিৰ ফালৰ পৰা তেওঁলোকক ইয়াতে ৰখাৰ ব্যৱস্থা কৰিব বুলিও সিংহই বংগৰ পৰা অসমত আহি আশ্ৰয় লোৱা লোকসকলক আশ্বস্ত কৰে।

**ASTROLOGY/ জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৰচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**

No. FAAMCH/CA Audit Report/426/2018-19/

**REQUEST FOR PROPOSAL “INTERNAL AUDITOR AND TALLY ACCOUNTING OF BOOKS OF ACCOUNTS”**

Sealed Quotation in two bid system (i) Technical Bid and (ii) Financial Bid affixing non-refundable **court fee of Rs. 8.25 (Rupees eight & twenty five paisa)** from the reputed CA firm for request for proposal **“Internal auditor and Tally accounting of hooks of Accounts”** for Financial year **2018-19, 2019-20 and 2020-21** to prepare Annual Account, Bank reconciliation Statement and Internal Audit work for the 3 (three) financial years for various project & programs audit and **providing G.S.T., other TDS consultancy & return filling of various projects for next two financial year** under Fakhruddin Ali Ahmed Medical College & Hospital, Barpeta.

The tender documents along with the specification may be downloaded from the office website of FAAMCH **(www.faamcassam.co.in)** and deposit the cash payment or in the form of Demand Draft of Rs. 500/- in favour of **“Member Secretary, Society for Medical Education, Barpeta”** as processing fee (non-refundable) on or before **11-06-2021** along with the tender documents submit before **12 P.M.**

The Financial and Technical Bids are to be submitted in separated sealed envelopes. The both envelopes should be put and sealed in an outer cover addressed to the Principal-cum-chief **Superintendent, F.A.A. Medical College & Hospital, Barpeta.**

The Tender will be opened on same date **at 2.00 P.M.** in the presence of tenderer or their authorized representatives. If the day of receiving tender, the office happen to be a holiday or non working day, bandh etc. for an unforeseen reason, the next working day will be considered as last date (at the same time) of receiving & Opening the tender.

Sd/-
Principal-cum-Chief Superintendent
Fakhruddin Ali Ahmed Medical
College & Hospital, Barpeta

Janasanyog/C/295/21

# বৰগোহাঞিৰ স্মৃতি আমাৰ

*এক পৃষ্ঠাৰ পৰা* এছডিচি আছিল। সেই সময়ত মই গৰ্ডন হাইস্কুলৰ নৱম শ্ৰেণীৰ ছাত্ৰ। আমি সেইবাৰ শ্ৰীমন্ত শংকৰদেৱৰ তিথি স্কুলত আয়োজন কৰিছিলো। তাত হোমেন বৰগোহাঞিয়ে এটা আকৰ্ষণীয় বক্তৃতা প্ৰদান কৰিছিল। সেই বক্তব্য শুনি তেওঁৰ প্ৰতি আকৰ্ষিত হৈছিলো, সেই আকৰ্ষণ আজিও একেই আছে। তেওঁ একাধাৰে কবি, ঔপন্যাসিক, গল্পকাৰ, জীৱনীকাৰ, আত্মজীৱনী লেখক, সাংবাদিক আৰু সংবাদসেৱী। অসম তথা ভাৰতৰ অসংখ্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা তেওঁ ভালেসংখ্যক বঁটা-বাহন লাভ কৰি অসমীয়া সাহিত্যৰ জগতখনক জাকত জিলিকা কৰি তুলিছিল। তেওঁৰ দৃঢ়তা, সততা, নিষ্ঠা, নৈতিকতা, মানৱতাবোধ, উদাৰতা আদি গুণৰ তুলনা নাই। সেই গুণাৱলীৰে তেওঁ অসমৰ বৌদ্ধিক মান বহু পৰিমাণে উন্নত কৰি গ’ল। তেওঁৰ বিয়োগত সেয়েহে আমি চকুলো টুকিবলৈ বাধ্য হৈছো। তেওঁ গ’লগৈ; কিন্তু ৰাখি থৈ গ’ল স্মৃতি আৰু সেই স্মৃতিয়ে আমাৰ পাথেয় হ’ব বুলি মই বিশ্বাস কৰো।

# ধাৰাবাহিকতা আক্ষুণ্ণ ৰাখি পুনৰ সংক্ৰমিত ৫,৬৫৭, প্ৰাণ হেৰুৱালে

*এক পৃষ্ঠাৰ পৰা* আক্ৰান্তৰ হাৰ সৰ্বাধিক। আজি গুৱাহাটীত নতুনকৈ আক্ৰান্ত হয় ১,৪৫৬ গৰাকী। সংক্ৰমণৰ হাৰ ৮.৮৫। আনহাতে, মৃত্যুৰ ধাৰা অব্যাহত ৰাখি আজিও ক’ভিডত ৭১ গৰাকীয়ে মৃত্যুক আকোৱালি লয়। উল্লেখ্য যে আজি ৬৩,৯৫৬ গৰাকীৰ ক’ভিড পৰীক্ষা সম্পন্ন কৰা হৈছে। আজি কামৰূপ মহানগৰ জিলাত সৰ্বাধিক ২৬ গৰাকী মৃত্যু হোৱাৰ বিপৰীতে কামৰূপ গ্ৰাম্যত সাতজনৰ মৃত্যু হয়। আনহাতে, বৰপেটা দৰং, ডিব্ৰুগড়ত চাৰিগৰাকীকৈ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে নগাঁও, নলবাৰী, শোণিতপুৰ, তিনিচুকীয়া, কাৰ্বি আংলঙত তিনিজনকৈ লোকৰ মৃত্যু হয়।

## নগাঁৱত পুনৰ এজনৰ মৃত্যু

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ**

নগাঁও জিলাত পুনৰ আজি ৩০২ গৰাকী লোকৰ দেহত ক’ভিড-১৯ ধৰা পৰিছে। আজি জিলাখনত ২,৬০৬ গৰাকী ব্যক্তিৰ ক’ভিড পৰীক্ষা কৰা হৈছিল। উল্লেখ্য যে নগাঁও জিলা স্বাস্থ্য বিভাগে বিগত এমাহে ৩,৯৯২ গৰাকী লোকৰ দেহত কৰ’নাৰ অৱস্থিতি ধৰা পেলাইছে। মহামাৰী ভাইৰাছবিধৰ দ্বিতীয়টো লহৰে ৰাজ্যখনৰ লগতে নগাঁও জিলাতো আতংকৰ সৃষ্টি কৰাৰ সময়তে আজি পুনৰ এইসকল লোক আক্ৰান্ত হোৱাত আতংকিত হৈ পৰিছে ৰাইজে। আজি ২,৫৪৫ গৰাকী লোকৰ আৰ এ টি আৰু ৬১ গৰাকীৰ আৰ টি পি চি আৰ পৰীক্ষা কৰা হৈছে। ইফালে, আজি সদৰ চহৰৰ অসামৰিক চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা এগৰাকী মহিলাৰ মৃত্যু হয়। মৃত মহিলাগৰাকী জুৰীয়া কটনী জলাহৰ জমিলা খাতুন (৫৫) বুলি চিনাক্ত কৰা হৈছে। জিলাখনত এই পৰ্যন্ত ২০ গৰাকী লোক ক’ভিড-১৯ত আক্ৰান্ত হৈ মৃত্যুমুখত পৰাৰ বিপৰীতে জিলাখনত এই পৰ্যন্ত ২,৩৬১ গৰাকী ব্যক্তি ক’ভিডত আক্ৰান্ত হৈ আছে। আজি মাত্ৰ চাৰিগৰাকী ব্যক্তি সুস্থ হৈছে।

ইপিনে, নগাঁও জিলাত ক’ভিড-১৯ৰ ভয়াৱহ সংক্ৰমণে ঘোৰ অন্ধকাৰ নমাই আনিছে জিলাবাসীলৈ। অভাৱনীয় হাৰত ক’ভিডৰ দ্ৰুত সংক্ৰমণ হোৱাৰ পৰিপ্ৰেক্ষিতত জিলাখনত ক’ভিড পৰিস্থিতি আৰু অধিক জটিল অৱস্থালৈ গতি কৰিছে। কিন্তু ইয়াৰ বিপৰীতে নগাঁৱৰ সৰ্বসাধাৰণ ৰাইজৰ ভৰষাৰ থলি ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক’ভিড হাস্পতালত চিকিৎসক-নাৰ্ছ তথা স্বাস্থ্যকৰ্মীৰ অভাৱত ক’ভিড-১৯ৰ ক’ভিড ৰোগীয়ে নিশ্চিত মৃত্যুৰ ক্ষণ গণিবলগীয়া হৈছে। ইয়াকে লৈ নগাঁওবাসীৰ মাজত সৃষ্টি হৈছে ক্ষোভৰ। ইতিমধ্যে নগাঁও জিলাৰ উপায়ুক্ত কবিথা পদ্মনাভনে জিলাখনৰ ক’ভিড পৰিস্থিতিৰ দ্ৰুত অৱনতিৰ বাবেই নগাঁও জিলাৰ এটাৰ পাছত এটা অঞ্চলত কন্টেইনমেণ্ট জ’ন ঘোষণা কৰিবলৈ বাধ্য হৈছে। আজি নগাঁৱৰ বিধায়ক ৰূপক শৰ্মাই নগাঁও চহৰৰ ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ত উপস্থিত হৈ পৰিস্থিতিৰ বুজ লোৱাৰ সমান্তৰালকৈ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ো ৰোগীৰ অভাৱ-অভিযোগ সম্পৰ্কে বুজ লয়। (অগ্ৰদূত বাৰ্তা জুৰীয়াৰ সহযোগত)

## শালবাৰীত কৰ’নাত আক্ৰান্ত হৈ মহিলাৰ মৃত্যু

**শালবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** বাগ্‌সা জিলাত বৃদ্ধি পাইছে ক’ভিড-১৯ৰ সংক্ৰমণ। ইয়াৰ সমান্তৰালকৈ বৃদ্ধি পাইছে মৃতকৰ সংখ্যাও। কালি জিলাখনৰ শালবাৰীৰ আওহাটা গাঁৱৰ এগৰাকী মহিলাৰ কৰ’নাত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত মহিলাগৰাকী থুনু নাথ (৪২)-এ কৰ্মসূত্ৰে দীৰ্ঘদিন গুৱাহাটীত আছিল। যোৱা ১০ মে’ত গুৱাহাটীৰ পৰা ঘৰলৈ অহাত জ্বৰ-কাহত আক্ৰান্ত হৈছিল। গুৱাহাটীতে জ্বৰত আক্ৰান্ত মহিলাগৰাকীক কালি পৰিয়ালৰ লোকে শালবাৰীত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ পৰীক্ষা কৰিবলৈ নিয়ে যদিও স্বাস্থ্যৰ অধিক অৱনতি ঘটাত বৰপেটা চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰা হয়। তাতে মহিলাগৰাকী ক’ভিড-১৯ত আক্ৰান্ত হোৱা বুলি ধৰা পৰে। আনহাতে, তাতে কিছুসময় থকাৰ পাছতে মহিলাগৰাকীৰ মৃত্যু হয়। আজি প্ৰশাসনৰ নিৰ্দেশমৰ্মে গাঁৱৰ ৰাইজে মহিলাগৰাকীৰ আওহাতাৰ বাসগৃহৰ প্ৰৱেশদ্বাৰ ১৪ দিনৰ বাবে বন্ধ কৰি দিয়ে।

## বেলশৰত এদিনতে তিনিজনৰ মৃত্যু, নলবাৰীত ৮৩৩ আক্ৰান্ত সুস্থ

**নলবাৰী/চামতাৰ অগ্ৰদূত বাৰ্তা ঃ** ক্ৰমে জটিল ৰূপ ধাৰণ কৰা নলবাৰী জিলাৰ বেলশৰত আজি দিনটোতে তিনিগৰাকীকৈ ক’ভিড আক্ৰান্তৰ মৃত্যু হোৱাৰ ঘটনাই আতংকৰ সৃষ্টি কৰিছে। বেলশৰ শিঙিমাৰাৰ প্ৰয়াত প্ৰতিষ্ঠিত ব্যৱসায়ী যোগেন বৰ্মনৰ পত্নী জয়া বৰ্মন (৬০), বেলশৰৰ পাটোৱাৰী-সেন ডেকা চুবুৰিৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰামচৰণ পাটোৱাৰী (৬৮) আৰু বেলশৰৰ মেলেকীপাৰাৰ অনিল বৰ্মনৰ পুত্ৰ যুৱ ব্যৱসায়ী নৱজ্যোতি বৰ্মন (২৬)ৰ ক’ভিডত আক্ৰান্ত হৈ চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। তথ্য মতে, বেলশৰ শিঙিমাৰাত জয়া বৰ্মন নামৰ মহিলাগৰাকীয়ে কিছুদিন পূৰ্বে গুৱাহাটীৰ কাহিলীপাৰাস্থিত নিজৰ বিবাহিত কন্যাৰ ঘৰলৈ গৈছিল। তাতে তেওঁৰ ক’ভিড ধৰা পৰে। কালিৰে পৰা গুৱাহাটীৰ মহেন্দ্ৰ মোহন চৌধুৰী হাস্পতালত চিকিৎসাধীন হৈ থকা অৱস্থাতে আজি পুৱা প্ৰায় ছবজাত মৃত্যু হয়। মৃত্যুৰ সময়ত মহিলাগৰাকীয়ে দুই পুত্ৰ আৰু এগৰাকী কন্যাক এৰি যায়। ইফালে, বেলশৰত পাটোৱাৰীপাৰা-সেন ডেকা চুবুৰিৰ নিবাসী তথা ব্ৰহ্মপুত্ৰ ব’ৰ্ডৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী ৰামচৰণ পাটোৱাৰীৰ দেহত ক’ভিড-১৯ ধৰা পৰাৰ পাছত নলবাৰীৰ ছহিদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰা হয়। কিন্তু চিকিৎসাধীন অৱস্থাতে আজি পুৱা প্ৰায় সাত বজাত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ এজন পুত্ৰসহ দুই কন্যাক এৰি যায়। আনহাতে, বেলশৰ মেলেকীপাৰাৰ অনিল বৰ্মনৰ পুত্ৰ নৱজ্যোতি বৰ্মনে শেহতীয়াকৈ গুৱাহাটীত ক্ষুদ্ৰ ব্যৱসায় কৰি আৰ্থিকভাৱে পৰিয়ালটোক পোহপাল দি আহিছিল যদিও এসপ্তাহ পূৰ্বে ক’ভিডত আক্ৰান্ত হোৱা যুৱকজনৰ আজি মৃত্যু হয়।

ইপিনে, জিলাখনত এই পৰ্যন্ত ২,৬৯৪ জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে ১,৮৬১ গৰাকী এতিয়াও চিকিৎসাধীন হৈ আছে। বিগত এসপ্তাহত ১৫,৮৬০ গৰাকীৰ ক’ভিড পৰীক্ষা কৰাত ১১৯১ গৰাকীৰ দেহত ক’ভিডৰ উপস্থিতি ধৰা পৰিছে। ইফালে, ৬০ উৰ্ধ্বৰ ১৪,০৪২ গৰাকীক প্ৰথম আৰু ২,৬০৯ গৰাকীক দ্বিতীয় পালি ক’ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে। ৪৫ বছৰ উৰ্ধ্বৰ ১৯,৫৩১ গৰাকীক প্ৰথম আৰু ২,৩৭০ গৰাকীক দ্বিতীয় পালি প্ৰতিষেধক দিয়াৰ বিপৰীতে ১৮ বছৰ উৰ্ধ্বৰ ২,৭৬০ গৰাকীক প্ৰথম পালি প্ৰতিষেধক দিয়া হৈছে। জিলাখনৰ তিনি নম্বৰ বালিতাৰা গাঁওক কন্টেইনমেণ্ট জ’নৰূপে ঘোষণা কৰাৰ বিপৰীতে জিলাখনত এই পৰ্যন্ত ১৬ গৰাকী ৰোগীৰ মৃত্যু হৈছে। ইপিনে, জিলাখনত আজি পুনৰ ১৭৪ গৰাকী লোকৰ শৰীৰত কৰ’নাৰ অৱস্থিতি ধৰা পৰে।

## চাবুৱাত মহিলাৰ মৃত্যু ঃ মুকলি হ’ব ছেন্ট লুকাছ হাস্পতাল

**চাবুৱাৰ অগ্ৰদূত বাৰ্তা ঃ** চাবুৱাস্থিত পানীতোলা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত অঞ্চলৰ আজি পুনৰ এগৰাকী ক’ভিড ৰোগীৰ মৃত্যু হয়। মৃত মহিলাগৰাকী বিনীতা শইকীয়া (৪২)। তেওঁ ডিব্ৰুগড়ৰ সঞ্জীৱনী হাস্পতালত চিকিৎসাধীন হৈ আছিল। ইয়াকে ধৰি স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত অঞ্চলটোত মৃতকৰ সংখ্যা পাঁচগৰাকীলৈ বৃদ্ধি পালে। উল্লেখ্য যে চাবুৱা ৰাজহ চক্ৰৰ তেতিয়া পথাৰৰ সমীপৰ ৰঙাদৈয়া গাঁৱত ক’ভিডৰ গণসংক্ৰমণ ঘটিছে। এখন ৰাজহুৱা সকামত এগৰাকী ৰান্ধনীৰ পৰা সংক্ৰমণ ঘটা বুলি প্ৰাথমিক স্বাস্থ্য বিষয়াই সদৰী কৰিছে। ইয়াৰ পাছত গাঁওখনত দুদিন পূৰ্বে ১৪ আৰু আজি পুনৰ নগৰাকীৰ দেহত ভাইৰাছবিধৰ স্থিতি ধৰা পৰিছে। এই গাঁওখনত বাৰে বাৰে স্বাস্থ্য বিভাগে লোকসকলক শিবিৰ পাতি সকলো প্ৰকাৰৰ ব্যৱস্থা কৰাৰ পাছতো অধিকাংশই সহযোগিতা আগবঢ়োৱাৰ বিপৰীতে আঁতৰি যোৱা বুলি সদৰী কৰিছে। এনে অৱস্থাৰ প্ৰতি গুৰুত্ব বুজি আজি চাবুৱাৰ নৱনিৰ্বাচিত বিধায়ক পোনাকন বৰুৱাই চৰকাৰী বিষয়াসকলৰ স’তে মিলিত হৈ পৰিস্থিতিৰ বুজ লয়। সমষ্টিটোৰ ৰাইজক আহ্বান জনাই সকলোৰে ক’ভিড পৰীক্ষা কৰাই নিজৰ লগতে আনৰ জীৱনৰ প্ৰতিও দায়িত্বশীল হ’বলৈ আহ্বান জনায়। আনহাতে, সমষ্টিটোত কে’বাটাও স্থানত পৰীক্ষা কেন্দ্ৰ স্থাপন কৰা হৈছে বুলিও তেওঁ সদৰী কৰে। পানীতোলা উন্নয়নখণ্ডৰ ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাত চাবুৱাৰ সকলো সৰু-বৰ দোকানীয়ে ক’ভিড পৰীক্ষা প্ৰমাণপত্ৰ অবিহনে দোকান খুলিব নোৱাৰে বুলি সদৰী কৰাৰ লগতে তীব্ৰ আৰ্থিক সংকটৰ গৰাহত পৰি কে’বামাহ ধৰি বন্ধ হৈ থকা শতবৰ্ষগৰকা ঐতিহাসিক চাবুৱা ছেইন্ট লুকাছ হাস্পতালখন পুনৰ মুকলি কৰা হ’ব বুলি সদৰী কৰে। এই সন্দৰ্ভত উপায়ুক্তই ব্যৱস্থা গ্ৰহণ কৰা বুলিও সদৰী কৰে।

## ডিফুত ক’ভিড আক্ৰান্ত হৈ পুনৰ দুজনৰ মৃত্যু

**ডিফুৰ বিশেষ সংবাদদাত ঃ** ডিফু চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ থকা দুগৰাকী ক’ভিড ৰোগীৰ আজি মৃত্যু হয়। মৃত লোক দুজন ললিত কিশোৰ দাস আৰু শৈলেন বড়ো। ইয়াৰে দাসৰ ঘৰত খটখটীত আৰু বড়োৰ ঘৰ লাংছলিয়েটত।

## তিতাবৰত ১৩৭ জন আক্ৰান্ত

**মেলামাটিৰ অগ্ৰদূত বাৰ্তা ঃ** তিতাবৰত ক’ভিড আক্ৰান্তৰ সংখ্যা ১৩৭ জনলৈ বৃদ্ধি পালে। আজি তিতাবৰত মোহনাটিং ভকত গাঁৱত দুই, তৃতীয় অসম আৰক্ষী বাহিনীত এক, নাগিনীজুৰিত এক, তিতাবৰ বেবেজীয়াত এক, বৰপাছি টিপমীয়াত দুই, বামুণগাঁৱত এজনৰ শৰীৰত ক’ভিডৰ অৱস্থিতি ধৰা পৰিছে।

## ডিব্ৰুগড় চিকিৎসা মহাবিদ্যালয়ৰ নাৰ্ছৰ মৃত্যু

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** ডিব্ৰুগড়ত আজি পুনৰ ৩৮৭ গৰাকীৰ দেহত ক’ভিডৰ অৱস্থিতি ধৰা পৰাৰ লগতে চিকিৎসাধীন অৱস্থাত মৃত্যু হৈছে পাঁচজন ক’ভিড আক্ৰান্তৰ। ইয়াকে ধৰি জিলাখনত মৃতকৰ সংখ্যা ৬৬ গৰাকী হ’ল। আনহাতে, আক্ৰান্তৰ সংখ্যা ৬,৩৫৪গৰাকী হৈছে। ইয়াৰ মাজত আজি সন্ধিয়া অসম চিকিৎসা মহাবিদ্যালয়ৰ মানসিক ৰোগ বিভাগৰ হেড নাৰ্ছ আশা কুমাৰী শইকীয়াৰ মৃত্যু হয়।

## বোকাখাতত পুনৰ আক্ৰান্ত ৩৭

**বোকাখাতৰ অগ্ৰদূত বাৰ্তা ঃ** বোকাখাত মহকুমাত দিনে দিনে বৃদ্ধি পাইছে কৰ’না আক্ৰান্তৰ সংখ্যা। আজি পুনৰ ৩৭ গৰাকী কৰ’নাত আক্ৰান্ত হৈছে। ৩৩২ জনৰ কৰ’না পৰীক্ষা সম্পন্ন কৰাত লোককেইজনৰ কৰ’নাৰ অৱস্থিতি ধৰা পৰে। উল্লেখ্য যে কৰ’নাৰ দ্বিতীয়টো লহৰত ইতিমধ্যে মহকুমাটোত তিনিজনৰ মৃত্যু হৈছে।

## ভগামুখত গৰ্ভৱতী মহিলা আক্ৰান্ত

**জাঁজীৰ অগ্ৰদূত বাৰ্তা ঃ** ক’ভিডৰ দ্বিতীয়টো লহৰে যোৰহাট জিলাৰ টীয়কটো বিভীষিকাৰ সৃষ্টি কৰিছে। এনে জটিল সন্ধিক্ষণত প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে যদিও সচেতন হোৱা নাই ৰাইজ। ক’ভিড নিৰ্দেশনা ভংগ কৰি বহুতে ঘূৰি ফুৰিছে ৰাজহুৱা অনুষ্ঠানত। ফলত আৰম্ভ হৈছে গণসংক্ৰমণ। ইফালে, শিৱসাগৰ জিলাৰ চিন্তামণিগড়ৰ জোনালী শইকীয়া নামৰ এগৰাকী গৰ্ভৱতী মহিলাই ভগামুখৰ মহাত্মাগান্ধী আদৰ্শ চিকিৎসালয়ত সন্তান প্ৰসৱৰ বাবে অহাত শৰীৰত ক’ভিডৰ উপস্থিতি ধৰা পৰে। পাছত যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয় যদিও চিকিৎসা মহাবিদ্যালয় নৌপাওতে এটি কন্যা সন্তান জন্ম দিয়ে। সম্প্ৰতি সদ্যোজাত শিশুটি সুস্থ অৱস্থাত আছে।

## নামতিত এছ বি আইৰ শাখা পৰিচালক আক্ৰান্ত

**নামতি ঃ** শিৱসাগৰ জিলাৰ নামতি চাৰিআলিস্থিত চেপাওনী শাখা ষ্টেট বেংকৰ পৰিচালক প্ৰদীপ মালাকাৰ কৰ’নাত আক্ৰান্ত হৈছে। পৰিচালকজন কৰ’নাত আক্ৰান্ত হোৱাৰ খবৰ বিয়পি পৰাত অঞ্চলটোৰ ৰাইজ আতংকিত হৈ পৰিছে। উল্লেখ্য যে সদাব্যস্ত বেংকটোত দৈনিক শ শ লোকৰ ভিৰ হয়। ইতিমধ্যে বেংকটোত ছেনিটাইজাৰ কৰাৰ লগতে বিষয়া-কৰ্মচাৰীৰ ক’ভিড পৰীক্ষা কৰা হৈছে।

## জামুগুৰিত একেটা পৰিয়ালৰে পাঁচজন আক্ৰান্ত

**ফৰকাটিঙৰ অগ্ৰদূত বাৰ্তা ঃ** সমগ্ৰ ৰাজ্যৰ লগতে গোলাঘাট জিলাতো ক্ৰমশঃ ভয়াৱহ ৰূপত বৃদ্ধি পাইছে ক’ভিড-১৯ত আক্ৰান্তৰ সংখ্যা। কালি জিলাখনৰ জামুগুৰিৰ নাহৰজান গাঁৱত একেটা পৰিয়ালৰ পাঁচজনৰ দেহত কৰ’নাৰ অৱস্থিতি ধৰা পৰিছে। তথ্যমতে গাওঁখনৰ বাসিন্দা ভগৱান পাণ্ডে আৰু মৃদুস্মিতা পাণ্ডেৰ লগতে তেওঁলোকৰ পৰিয়ালৰ আন তিনিজন লোক জ্বৰ-কাহত আক্ৰান্ত হৈ থকাত লক্ষীজুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত পৰীক্ষা কৰাত আটাইৰে কৰ’নাৰ অৱস্থিতি ধৰা পৰে। ইফালে, প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰটোৰ সমীপৱৰ্তী এজন ২৯ বছৰীয়া যুৱকৰ দেহতো ক’ভিড পজিটিভ পাইছে।

## শোণিতপুৰত পুনৰ তিনিজনৰ মৃত্যু

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত সম্প্ৰতি কৰ’নাৰ গণসংক্ৰমণে জটিল ৰূপ ধাৰণ কৰিছে। নিতৌ আক্ৰান্তৰ সংখ্যা বৃদ্ধি পাইছে। কৰ’নাৰ দ্বিতীয়টো ঢৌত ১,৩৬৪ জন লোক আক্ৰান্ত হোৱাৰ বিপৰীতে পুনৰ তিনিজন লোকৰ মৃত্যু হৈছে। মৃত লোককেইজন ক্ৰমে তেজপুৰ গোটলুং ভিতৰসুঁতি গাঁৱৰ ৰমজান আলী (৬৫), লক্ষী বিশ্বাস (৪৬) আৰু চহৰখনৰ পতীয়াচুবুৰীৰ ছাজন আলী (৪৭)। ইয়াৰে ৰমজানৰ তেজপুৰ ব্যপ্টিষ্ট মিছন হাস্পতালত মৃত্যু হোৱাৰ বিপৰীতে আন দুজনৰ তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। ইয়াৰ মাজতে ক’ভিড-১৯ত পুনৰ আজি ১৬১ গৰাকী আক্ৰান্ত হৈছে। আনহাতে, আজিৰ দিনটোত ৫৭ জনে কৰ’না মুক্ত হৈছে বুলি স্বাস্থ্য বিভাগে সদৰী কৰিছে। ইপিনে, ৰাজ্য চৰকাৰে শোণিতপুৰ, বিশ্বনাথ চাৰিআলি আৰু ওদালগুৰি জিলাৰ কৰ’না সংক্ৰান্তীয় বিষয় তদাৰক কৰাৰ বাবে মন্ত্ৰী অশোক সিংঘালক দায়িত্ব অৰ্পণ কৰিছে।

## ওদালগুৰিত তিনিজনৰ মৃত্যু

**ওদালগুৰিৰ বিশেষ সংবাদদাতা ঃ** ওদালগুৰিত বৃদ্ধি পাইছে ক’ভিড আক্ৰান্তৰ লগতে মৃতকৰ সংখ্যা। জিলাখনত পুনৰ তিনিগৰাকী লোক আক্ৰান্ত হৈ প্ৰাণ হেৰুৱাইছে। তেওঁলোক ক্ৰমে ছেলেমা বেগম (৩০), অচিত চক্ৰৱৰ্তী (৩৯) আৰু অশোক চক্ৰৱৰ্তী (৬০)। তিনিওগৰাকীৰ ঘৰ টংলাত। ছেলেমা বেগমৰ আজি টংলা চিকিৎসালয়লৈ অনাৰ পথত মৃত্যু হোৱাৰ বিপৰীতে বাকী দুজনৰ যোৱা নিশা ওদালগুৰি চিকিৎসালয় আৰু তেজপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৃত্যু হয়। ইয়াকে লৈ জিলাখনত মৃতকৰ সংখ্যা ১৭ গৰাকীলৈ বৃদ্ধি পালে। আনহাতে, আজি জিলাখনত পুনৰ ৪৯ গৰাকী ক’ভিড আক্ৰান্ত ৰোগী চিনাক্ত হয়। ইয়াকে লৈ জিলাখনত আক্ৰান্তৰ সংখ্যা ৩৯৬ লৈ বৃদ্ধি পালে। অৱশ্যে আজিৰ দিনটোত জিলাখনত ৪৩ গৰাকী ৰোগী সুস্থ হৈ উঠিছে।

## ৰঙিয়াত সমাজকৰ্মীৰ মৃত্যু

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** ৰঙিয়াত ধাৰাবাহিকভাৱে বৃদ্ধি পাইছে কৰ’নাৰ সংক্ৰমণ। আজিৰ দিনটোত ৰঙিয়াত ৩৯ গৰাকী লোক কৰ’নাত আক্ৰান্ত হৈছে। ইয়াৰে ৰঙিয়া অসামৰিক চিকিৎসালয়ত ২১, ৰঙিয়া খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত ১৭ আৰু কনিহা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এজনৰ দেহত সংক্ৰমণ ধৰা পৰে। ইয়াৰে দুজনৰ অৱস্থা সংকটজনক হোৱাত হাজোৰ কলিতাকুছিৰ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ইতিমধ্যে ৰঙিয়াত আক্ৰান্তৰ সংখ্যা ৪০৩ লৈ বৃদ্ধি পোৱাত এক উদ্বেগজনক পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ বাবে প্ৰশাসনে যাৱতীয় তৎপৰতা গ্ৰহণ কৰি আৰ আৰ টি গঠন কৰিছে। তদুপৰি ক’ভিড আক্ৰান্তৰ বাবে চিকিৎসালয় সাজু কৰি তুলিছে। ইপিনে, ৰঙিয়াৰ সমীপৱৰ্তী মাদৈকাটা গাঁৱৰ যুৱ সমাজকৰ্মী সৰ্ববৰহী যুৱক ৰাজু আলী (৩৯)ৰ যোৱা নিশা ক’ভিডত আক্ৰান্ত হৈ মৃত্যু হয়। জিএমচি হাস্পতালত শাৰীৰিক অসুস্থতাৰ বাবে চিকিৎসাধীন অৱস্থাতে ৰাজুৰ দেহত কৰ’নাৰ অৱস্থিতি ধৰা পৰিছে। অঞ্চলটোৰ বিভিন্ন সামাজিক অনুষ্ঠানৰ লগতে জড়িত যুৱকজনৰ মৃত্যুত মাদৈকাটা আৰু কাউৰবাহা অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ দুই কণমানি সন্তানক এৰি যায়।

## বঙাইগাঁৱত মৃত্যু ব্যৱসায়ী ৰঞ্জন দাসৰ ঃ ক’ভিড আক্ৰান্ত মহিলাৰ অস্ত্ৰোপচাৰ

**বঙাইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** ক’ভিডত আক্ৰান্ত হৈ আজি প্ৰাণ হেৰুৱালে বঙাইগাঁৱৰ দুজন লোকে। জিলা প্ৰশাসনে সদৰী কৰা মতে মৃত লোক দুজন বঙাইগাঁৱৰ শালবাৰীৰ দীপক বৰুৱা (৩৭) আৰু সম্পত দেৱী আগৰৱালা (৫৯)। ইয়াৰে দীপক বঙাইগাঁও চহৰত এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকাৰ বিপৰীতে আগৰৱালা গুৱাহাটীৰ জি এন আৰ চিত চিকিৎসাধীন হৈ আছিল। আনহাতে, অসম সাহিত্য সভাৰ আজীৱন সদস্য, বঙাইগাঁও মহাবিদ্যালয়ৰ এসময়ৰ প্ৰৱক্তা, বঙাইগাঁও এলছন গেছ এজেঞ্চিৰ স্বত্বাধিকাৰী ৰঞ্জন দাস (৬৫)ৰ যোৱা নিশা ক’ভিডত আক্ৰান্ত হৈ দিছপুৰ পলিক্লিনিক হাস্পতালত মৃত্যু হয়। তেওঁৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰিছে। ইপিনে, জিলাখনত আজিও ৬১ জনৰ শৰীৰত কৰ’নাৰ অৱস্থিতি ধৰা পৰিছে। বৰ্তমান জিলাখনত ক’ভিড পজিটিভ ৰোগীৰ সংখ্যা ৬৭৪ গৰাকীলৈ বৃদ্ধি পাইছে। বিপৰীতে ৩০৯ গৰাকী আজি ক’ভিডৰ পৰা আৰোগ্য লাভ কৰিছে।

ইফালে, কৰ’না আক্ৰান্তৰ সংখ্যা বৃদ্ধি পোৱা জিলাখনত আজি এগৰাকী কৰ’না আক্ৰান্ত মহিলাৰ অস্ত্ৰোপচাৰ কৰা হয়। গৰ্ভৱতী মহিলাগৰাকীয়ে এটি কন্যা সন্তান জন্ম দিছে। মহিলাগৰাকীক অস্ত্ৰোপচাৰ সম্পন্ন কৰা চিকিৎসক ডাঃ এছ কে দাসে শিশুটিৰ পৰীক্ষাত কৰ’না নিগেটিভ হোৱা বুলি সদৰী কৰিছে। আনহাতে, জিলাখনত আজিও আক্ৰান্ত হৈছে ৬৭৪ জন।

## কলিয়াবৰত আক্ৰান্ত ৩১

**কলিয়াবৰৰ অগ্ৰদূত বাৰ্তা ঃ** ক’ভিডে গুৰুতৰ ৰূপ ধাৰণ কৰিছে কলিয়াবৰত। আজিৰ দিনটোত কলিয়াবৰত আক্ৰান্ত হয় ৩১ গৰাকী লোক। জখলাবন্ধা চিকিৎসালয় আৰু ইয়াৰ স’তে জড়িত আন চাৰিটা ক’ভিড পৰীক্ষা কেন্দ্ৰত ২৮ জন ক’ভিডত আক্ৰান্ত হোৱাটো ধৰা পৰে। ইয়াৰে কলিয়াবৰৰ চুলুংস্থিত গেমন কোম্পানীত কৰ্মৰত সাতজন কৰ্মচাৰীৰ দেহত ধৰা পৰিছে ক’ভিড। উল্লেখ্য যে এই পৰ্যন্ত কোম্পানীটোৰ ১৮ গৰাকী কৰ্মচাৰী আক্ৰান্ত হৈছে কৰ’নাত। অৱশ্যে আক্ৰান্তৰ সংখ্যা এই পৰ্যন্ত ৩৩৪ লৈ বৃদ্ধি পালেও আজিলৈ সুস্থ হৈ উঠিছে ১৬৭ গৰাকী লোক।

## বাগ্‌সাত আক্ৰান্তৰ সংখ্যা ৬৭৫

**মুছলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** বাগ্‌সা জিলাত আজি নতুনকৈ ৭২ গৰাকী ক’ভিডত আক্ৰান্ত হৈছে। জিলা স্বাস্থ্য বিভাগে জনোৱা তথ্য অনুসৰি জিলাখনত চলিত বৰ্ষত আঠগৰাকী ক’ভিড আক্ৰান্তত মৃত্যু হৈছে। বৰ্তমান জিলাখনত ৪৯৩ জন লোক আক্ৰান্ত হৈ আছে কৰ’নাত। জিলাখনত এই পৰ্যন্ত ১৭৪ গৰাকীয়ে আৰোগ্য লাভ কৰিছে।

## তামুলপুৰত পুনৰ ২৪ আক্ৰান্ত

**তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** তামুলপুৰৰ বিভিন্ন চিকিৎসালয়ত আজি কৰ’নাৰ পৰীক্ষা কৰাত ২৪ গৰাকীৰ দেহত পুনৰ কৰ’নাৰ অৱস্থিতি ধৰা পৰিছে। ইয়াকে লৈ আতংকিত হৈ পৰিছে অঞ্চলটোৰ ৰাইজ।

## গোৱালপাৰাত নতুনকৈ আক্ৰান্ত ১৬৭

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰাত আজি নতুনকৈ ১৬৭ লোক ক’ভিডত আক্ৰান্ত হৈছে। জিলাখনৰ ১৬৪৭ গৰাকী লোকক পৰীক্ষা কৰা হৈছিল। ইয়াকে লৈ আক্ৰান্তৰ সংখ্যা ৮০৬ লৈ বৃদ্ধি পালে। অৱশ্যে আজি ১৩৪ গৰাকী লোক আৰোগ্য লাভ কৰিছে।

## ছাগলীয়াত ২৭ জন চিনাক্ত

**বক্সিৰহাট ঃ** অসম-বংগ সীমান্তৰ ছাগলীয়াত আজি ২৭ গৰাকী লোক ক’ভিড-১৯ত আক্ৰান্ত হোৱাটো ধৰা পৰিছে। নিতৌ বহিঃৰাজ্যৰ পৰা অহা বাছসমূহ পৰীক্ষা কৰাত এইদৰে ওলাই পৰিছে ক’ভিড আক্ৰান্তৰ সংখ্যা।

## আজাৰাত ৭১ সংক্ৰমিত

**আজাৰাৰ অগ্ৰদূত বাৰ্তা ঃ** আজাৰা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত আজি ৩৭৪ লোকৰ ক’ভিড পৰীক্ষা কৰা হয়। ইয়াৰে ৭১ৰ দেহত ক’ভিডৰ অৱস্থিতি ধৰা পৰে। আক্ৰান্তসকলৰ ৬২ জনক হোম আইছ’লেছনত ৰখাৰ বিপৰীতে বাকী নজনক ক’ভিড কেয়াৰ কেন্দ্ৰলৈ প্ৰেৰণ কৰা হয়।

## আক্ৰান্ত বিধায়ক মাজেন্দ্ৰ

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** গোসাঁইগাঁও সমষ্টিৰ বিধায়ক মাজেন্দ্ৰ নাৰ্জাৰী ক’ভিড-১৯ত আক্ৰান্ত হৈছিল। আজি দুপৰীয়া বিধায়কজনক কোকৰাঝাৰস্থিত ক’ভিড চিকিৎসালয়ত ভৰ্তি কৰা হৈছে। অৱশ্যে তেওঁৰ শাৰীৰিক অৱস্থা সুস্থিৰ বুলি স্বাস্থ্য বিভাগে সদৰী কৰিছে। আনহাতে, কোকৰাঝাৰ জিলাত আজি ১৬৩২ গৰাকীৰ ক’ভিড পৰীক্ষা সম্পন্ন কৰা হয়। ইয়াৰে ৫৩ গৰাকীৰ দেহত ক’ভিডৰ অৱস্থিতি ধৰা পৰে। জিলাখনত শ্ৰীৰামপুৰস্থিতি ক’ভিড পৰীক্ষা কেন্দ্ৰত ১৭ জনৰ দেহত ক’ভিড সংক্ৰমণ ধৰা পৰে।

# কথাশিল্পী হ’লেও অনুভূতিপ্ৰৱণ

*এক পৃষ্ঠাৰ পৰা* মানুহগৰাকী আছিল বৰগোহাঞি দেৱ। অকল মোকেই নহয়, আমাৰ পাছৰ প্ৰজন্মৰো অনেক লেখক-সাহিত্যিকক তেওঁ গঢ় দি থৈ গৈছে। তেওঁ আছিল অন্তহীন উৎসাহ আৰু প্ৰেৰণাৰ ভঁৰাল। মোৰ লগত একেলগে ‘অসমীয়া প্ৰেমৰ কবিতা’ গ্ৰন্থখন সম্পাদনা কৰি মোক বিৰল গৌৰৱৰ ভাগী কৰি থৈ গৈছে। তেওঁ এগৰাকী কথাশিল্পী আছিল; কিন্তু ভিতৰি আছিল এগৰাকী অনুভূতিপ্ৰৱণ কবি। তেওঁৰ কাব্যিকতাৰ চেতনা তেওঁৰ কথা সাহিত্যৰ মাজে মাজে মই বিচাৰি পাওঁ। হয়তো গদ্য সাহিত্যৰ প্ৰতি থকা দায়বদ্ধতাই কবি বৰগোহাঞিক ঢাকি ৰাখিলে। ‘হৈমন্তী’ কবিতা গুচ্ছত যিজন কবি বৰগোহাঞিক লগ পাওঁ, মই ওৰে জীৱন সেইজনৰ প্ৰেৰণাত কলম তুলিছো। অসমীয়া সাহিত্যৰ জগতত বৰগোহাঞিৰ নাম এটা ধ্ৰুৱতৰাৰ দৰে। পাছৰ চাম সাহিত্যিকৰ বাবে তেওঁ আছিল বাটৰ কাষৰ বন্তিৰ দৰে। আজি কায়িকভাৱে তেওঁ নাই যদিও সেই পোহৰে আমাক সদায় বাট দেখুৱাব। মই শ্ৰদ্ধাৰ পূজনীয় হোমেন বৰগোহাঞি দেৱৰ পৱিত্ৰ স্মৃতিত মোৰ অশ্ৰু অঞ্জলি যাচিলো।

## আজিৰ দিনটো


**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ২৯ ব’হাগ বৃহস্পতিবাৰ ১৩ মে’

**সূৰ্যোদয় ঃ** ঘঃ ৪।৪৭।২২, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫১।৬। **তিথি ঃ** শুক্লা দ্বিতীয়া, দং ৫৬।৩২।৩২ শেষ ৰাঘঃ, ৩।২৪।২৩। **নক্ষত্ৰ ঃ** ৰোহিনী, দং ৫৭।৫৩।১৯ শেষ ৰাঘঃ ৩।৫১।৫২। **যোগ ঃ** অতিগণ্ড, দং ৪৬।৫৬।৭ ৰাঘঃ ১১।৩৩।৪৮। **কৰণ ঃ** বালৱ। **জন্মত ঃ** বৃষৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ, সাপৰ অস্থি, মাহেন্দ্ৰযোগ, অষ্টোত্তৰী ৰবি বিংশোত্তৰী চন্দ্ৰৰ দশা, শেষ ৰাঘঃ ৩।৫১।৫২ যোৱাত দেৱগণ, কুকুৰৰ অস্থি, বিংশোত্তৰী মঙ্গলৰ দশা। **আদ্যঋতু হ’লে ঃ** সাতদিনীয়া পতিহিতা যোগ, মতান্তৰে সাতদিনীয়া কান্তা যোগ। **মৰণত দোষ ঃ** এপদ। **যোগিনী ঃ** অগ্নিকোনত, প্ৰাতঃঘঃ ৫।৪।৫৭ যোৱাত নৈঋতকোনত। **যাত্ৰা ঃ** নাই, সংক্ৰান্ত্যাদি দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** পটল, প্ৰাতঃঘঃ ৫।৪।৫৭ যোৱাত মূলা খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** কৰ্ম তৎপৰতাৰ থাকিব। কিন্তু শৰীৰ ভালে নাযাব পাৰে। ব্যৱসায়ীসকল কোনো সম্ভাব্য যোগাযোগৰ বাবে চেষ্টা কৰি চাব পাৰে। প্ৰেমত মতবিৰোধ। বিদ্যাত উৎসাহ। শুভ ৰং ৰঙা।

**বৃষ ঃ** উদ্বেগৰ মাজেৰে আপুনি কৰ্ম আৰু যোগাযোগ ৰক্ষা কৰিব পাৰিব। বিদ্যাৰ্থীৰ বাবে শুভাশুভ। কৰ্মসমন্ধীয় কামত কষ্টেৰে প্ৰগতি কৰিব। শুভ ৰং বগা।

**মিথুন ঃ** কোনো কাৰণত বৃদ্ধিদীপ্ত চুক্তি সম্পাদন কৰি উপকৃত হ’ব। বিদ্যাতো বেয়া নহ’ব। ব্যৱসায় বাণিজ্যত আয় বৃদ্ধিৰ কাৰকতা। শৰীৰ বিশেষ ভাল বুলি ক’ব নোৱাৰি। শুভ ৰং নীলা।

**কৰ্কট ঃ** আৰ্থিকত বাধা কম পাব। কিন্তু কোনোৰে কৰ্মস্থানত কেইটিমান দিশত চিন্তিত হ’ব পাৰে। বিদ্যাত শুভাশুভ ফল পাব। শৰীৰো মধ্যম। পাৰিবাৰিক শুভ। শুভ ৰং সেউজীয়া।

**সিংহ ঃ** মাজে মাজে গভীৰ চিন্তাই জুমুৰি দি ধৰিব। কৰ্মস্থানত সচ্ছলতা নাথাকিব। শৰীৰ মধ্যম। দাম্পত্যত মজলীয়া প্ৰভাৱ পৰিব। কাকো কক্ষ ব্যৱহাৰ নকৰিব। শুভ ৰং পাতল নীলা।

**কন্যা ঃ** আৰ্থিক দিশত ধনাত্মক হ’ব পাৰে। কৰ্মক্ষেত্ৰত দক্ষতা বৃদ্ধি পাব। ব্যৱসায়ত শুভ ফল পাব। বিদ্যাৰ্থীৰ কিছু বেমাজালি আহিব পাৰে। প্ৰেমত শুভ। দাম্পত্যত সাধাৰণ মতান্তৰ। শুভ ৰং নীলা।

**তুলা ঃ** আৰ্থিক দিশত প্ৰয়োজনীয় সম্পদাদিৰ বাবে খৰচৰ বাট ওলাব। ব্যৱসায়ীসকলৰ বাবে দিনটো বিশেষ শুভ নহ’ব। শত্ৰুৰ পৰা মিত্ৰ যোগাৰ আশা। বিয়া-বাৰুৰ সংযোগ। শুভ ৰং বগা।

**বৃশ্চিক ঃ** নিৰাশ কৰ্মচিন্তা, ভ্ৰমণাদিৰ যোগ থাকিব। কোনো অপৰাধীৰ কথাত মত অস্থিৰতা থাকিব। ব্যৱসায়ত প্ৰাপ্য ধন আদায়ৰ সুযোগ পাব। পাৰিবাৰিক শুভ। শুভ ৰং সোণালী।

**ধনু ঃ** অস্থিৰ চিন্তা বাদ দিয়াটো ভাল। চকুৰ আমনি দেখা যায়। কৰ্ম আৰু পাৰিবাৰিক ক্ষেত্ৰত শুভ ফল পাব। দাম্পত্যত সিমান আনন্দ নাথাকিব। বিদ্যাত শুভ। শুভ ৰং হালধীয়া।

**মকৰ ঃ** কৰ্মস্থানত গতানুগতিক পৰিৱেশ বিৰাজ কৰিব। প্ৰাপ্য সুযোগ ব্যৱহাৰ কৰাত সাৱধান থকাটো ভাল। ভ্ৰমণত লাভজনক ফল কম। শুভ ৰং মাটিয়া।

**কুম্ভ ঃ** শিল্প কলাত পাৰদৰ্শিতা থাকিব। আৰ্থিক দিশত খৰচৰ পথ মুক্ত থাকিব। অংশীদাৰী ব্যৱসায়ত লাভৰ কবিতা। দূৰ ভ্ৰমণৰ যোগ।শুভ ৰং ক’লা।

**মীন ঃ** হাতত লোৱা কাৰ্যসূচীৰ সুস্থ সমাধান পাব। সুচিন্তা আৰু আপোনাৰ ভদ্ৰতাৰ বাবে অনুকূলতাৰ প্ৰভাৱ পেলাব। নতুন কোনো আশা পূৰণ হ’ব। শুভ ৰং গুলপীয়া।

## শব্দ-বেহু ঃ ১৩ মে ২০২১




@ সব্যসাচী

**পথালিয়ে ঃ**
১। ভৎৰ্সনা, কোনো দোষৰ বাবে কটু কথাৰে গৰিহণা দিয়া কাৰ্য্য (৪)
৪। বিচাৰৰ বাবে আইনী কতৃপক্ষৰ ওচৰত দিয়া অভিযোগ, ইন্দ্ৰিয়ৰ বোধশক্তিৰ সীমাত থকা (৩)
৬। মহাভাৰতৰ এটা উল্লেখযোগ্য চৰিত্ৰ (২)
৭। একেলগে এবাৰত ধৰা, অহা বা পৰা (৪)
৯। বিবাহৰ পাত্ৰ, বস্তুৰ দাম-দৰ কৰ (২)
১১। কুৰি দিস্তা কাগজৰ সমষ্টি (২)
১২। অহংকাৰ, গৰ্ব (৩)
১৩। মৰম-চেনেহ, আদৰযুক্ত (৩)
১৬। ভৃত্য, চাকৰ, সেৱকৰ স্ত্ৰী ৰূপ (২)
১৭। শেষ হোৱা, নষ্ট হোৱা (২)
১৮। সমাধি, মৃতদেহ পোতা স্থান (৩)
২০। ৰসিক, ৰসৰ মোল বুজা (৩)
২১। ৰাস্তা আদিৰ কাষত মুকলিকৈ বহি খাব পৰা এক প্ৰকাৰৰ হোটেল (২)
২৪। সুৰা, হাতীৰ হিমেজু (২)
২৫। মাটিৰ তলেৰে বা পৰ্বতৰ মাজেৰে নিৰ্মাণ কৰি উলিওৱা বাট (৪)
২৬। কলম, লেখনী (২)
২৮। অপকাৰ, অহিত (৩)
২৯। দিন-ডকাইতি, লোকচক্ষুৰ সমুখত লুণ্ঠন (৪)

**থিয়কৈ ঃ**
২। দৃষ্টি শক্তি নথকা, ক্ষুদ্ৰ অংশ (২)
৩। মাটি-সম্পত্তি আদি কোনো লোকৰ নামত পঞ্জীয়ন কৰা (৪)
৪। বিনীতভাৱে জনোৱা কাৰ্য্য, ৰাজহুৱা সূচনা (৩)
৫। কাৰাগাৰত আবদ্ধ কৰি থোৱা অপৰাধী (৪)
৬। ভয়, ত্ৰাস (২)
৮। আৰাম লগাব পৰা মৃদু উত্তাপ (২)
৯। ডাঙৰ লোকৰ সভা, ৰাজসভা (৪)
১০। ইচলামধৰ্মীৰ এটা উৎসৱ (২)
১৩। নিৰ্বাচিত বা মনোনীত সংসদৰ সদস্য (৩)
১৪। শোণিত, জীৱৰ শৰীৰত প্ৰৱাহিত ৰঙা তৰল পদাৰ্থ (২)
১৫। ক্ষুধা, খাবৰ ইচ্ছা (২)
১৭। কোনো বিষয়ৰ মূল তাৎপৰ্য্য (৪)
১৯। খোলাৰ বিপৰীত, স্তব্ধ (২)
২১। পানীৰ সোঁত, ঋণ (২)
২২। অকামিলা, অমূলক, একো নজনা (৪)
২৩। একাধিক তৰপ কৰি ভাঁজ কৰ, এতৰপৰ ওপৰত আন তৰপ থোৱা (২)
২৫। বৰ মিঠা, সুস্বাদু (৩)
২৭। শাস্তি, কৃতকৰ্মৰ ফল ভোগ (২)

**উত্তৰ অহা সংখ্যাত**

**১২ মে সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ৩। মতলব ৫। নাভি ৬। জহামাল ৭। হক ৮। কাৰবাৰ ১০। অভিপ্ৰায় ১৪। বৃকোদৰ ১৫। লৰচৰ ১৭। মাথা ১৮। ৰাজভোগ ২০। জাত ২১। কতিপয়
**থিয়কৈ ঃ** ১। অনামিকা ২। দহা ৩। মল ৪। বন্দুক ৬। জনৰৱ ৭। হয় ৯। ৰস ১০। অলি ১১। হাৰ ১২। মালভোগ ১৩। লাচ ১৪। বৃথা ১৬। ৰসাতল ১৭। মাণিক ১৮। ৰায় ১৯। ভোল

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৩ মে’, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

# গোৱালপাৰাৰ বিধায়ক শ্বেৰমানৰ বিৰুদ্ধে ৰেজাউল কৰিমৰ গোচৰ

**ভিজন ডকুমেন্টত উন্নয়নৰ ভুৱা খতিয়ানেৰে বিজয়ী হোৱাৰ অভিযোগ**

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ মে’ ঃ** বাঘবৰ সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী শ্বেৰমান আলী আহমেদে ভিজন ডকুমেন্টত উন্নয়নৰ ভুৱা খতিয়ান দাঙি ধৰি নিৰ্বাচনত জয়ী হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। গোৱালপাৰা জিলা সাংবাদিক সন্থাৰ কাৰ্যালয়ত আজি এক সংবাদমেল সম্বোধন কৰি আৰ পি আই (আথোৱাল) ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰা চাফাই কৰ্মী ইউনিয়নৰ পুনৰ আন্দোলন আৰম্ভ



অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ মে’ ঃ** বকেয়া মাননি আদায়, নিযুক্তিপত্ৰ প্ৰদান, বৰ্ধিত মাননি আদায় আদি কৰি কে’বাটাও গুৰুত্বপূৰ্ণ সমস্যা সমাধানৰ দাবীত গোৱালপাৰা পৌৰসভাৰ চাফাই কৰ্মী ইউনিয়নে আজিৰে পৰা পুনৰ কৰ্ম বিৰতি আৰম্ভ কৰিছে। উল্লেখ্য যে উল্লিখিত দাবীসমূহ পূৰণৰ বাবে চাফাই কৰ্মী ইউনিয়নে দীৰ্ঘদিনৰ পৰাই দাবী জনাই আহিছে যদিও কোনো সুফল পোৱা নাই। শেহতীভাৱে যোৱা ১৩ এপ্ৰিলৰ অনিৰ্দিষ্টকালীন কৰ্মবিৰতি আৰম্ভ কৰাত গোৱালপাৰা চহৰখন জাবৰ-জোঁথেৰেৰে পৰিপূৰ্ণ হৈ এক পুতিদুৰ্গন্ধময় পৰিৱেশৰ সৃষ্টি হৈছিল। পিছত ২২ এপ্ৰিলত জিলা উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত গোৱালপাৰা পৌৰসভাৰ কাৰ্যবাহী বিষয়া, জিলা প্ৰশাসনৰ উচ্চ পদস্থ বিষয়া, চাফাই কৰ্মী ইউনিয়নৰ বিষয়ববীয়া আৰু কে’বাটাও ৰাজনৈতিক দলৰ প্ৰতিনিধিৰ উপস্থিতিত অনুষ্ঠিত এক সভাত জিলা উপায়ুক্তই চাফাই কৰ্মীসকলৰ সমস্যাসমূহ সমাধানৰ আশ্বাস দিয়ে। কিন্তু আশ্বাস মতে কাৰিকৰী ব্যৱস্থা গ্ৰহণ নকৰাৰ উপৰি চাৰি মাহৰ বকেয়া মাননি আদায় ছয় পৃষ্ঠাত চাওক

# পুখুৰী সিঁচি উদ্ধাৰ ঘাতকৰ ডেগাৰ
## হাজোৰ কৰিস্মা ডেকাৰ হত্যাকাণ্ড স্বীকাৰ অভিযুক্তৰ

অগ্ৰদূত বাৰ্তা

**হাজো, ১২ মে’ ঃ** কামৰূপ জিলাৰ হাজো আৰক্ষী থানাৰ অন্তৰ্গত মনাহকুছিত যোৱা ১০ মে’ৰ নিশা সংঘটিত লোমহৰ্ষক কৰিস্মা ডেকাৰ হত্যাকাণ্ডৰ ঘটনাক লৈ অদ্যাপিও অব্যাহত আছে চেপা উত্তেজনা। এই লোকহৰ্ষক হত্যাকাণ্ডৰ স’তে জড়িত থকাৰ সন্দেহত স্থানীয় ৰাইজ আৰু ডেকাৰ গৃহৰ পৰিয়ালৰ অভিযোগৰ ভিত্তিত ইতিমধ্যে হাজো আৰক্ষীয়ে ঘটনাৰ নিশাই কৰিস্মাৰ স্বামী বিশ্বজিত ডেকাক আটক কৰাৰ লগতে যোৱা ১১ মে’ত একে গাঁৱৰে বিজয় দাস নামৰ এজন যুৱকক আটক কৰিছিল। যিজন যুৱকে কৰিস্মাৰ স’তে অবৈধ সম্পৰ্ক ৰাখিছিল ছয় পৃষ্ঠাত চাওক

## সোঁতৰ বিপৰীতে




**পিতৃহীন সদ্যোজাত পুত্ৰ**

# মৰিগাঁৱত পথ দুৰ্ঘটনাত আশাকৰ্মীসহ দুজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ১২ মে’ ঃ** মৰিগাঁৱত যোৱা নিশা এক পথ দুৰ্ঘটনাত দুজন লোকৰ থিতাতে মৃত্যু হয়। তথ্য মতে, মৰিগাঁও জিলাৰ নাৰমাৰীৰ ৰাতুল ডেকা নামৰ লোকজনে তেলাহী মিকিৰগাঁৱৰ আশাকৰ্মী পিংকি ইংতিক মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ পৰা মটৰ চাইকেলেৰে ঘৰত থবলৈ গৈ আছিল। দুয়োজনে গৈ থকা অৱস্থাত দলবাৰীত নগাঁও দিশৰ পৰা অহা এ এছ-০১ ই-৬৮৪৫ নম্বৰৰ চাৰিচকীয়া বাহনখনে দুয়োজন মটৰ চাইকেল আৰোহীক মহটীয়াই নিয়ে। এই ভয়ংকৰ দুৰ্ঘটনাৰ ফলত ৰাতুল আৰু পিংকিয়ে থিতাতে মৃত্যুক সাবটি লয়। ইফালে, ভয়ংকৰ দুৰ্ঘটনাটো সংঘটিত কৰা চাৰিচকীয়া বাহনখনত অহা দুজন ব্যক্তি আঘাতপ্ৰাপ্ত হোৱাত মৰিগাঁও অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও ছয় পৃষ্ঠাত চাওক

# কাকীৰ এখন বিবাহৰ অভ্যৰ্থনা অনুষ্ঠানে কণ্টেইনমেণ্ট জ’নলৈ নিলে এখন গাঁৱক




অগ্ৰদূত বাৰ্তা

**কাকী, ১২ মে’ ঃ** হোজাই জিলাৰ কাকীৰ এক নম্বৰ কাকী দুই নম্বৰ বড়মপুৰ গাঁৱক হোজাই জিলা প্ৰশাসনে কণ্টেইনমেণ্ট জ’ন হিচাপে ঘোষণা কৰিছে। জিলা প্ৰশাসনে গাঁওখনত প্ৰৱেশ-প্ৰস্থানৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰাৰ লগতে স্থানীয় আৰক্ষী-প্ৰশাসনক সতৰ্ক দৃষ্টি ছয় পৃষ্ঠাত চাওক

# দেৰগাঁৱৰ বিশিষ্ট কবিৰাজ, বনবন্ধু আয়ুৰসূৰ্য তৰুণ হাজৰিকাৰ মৃত্যু



**দেৰগাঁও/খুমটাই, ১২ মে’ ঃ** দেৰগাঁও দিছে চাৰিআলি নিবাসী, বিশিষ্ট কবিৰাজ, প্ৰকৃতিপ্ৰেমী তৰুণ হাজৰিকা (৭১)ৰ আজি পুৱা মৃত্যু হয়। বনৌষধি চিকিৎসাৰে অসমৰ বিভিন্ন প্ৰান্তৰ অসংখ্য নিঃসন্তান দম্পতীক সন্তানৰ মুখ দেখুৱাই বিশেষ সফলতা অৰ্জন কৰা কবিৰাজজনৰ মৃত্যুত শোকস্তব্ধ হৈ পৰে তেওঁৰ গুণমুগ্ধ তথা শুভাকাংক্ষীসকল। তেওঁ বিগত কিছুদিন ধৰি বৃক্কজনিত ৰোগত চিকিৎসাধীন হৈ আছিল। আজি পুৱা ১১ বজাত হঠাতে অধিক অসুস্থ হৈ পৰি নিজ বাসগৃহতে শেষ নিশ্বাস ত্যাগ কৰে। মানবদৰদী হাজৰিকা এজন সুদক্ষ অভিনেতাও আছিল। ছয় পৃষ্ঠাত চাওক

# গোৱালপাৰা চহৰৰ ভূতনাথ শ্মশানত শেষকৃত্য কৰা হ’ব ক’ভিড-১৯ত মৃতকৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১২ মে’ ঃ** অৱশেষত জিলা প্ৰশাসনে গোৱালপাৰা চহৰৰ ভূতনাথ শ্মশান ঘাটত ক’ভিড-১৯ত আক্ৰান্ত মৃতকৰ অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰাৰ বাবে এক নিৰ্দেশ দিছে। উল্লেখ্য যে ইমান দিনে জিলাখনত ক’ভিড-১৯ত আক্ৰান্তৰ মৃতদেহৰ অন্তিম শৎকাৰৰ বাবে কোনো নিৰ্দিষ্ট শ্মশানৰ ব্যৱস্থা নকৰাৰ ফলত সমস্যাৰ সৃষ্টি হৈছিল; কিন্তু শেহতীয়াভাৱে বালিজানা ৰাজহ চক্ৰৰ বিষয়াৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি কালি জিলা উপায়ুক্ত বৰ্ণালী ডেকাই ডি ডি এম এ/গোৱালপাৰা/৩৭/২০২০/১৪ নম্বৰ যোগে এই আদেশ জাৰ কৰিছে। উল্লেখ যে য়িাৰ পূৰ্বেও ক’ভিড-১৯ আক্ৰান্ত হোৱা মৃতদেহ সংকাৰৰ বাবে ভূতনাথ শ্মশান ব্যৱহাৰ কৰিব বিচাৰিছিল যদিও সাধাৰণ ৰাইজৰ অসুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ব্যাৱহাৰ ছয় পৃষ্ঠাত চাওক

**নুমলীগড়ত ৰঙালাও বিক্ৰী কৰিব নোৱাৰি হতাশা খেতিয়কৰ**

# উপযুক্ত বজাৰৰ অভাৱত কৃষকৰ হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**নুমলীগড়, ১২ মে’ ঃ** বোকাখাত বিধানসভা সমষ্টিৰ ব্ৰহ্মপুত্ৰ-ধনশিৰিৰ নৈপৰীয়া এটা বিস্তৃত অঞ্চল উৰ্বৰা শক্তিৰে পুষ্ট কৃষিপ্ৰধান ক্ষেত্ৰৰূপে পৰিচিত। বছৰ বছৰ ধৰি অঞ্চলটোৰ কৃষকসকলে মূৰৰ ঘাম মাটিত পেলাই কৃষিকৰ্মৰে সূচনা কৰি আহিছে এক ‘কৃষি বিপ্লৱ’ৰ। উচ্চ শিক্ষিত যুৱ চামেও চমৎকাৰী কৰ্মোদ্যমেৰে কৃষিকৰ্মৰ স’তে সংপৃক্ত হৈ বিস্তৃত চাপৰি অঞ্চলক সেউজ শস্যৰে নদন-বদন কৰিছে। সাম্প্ৰতিক কৰ’নাকেন্দ্ৰিক ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি বহিঃৰাজ্যৰ পৰা অহা বহু উদীয়মান যুৱক-যুৱতীয়েও খেতিৰ কামত নিজকে নিয়োজিত কৰি আত্মনিৰ্ভৰশীল হ’বলৈ যত্ন কৰা পৰিলক্ষিত হৈছে। কিন্তু উৎপাদিত ফচল উপযুক্ত বজাৰৰ অভাৱত বিক্ৰী কৰিব নোৱাৰি কৃষকসকলে হাবাথুৰি খাবলগা পৰিস্থিতিৰ সৃষ্টি হৈছে। ইয়াৰ নুমলীগড়ৰ গাতে লাগি থকা পশ্চিম ধোদাঙৰ কৃষক সকল। এইবাৰ কিছু বহল ভিত্তিত কৰা ‘ৰঙালাও’ খেতিয়ে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। উৎপাদনো ভাল হৈছে। ৰঙালাওসমূহ ইতিমধ্যে কৃষকসকলে পথাৰৰ পৰা তুলি আনিছে আৰু 100 কুইন্টলৰো অধিক ৰঙালাও উৎপাদন কৰি কৃষকসকলে আত্মসন্তুষ্টি লাভ কৰিছে যদিও আনফালে তেওঁলোকৰ বাবে এতিয়া নামি আহিছে এক গভীৰ অমানিশা। আজি অঞ্চলটোত ৰঙালাও খেতিৰ স’তে জড়িত ক্ৰমে ভদ্ৰ গগৈ, বিনোদ গগৈ, মৃদুল গগৈ, দুদু শইকীয়া, বিপিন গগৈ, ৰমেন চলিহা, নিৰ্মল শইকীয়া, সোণ বৰা আৰু প্ৰফুল্ল শইকীয়াকে আদি কৰি কৃষকসকলে আক্ষেপেৰে প্ৰকাশ কৰে যে উৎপাদিত ৰঙালাও ছয় পৃষ্ঠাত চাওক



জনতা ভৱনত মন্ত্ৰী অতুল বৰাৰ কাৰ্যভাৰ গ্ৰহণ, বুধবাৰে।

# কচুৱাত বিদ্যুৎস্পৃষ্ট হৈ যুৱকৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কচুৱা, ১২ মে’ ঃ** বিদ্যুৎ বিভাগৰ একাংশ অকৰ্মণ্য আৰু দায়িত্বহীন বিষয়া-কৰ্মচাৰীৰ গাফিলতিৰ বাবে কচুৱামাৰি মেনগাঁৱত এজন যুৱকে আজি পুৱা বিদ্যুৎস্পৃষ্ট হৈ কৰুণভাৱে মৃত্যুক সাবটি লয়। কালি বিয়লি চাৰি বজাত কচুৱা অঞ্চলৰ উপৰেদি এজাক তীব্ৰবেগী ধুমুহা পাৰ হৈ যায়। ফলত বিভিন্ন অঞ্চলত গছ-গছনি ভাঙি-ছিঙি ক্ষতিসাধন কৰাৰ লগতে কচুৱামাৰি মেনগাঁৱত বিদ্যুতৰ তাঁৰ ছিঙি গাঁওখনৰ আহ-যাহ কৰা পথত পৰি যাতায়াত বন্ধ হৈ পৰে। এই সন্দৰ্ভত ফোনযোগে কঠিয়াতলি বৈদ্যুতিক উপ-সংমণ্ডলৰ প্ৰবন্ধকৰ কাৰ্যালয়ৰ অন্তৰ্গত কামপুৰ ছয় পৃষ্ঠাত চাওক

**নিৰ্বাচনী হিংসাৰ বলি হৈ অসমত আশ্ৰয়**

# শিবিৰ পৰিদৰ্শন কোচ ৰাজবংশী সাহিত্য সভাৰ সজাঁতী দলৰ



অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ১২ মে’ ঃ** চুবুৰীয়া ৰাজ্য পশ্চিমবংগত নিৰ্বাচনৰ ফলাফলৰ পাছতে একাংশ তৃণমূল নেতা-কৰ্মীৰ আক্ৰমণৰ বলি হৈ অসমৰ শ্ৰীৰামপুৰ, তামাৰহাট, হাতীধুৰা আদিত আশ্ৰয় লোৱা লোকসকলৰ পৰিস্থিতিৰ বুজ লয় কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক কমল কুমাৰ বৰ্মনৰ নেতৃত্বত এটি সঁজাতী দলে। উক্ত দলটোত উপস্থিত থাকে কেঅ’চিৰ নৱনিৰ্বাচিত সদস্য অমৰেন্দ্ৰ নাৰায়ণ ছয় পৃষ্ঠাত চাওক

# অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী ধৰিত্ৰী তালুকদাৰৰ মৃত্যুত শোক

**হাউলী, ১২ মে’ ঃ** ক’ভিডত আক্ৰান্ত হাউলীৰ নিবাসী তথা ২৩৭ নম্বৰ কালজাৰ বালক প্ৰাথমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ধৰিত্ৰী তালুকদাৰ (৬৩)ৰ কালি মৃত্যু হয়। যোৱা ২৬ এপ্ৰিলৰ পৰা তেওঁৰ ক’ভিড পজিটিভ পোৱাৰ পাছতে বৰপেটা মেডিকেল কলেজ হাস্পতালত চিকিৎসাধীন হৈ আছিল। কিন্তু কালি প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে। মহিলাগৰাকীৰ অকাল বিয়োগত হাউলীত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত স্বামীসহ দুই পুত্ৰৰ লগতে বহু গুণমুগ্ধক ইহসংসাৰত এৰি যায়। তেওঁৰ মৃত্যুত কৰ্মৰত ছয় পৃষ্ঠাত চাওক

# নতুন চৰকাৰলৈ শুভেচ্ছা শিক্ষাবিদ ব্ৰহ্মৰ

অগ্ৰদূত বাৰ্তা

**দোতমা, ১২ মে’ ঃ** ‘অসমৰ ৰাজনীতিত ড° হিমন্ত বিশ্ব শৰ্মাৰ দৰে দ্বিতীয়জন ব্যক্তি নাই।’ এই বক্তব্য বিশিষ্ট শিক্ষাবিদ ৰাজেন্দ্ৰ নাথ ব্ৰহ্মৰ। আজি সংবাদ মাধ্যমৰ আগত তেওঁ কয় যে ড° শৰ্মাৰ জাতি-জনগোষ্ঠীক লৈ কাম কৰাৰ অভিজ্ঞতা আছে। লগতে তেওঁৰ উপস্থিত বুদ্ধিত কৰ্ম কৰাৰ অভিজ্ঞতাও আছে। জনগোষ্ঠীয় যিখিনি দাবী সেইসমূহ শান্তিপূৰ্ণভাৱে সমাধান হ’ব বুলি আশা কৰিব পাৰি। আনহাতে, মুখ্যমন্ত্ৰীৰ শপতগ্ৰহণ সমাৰোহত বিৰোধী দলৰ মুৰব্বীসকল উপস্থিত থকাটো কোনো ডাঙৰ কথা নহয় বুলি তেওঁ কয়। তদুপৰি নতুন মুখ্যমন্ত্ৰীয়ে বিটিচিৰ সমস্যাসমূহ সমাধান কৰিব বুলি আশা কৰিব পাৰি।

# ৰুণিখাটাত পথ দুৰ্ঘটনাত মহিলাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কাজলগাঁও, ১২ মে’ ঃ** চিৰাং জিলাৰ ৰুণিখাটা আৰক্ষী থানাৰ অন্তৰ্গত খুংগ্ৰিগুত আজি সংঘটিত এক পথ দুৰ্ঘটনাত লেৱাৰী মুছাহাৰী (৪০) নামৰ মহিলাগৰাকীৰ মৃত্যু হয়। মহিলাগৰাকীয়ে পুত্ৰৰ স’তে মটৰচাইকেলত গৈ থকাৰ সময়তে পিছলি পৰি গুৰুতৰভাৱে আহত হয়। পাছত তেওঁক চিকিৎসালয়লৈ নিয়া হয় যদিও তেওঁৰ মৃত্যু হয়। ঘটনাটো পুৱা ১০ বজাত সংঘটিত হয়।

# নিৰুদ্দিষ্ট কিশোৰীক ছদিনৰ মূৰত বস্তাৰ ভিতৰত উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**ঠেলামৰা, ১২ মে’ ঃ** ছদিন পূৰ্বে নিৰুদ্দিষ্ট হৈ থকা ঠেলামৰাৰ এগৰাকী কিশোৰীক বস্তাত বান্ধি থোৱা মুমূৰ্ষ অৱস্থাত উদ্ধাৰ কৰা ঘটনাই উত্তেজনাৰ সৃষ্টি কৰিছে। আজি বিয়লি দুটাকৈ বস্তাত ভৰাই বান্ধি থোৱা অৱস্থাত ছদিনৰ পূৰ্বৰে পৰা নিৰুদ্দেশ হৈ থকা ঠেলামৰা আৰক্ষী থানাৰ অন্তৰ্গত মেঘাইজাৰণি গাঁৱৰ কিশোৰীগৰাকীক উদ্ধাৰ কৰা হয়। উল্লেখ্য যে ছদিন পূৰ্বৰে পৰা নৱম শ্ৰেণীৰ ছাত্ৰীগৰাকী নিৰুদ্দেশ হৈ আছিল। বিভিন্ন স্থানত পৰিয়ালে সন্ধান কৰিও কোনো শুংসূত্ৰ নোপোৱাত ঠেলামৰা আৰক্ষীক অৱগত কৰে। আৰক্ষীক অৱগত কৰাৰ দুদিন পাছতে আজি দিনৰ চাৰি বজাত ঘৰৰ সন্মুখতে এটা গাঁতত দুটাকৈ বস্তাত ভৰাই বান্ধি থোৱা অৱস্থাত পৰিয়ালৰ লোকে উদ্ধাৰ কৰে। ততালিকে সংকটজনক অৱস্থাত তেজপুৰ চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। ইপিনে, দুষ্কৃতিকাৰীয়ে ৯৩৯৪৬২৬৪২৬ নম্বৰৰ জৰিয়তে পৰিয়ালৰ স’তে কিশোৰীগৰাকীৰ সম্পৰ্কে ফোন কৰি থকাৰ কথাও আৰক্ষীক অৱগত কৰিছে। দুষ্কৃতিকাৰীয়ে কিশোৰীগৰাকীক নিচাযুক্ত দ্ৰব্য সেৱন কৰাই এনেদৰে বস্তাত ভৰাই থৈ ছয় পৃষ্ঠাত চাওক

# সমাজকৰ্মী, চিত্ৰশিল্পী শিৱ কুমাৰ ৰাইৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১২ মে’ ঃ** বাগ্‌সা জিলাৰ সুৱণখাটা অঞ্চলৰ বিশিষ্ট সমাজকৰ্মী, চিত্ৰশিল্পী শিৱ কুমাৰ ৰাই (৬৫)ৰ আজি সুৱণখাটাৰ নিজ বাসগৃহত দেহাৱসান ঘটে। বিগত কিছুদিন ধৰি ৰোগত আক্ৰান্ত হৈ শয্যাগত হৈ আছিল সমাজকৰ্মী ৰাই। মুছলপুৰ মহকুমাৰ অন্তৰ্গত সুৱণখাটাত ১৯৬৫ত জন্ম লাভ কৰা ৰাইয়ে ছাত্ৰ অৱস্থাৰে পৰা গোৰ্খা জনগোষ্ঠীৰ বিভিন্ন জাতীয় সংগঠনৰ স’তে জড়িত থাকি জাতিটোৰ উন্নয়নৰ হকে কাম কৰি আহিছিল। ৰাই অসম গোৰ্খা সন্মিলন অবিভক্ত নলবাৰী জিলাৰ সাধাৰণ সম্পাদক, সুৱণখাটা নৰ্থ-ইষ্ট ক্লাবৰ সম্পাদক, সুৱণখাটা বজাৰ সমিতিৰ সম্পাদক, ঐতিহাসিক সুৱণখাটা মাঘ মেলা সমিতিৰ সম্পাদকৰ লগতে তেওঁ বিভিন্ন ধৰণে গোৰ্খা ছাত্ৰ সন্থাৰ স’তে জড়িত থাকি সুচাৰুৰূপে কাম সম্পাদন কৰিছিল। সমান্তৰালভাৱে তেওঁ চিত্ৰশিল্পতো সিদ্ধহস্ত আছিল। সেইদৰে তেওঁ জাতীয় কংগ্ৰেছৰ উপৰি বিপিএফৰো এজন সক্ৰিয় কৰ্মী হিচাপে কাম-কাজ কৰিছিল। আজি তেওঁৰ ছয় পৃষ্ঠাত চাওক

# দুই কিশোৰী হত্যাত অভিযুক্তক শাস্তি প্ৰদানৰ দাবী

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ১২ মে’ ঃ** শালকোচা আৰক্ষী চকীৰ অন্তৰ্গত ৰেল লাইনৰ কাষৰ পুখুৰীত নৃশংসভাৱে হত্যাৰ বলি হোৱা দুই কিশোৰীৰ পৰিয়ালত আজি উপস্থিত হোৱা আইডিয়েল নামৰ স্বেচ্ছসেৱী সংগঠন এটাৰ প্ৰতিনিধি। দলটোৱে ঘটনাটো সংঘটিত হোৱা স্থানো পৰিদৰ্শন কৰে। পাছত সংগঠনটোৰ সভাপতি প্ৰলয় দত্তই দোষীক গ্ৰেপ্তাৰ কৰি শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়। দলটোৱে শালকোচা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াক ঘটনাটো সন্দৰ্ভত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

# পাঁচ বছৰত সমষ্টিবাসীক দিয়া প্ৰতিশ্ৰুতি পালন কৰিম ঃ ব্ৰহ্ম

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ১২ মে’ ঃ** ৰাজ্যৰ পঞ্চদশ বিধানসভাত মন্ত্ৰিত্বৰ দায়িত্ব লৈয়ে ৰাজ্যৰ হস্ততাঁত বস্ত্ৰ আৰু ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই আজি বাগ্‌সা জিলাৰ সদৰ মুছলপুৰত উপস্থিত হয়। নৱনিযুক্ত কেবিনেট মন্ত্ৰী ব্ৰহ্মাই জিলাখনৰ শেহতীয়া ক’ভিড পৰিস্থিতিৰ বুজ লোৱাৰ বাবে মুছলপুৰত উপস্থিত হৈ জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত এক গুৰুত্বপূৰ্ণ সভাত মিলিত হয়। উপায়ুক্ত ৰঞ্জন শৰ্মাৰ সঞ্চালনাত অনুষ্ঠিত উক্ত সভাত সাম্প্ৰতিক ক’ভিড পৰিস্থিতি সম্পৰ্কে জিলাখনৰ স্বাস্থ্য বিভাগৰ লগতে দায়িত্বশীল বিষয়াসকলৰ স’তে আলোচনা কৰে। সভাত তেওঁ জিলাখনৰ ক’ভিড পৰিস্থিতিৰ খতিয়ান লৈ সকলোকে পৰিস্থিতিৰ স’তে মোকাবিলা ছয় পৃষ্ঠাত চাওক

# জনজাতিকৰণত গুৰুত্ব প্ৰদান কৰিবলৈ চৰকাৰক আহ্বান কমতাপুৰ স্বায়ত্ত পৰিষদৰ

অগ্ৰদূত ব্যুৰ’

**বঙাইগাঁও, ১২ মে’ ঃ** ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত নৱগঠিত বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনলৈ কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ পাৰিষদসকলে অভিনন্দন জনাইছে। যোৱা ১১ মে’ত বৃহত্তৰ বঙাইগাঁও প্ৰেছ ক্লাবত আয়োজিত এখন সংবাদমেলত কমতাপুৰ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মন, মুখ্য কাৰ্যবাহী পাৰিষদ গোকুল বৰ্মন, কাৰ্যবাহী পাৰিষদ প্ৰদীপ কুমাৰ ৰায়, অতুল ৰায়, কৰ্মেশ্বৰ ৰায়, পূৰৱী সৰকাৰ, সুধীৰ ৰায়, সদস্যা সবিতা সিংহ, বিক্ৰমজিৎ ৰায় আদিয়ে নৱগঠিত চৰকাৰখনলৈ অভিনন্দন জনাই অনাগত দিনত এই অঞ্চলৰ উন্নয়নৰ প্ৰতি চৰকাৰখনে গুৰুত্ব প্ৰদান কৰাৰ লগতে সমস্যাজৰ্জৰ কোচ ৰাজবংশীসকলৰ বিভিন্ন দাবীসমূহ শীঘ্ৰে সমাধান কৰিব বুলি আশা প্ৰকাশ কৰে। সংবাদমেলত কেএচিৰ অধ্যক্ষ হিতেশ্বৰ বৰ্মনে কয় যে কোচ ৰাজবংশীসকলৰ দীৰ্ঘদিনীয়া যি জনজাতিকৰণৰ দাবী সেই দাবীৰ প্ৰতি নিশ্চয় নৱগঠিত চৰকাৰখনে গভীৰভাৱে গুৰুত্ব প্ৰদান কৰিব। ইপিনে, ইতিমধ্যে যিহেতু কমতাপুৰ স্বায়ত্তশাসিত পৰিষদ ঘোষণা কৰা হৈছে আৰু আমাক লৈ অন্তৰ্বৰ্তীকালীন পৰিষদখন গঠন কৰা হৈছে সেয়ে আমাৰ যিখিনি কাম সেইখিনি আগবঢ়াই লৈ যাম। নতুন চৰকাৰখনলৈ আহ্বান জনাই অধ্যক্ষ হিতেশ্বৰ বৰ্মনে কয় যে আমাক অতি শীঘ্ৰে কেইটামান বিভাগ প্ৰদান কৰিব লাগে। তেওঁ ভূমিৰ অধিকাৰকে ধৰি ভালেকেইটা বিভাগ কমতাপুৰ স্বায়ত্তশাসিত পৰিষদক দিব লাগে বুলি আহ্বান জনায়। লগতে কোচ ৰাজবংশীসকলৰ জনজাতিকৰণৰ দাবীটো পূৰণ কৰিব লাগে বুলি কয়। তেওঁ কেএচিৰ যি ছয় পৃষ্ঠাত চাওক

# কলঙক পুনৰুজ্জীৱিতকৰণৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছিল বৰগোহাঞিয়ে



বিশেষ সংবাদদাতা

**নগাঁও, ১২ মে’ ঃ** নগএঞা ৰাইজৰ প্ৰাণৰ স্পন্দন, নগাঁৱৰ সভ্যতা-সংস্কৃতি, সমাজনীতি, অৰ্থনীতি, ৰাজনীতিৰ অন্যতম সাক্ষী কলং নৈক পুনৰুজ্জীৱিত কৰি জিৰজিৰকৈ বোৱাই তোলাৰ এক স্বপ্ন আছিল কথা সাহিত্যিক, বিশিষ্ট সাংবাদিক হোমেন বৰগোহাঞিৰ। বন্ধ্যা কলং নৈক পুনৰ বোৱাই তুলিবলৈ ৰাইজৰ মাজত এক জনজাগৰণৰ সৃষ্টি কৰিবৰ বাবে আৰম্ভ হৈছিল এক জনজাগৰণৰ অভিযান। নগাঁৱৰ জীৱন আৰু যৌৱনক প্ৰতিনিধিত্ব কৰা স্ৰোতস্বিনী কলঙক বোৱাই তোলা জনজাগৰণ আন্দোলনৰ নেতৃত্ব বহন কৰিছিল বৰগোহাঞিয়ে। কলংখনক পুনৰ বোৱাই তোলাৰ যি জনজাগৰণৰ আন্দোলন সেই আন্দোলনক তত্বৰান্বিত কৰাৰ বাবে তেওঁ সমগ্ৰ জিলাখনতে এক সৱল জনমত গঢ়ি তোলাৰ প্ৰয়াস কৰি যথেষ্ট সফলো হৈছিল।

বন্ধ্যা কলঙক বোৱাই তুলি প্ৰাণচঞ্চলা কৰি তুলিবলৈ যুগদ্ৰষ্টা সাহিত্যিক বৰগোহাঞিয়ে আৰম্ভ কৰা আন্দোলনৰ সহযোগী আছিল এসময়ৰ নগাঁও জিলাৰ উপায়ুক্ত, ভাৰতীয় প্ৰশাসনিক সেৱাৰ অৱসৰপ্ৰাপ্ত প্ৰশাসনিক বিষয়া জ্যোতিপ্ৰসাদ শইকীয়া, নগাঁৱৰ বোধেন শইকীয়া, মুকুল শইকীয়া প্ৰমুখ্যে বহু বিশিষ্ট লোক, সাংবাদিক-বুদ্ধিজীৱী। এই সন্দৰ্ভত ৰাইজৰ মাজত সচেতনতা বৃদ্ধিৰ লগতে চৰকাৰৰো দৃষ্টি আকৰ্ষণ কৰিবৰ নিমিত্তে বৰগোহাঞিৰ নেতৃত্বত নগাঁও চহৰৰ লগতে কলিয়াবৰতো একাধিক নাগৰিক সভা অনুষ্ঠিত ছয় পৃষ্ঠাত চাওক

# দোতমাত আন্তৰ্জাতিক নাৰ্ছ দিৱস পালন

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ১২ মে’ ঃ** সমগ্ৰ দেশৰ লগতে কোকৰাঝাৰ জিলাৰ অন্তৰ্গত দোতমাত আজি আন্তঃৰাষ্ট্ৰীয় নাৰ্ছ দিৱস পালন কৰা হয়। সমগ্ৰ ৰাজ্যত চলিছে কৰ’না মহামাৰীৰ সন্ত্ৰাস, ৰাজ্যৰ প্ৰতিখন চিকিৎসালয় ভৰি পৰিছে কৰ’না ৰোগীৰে। কিন্তু নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি ৰোগীসকলক অহৰ্নিশে শুশ্ৰূষা কৰাত ব্যস্ত ৰাজ্যৰ স্বাস্থ্যকৰ্মী, নাৰ্ছসকল। কৰ্মব্যস্ততাৰ মাজতে দোতমা সমূহীয়া স্বাস্থ্য কেন্দ্ৰত নাৰ্ছসকলে পালন কৰিলে আন্তৰ্জাতিক নাৰ্ছ দিৱস। উক্ত অনুষ্ঠানত উপস্থিত থাকি দোতমা সমূহীয়া ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৩ মে' বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫



# আঞ্চলিক দলৰ জন্ম, মৃত্যু আৰু পোষ্টমৰ্টেম ৰিপৰ্ট

## ছাত্ৰ-সন্থা-সংগঠনবোৰে ধোদ কিছুমান সৃষ্টি কৰাত বিশেষ অৰিহণা আগবঢ়াই আহিছে

**ড°** হিমন্ত বিশ্ব শৰ্মাৰ হাঁহিত সৰ্বানন্দ সোণোৱালৰ সন্তুষ্টি। সাতদিনীয়া গণ উৎকণ্ঠাৰ অন্ত পৰিল সন্তুষ্টিৰ হাঁহিৰে। ৰাজনৈতিক নাটক এখনৰ যৱনিকা পৰিল ভদ্ৰোচিতভাৱে। মুখ্যমন্ত্ৰিত্বক লৈ চলি থকা টনা-আঁজোৰাখন ইমান সুন্দৰভাৱে সমাপ্তি ঘটিল যেন কোনো ঘটনা ঘটাই নাই। যেন কাৰো ক'তো বিবাদ বা ওজৰ-আপত্তি অকণো নাই।

বিধায়িনী দলৰ নেতা ড° হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী পদৰ বাবে প্ৰস্তাৱ দাঙি ধৰি প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিৰল প্ৰতিভা আৰু ৰাজনৈতিক বিচক্ষণতাৰ পৰিচয় দাঙি ধৰিলে। ড° শৰ্মাৰ হাঁহিত সোণোৱালৰ সন্তুষ্টি দেখি পৰম শত্ৰুজনেও অকপটে স্বীকাৰ কৰিবলৈ বাধ্য হ'ব যে মানুহজন কিমান মহান; কিমান ত্যাগী আৰু কিমান ৰাজনৈতিক জ্ঞানসম্পন্ন।

মুখ্যমন্ত্ৰিত্বক লৈ চলি থকা শীতল যুঁজখনৰ সন্তোষজনক পৰিসমাপ্তিয়ে এটা কথা স্পষ্ট কৰিলে যে ভাৰতীয় জনতা পাৰ্টী আৰু দলৰ নেতাবোৰ কিমান শৃংখলিত আৰু অনুশাসিত। কেন্দ্ৰীয় নেতৃত্বই সমাধান কৰিব নোৱাৰা সমস্যা এটা ৰাজ্যৰ দুই নেতাই ভাতৃসুলভভাৱে ইমান সুন্দৰকৈ সমাধান কৰিলে যে তাৰ শ্ৰেয় আৰু শ্ৰেষ্ঠতাখিনি কেন্দ্ৰীয় নেতৃত্বইও পোৱাৰ যোগ্য।

দুৰ্নীতিমুক্ত আৰু নিকা ভাৱমূৰ্তিৰ মুখ্যমন্ত্ৰী সোণোৱালৰ উত্তৰাধিকাৰী বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° শৰ্মা এজন কৰ্মদক্ষ, বাকপটু আৰু বিচক্ষণ ৰাজনৈতিক নেতা বুলি সকলোৱে একেমুখে স্বীকাৰ কৰিবই লাগিব। আমাৰ পৰম ভাগ্য যে একেৰাহে একে দলৰে দুজন যোগ্য, কৰ্মঠ আৰু পছন্দৰ নেতাক মুখ্যমন্ত্ৰী হিচাপে পালো। আমি সৰ্বানন্দ সোণোৱালক কৃতজ্ঞতা জ্ঞাপন কৰি ড° হিমন্ত বিশ্ব শৰ্মাক অভিনন্দন জনালো।

নতুন মুখ্যমন্ত্ৰী ড° শৰ্মাৰ পৰা অসমীয়া ৰাইজে আশা কৰিব অগ্ৰজজনৰ দুৰ্নীতি নিবাৰণ আৰু দুৰ্নীতিমুক্ত অসমৰ ধাৰা পুৰামাত্ৰাই বাহাল ৰাখক, নিৰ্বাচনৰ আগমুহূৰ্তত ভোটাৰ ৰাইজক দিয়া প্ৰতিশ্ৰুতিবোৰ আখৰে আখৰে পালন কৰক আৰু কৰ'না মহামাৰীৰ বিৰুদ্ধে চলাই নিয়া যুঁজখন দুগুণ উৎসাহেৰে যুঁজক। অসমীয়া ৰাইজে আপোনাৰ লগত সদায় আছে আৰু সদায় থাকিব।

আন এটা দৃশ্যপটলৈ যাওঁ আহক। তাত গৈ আমি দেখিম যে 'কা' বিৰোধী অন্দোলনৰ উৎসাহ আৰু উগ্মতাত এটি শিশুৰ জন্ম হ'ল। শিশুটি বেছ ধুনীয়া আৰু তজবজীয়া। ঘপাঘপ খোজ কাঢ়ি ঘপহকৈ ডাঙৰ হ'ব খোজে। তাৰ ল'ৰা-ঢপৰা, দ্ৰুতগতি আৰু পলকতে সকলো কৰিব খোজাক চাই বহুতে কয় শিশুটি অকাল পকা। তিনি মাহতে তিনি বছৰীয়া হ'ব খোজাই নহয় ত্ৰিশ বছৰীয়া হোৱাৰ হেঁপাহ অন্তৰত পুহি ৰখা বিধৰ শিশু সি।

কিন্তু হায়! তৰানৰা ছিঙা দৌৰত নিৰ্বাচনী বতৰত হঠাতে এদিন উজুটি খালে। শিশুটি পৰিল। খবৰটো শুনি বৰ বেয়া লাগিল।

সি যি কি নহওক শিশুটিৰ বুদ্ধি-কৌশল আৰু ক্ষিপ্ৰতা দেখি আমি আবেগিক হৈছিলো। এই যে 'আবেগ' সেইটোৱেই সকলো পয়মালৰ গুৰি। কাৰণ আবেগে বিবেক নষ্ট কৰে। মানুহৰ মনক কৰে পথ ভ্ৰষ্ট। আবেগিক হৈ কৰা কামত ক্ষয়-ক্ষতি আৰু অনিষ্ট হয় অধিক। সেইটোৱেই হৈছিল 'কা' বিৰোধী আন্দোলনৰ সময়ত। ৰাজহুৱা সম্পদ ধ্বংস কৰা হৈছিল ইচ্ছাকৃতভাৱে। সুবিধা-সুযোগ সন্ধানী এমুঠিমান কংগ্ৰেছী, কিছুসংখ্যক বৃদ্ধ ছাত্ৰ আৰু কিছু আজমলৰ মানুহ এই ধ্বংস কাৰ্যত জড়িত আছিল বুলি খবৰ কাকতত পঢ়িবলৈ পাইছিলো। অসমৰ অভিভাৱক (?) ড° হীৰেন গোঁহাই, সাংসদ অজিত কুমাৰ ভূঞা, মনজিৎ মহন্তকে আদি কৰি অনেকে 'কা' বিৰোধী আন্দোলনত নামি পৰি গুৰি ব'ঠা ধৰিছিল; কিন্তু বৰ দুখৰ বিষয় তেওঁলোকৰ গোপন উদ্দেশ্য আছিল অসমত অশান্ত পৰিৱেশ সৃষ্টি কৰি ৰাজনৈতিক মুনাফা আদায় কৰাহে।

'কা' আন্দোলনৰ ঠিক পাছতে অন্তঃসত্তা ছাত্ৰ সন্থাই প্ৰসৱ কৰা শিশুটিয়ে (পানী কেঁচুৱা) হঠাতে জনসাধাৰণক হঠচকিত কৰিলে। 'অসম জাতীয় পৰিষদ' নাম লৈ ৰাজনৈতিক দলবোৰৰ শাৰীত থিয় দিয়াতহে ৰাইজে বুজিলে 'কা' বিৰোধী আন্দোলনৰ গোপন ৰহস্য। পানী কেঁচুৱাটিৰ খৰখুজীয়া গতি, ৰাজনীতিত মতি দেখি আন বহুতৰ মনত আশাৰ সঞ্চাৰ হ'ল। পুৰণি দল এৰা, দল বাগৰা, আন দলৰ পৰা খেদা খোৱা, ৰাজনৈতিক নেতা হৈ ধন-সম্পদ, মান-যশ গঢ়িব খোজাসকলৰ এটা সুযোগ ওলাল। অজাপৰ হাতত ধৰি নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ বাবে বহুতে উদ্বাউল হ'ল। টিকট পোৱা আৰু লোৱাৰ বাবে হেতাওপৰা লাগিল। টিকটৰ বজাৰ দৰ চৰা হ'ল। জেপৰ ধন খৰচ কৰিলে ২০-৩০ লক্ষ পৰ্যন্ত। উদ্দেশ্য এটাই— নেতা-বিধায়ক হোৱা।



**আছুতীয়া চিন্তা**

**জয়কান্ত শৰ্মা (কনিষ্ঠ)**

হ'ল! বহুতৰ লক্ষ্য পুৰণ হ'ল। ধনৰ বিনিময়ত টিকট পালে। নিৰ্বাচন খেলিব পৰা সুবিধাকণ হ'ল। নিৰ্বাচন খেলিলেও; কিন্তু কোনো এজন প্ৰাৰ্থীয়ে জয়ৰ মুখ দেখা নাপালে। হাজো সমষ্টিৰ দুলু আহমেদৰ বাহিৰে কোনো এজন প্ৰাৰ্থীয়ে যোগ্য প্ৰতিদ্বন্দ্বিতা আগবঢ়াবও নোৱাৰিলে। স্বয়ং অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে দুলীয়াজান আৰু নাহৰকটীয়া দুয়োটা সমষ্টিতে তৃতীয় স্থানত থাকিয়ে সন্তুষ্টি লভিলে।

অসমৰ অভিভাৱক (?), কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ আশীৰ্বাদপুষ্ট অজিত কুমাৰ ভূঞাই পোষ্ট মৰ্টেম ৰিপ'ৰ্ট চাই ক'লে যে ৰাস্তাত আন্দোলন কৰা আৰু নিৰ্বাচন খেলা একে কথা নহয়। বিজেপি বা মিত্ৰজোঁটক হৰুৱাবলৈ হ'লে মহাজোঁটৰ লগ লাগিবই লাগিব। আঞ্চলিক দলে অকলে মিত্ৰজোঁটক হৰুৱাব পাৰিম বুলি যদি কোনোবাই ভাবি আছে তেওঁলোকে মূৰ্খৰ ৰাজ্যত বাস কৰিছে।

কথাবোৰ অৱশ্যে মিছাও নহয়; কিন্তু মহাজোঁটৰ লগত লগ হৈ নিৰ্বাচন খেলিবলৈ কোনো দল বাধ্যও নহয়। কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ শৰণাগত হোৱা মানে নিজৰ ৰাজহাড় নিজৰ গাত বিচাৰি নোপোৱাৰ দৰে কথা। আঞ্চলিকতাবাদী সত্তা বিসৰ্জন দিয়াহে কথা।

আকৌ ঘূৰি যাওঁ মূল কথালৈ। হোৱাই-নোহোৱাই, হকে-বিহকে আন্দোলন কৰি ভেজাল দেশপ্ৰেম মানুহক দেখুৱাব পাৰি, ৰাজহুৱা সম্পত্তি ধ্বংস কৰি বীৰত্ব (?) দেখুৱাব পাৰি। কিন্তু মানুহৰ মন জয় কৰিব নোৱাৰি। ভোট আদায় কৰিবতো আৰু নোৱাৰি। জনতাৰ হৃদয় জয় কৰিবলৈ, আস্থা আৰু বিশ্বাস জন্মাবলৈ কিবা নহয় কিবা ভাল কাম কৰিবই লাগিব। যিকোনো কাম বা আন্দোলনৰ উদ্দেশ্য সৎ হ'বই লাগিব।

আঞ্চলিক গণ মৰ্চাই এজনৰ বাহিৰে দুজন প্ৰাৰ্থী আগবঢ়াবলৈ সমৰ্থ নহ'ল। একমাত্ৰ প্ৰাৰ্থী মনজিৎ মহন্তই ৰাইজৰ সঁহাৰি মুঠেই নাপালে। আঞ্চলিক গণ মৰ্চাৰ কথা কেৰে নাজানে। মনজিৎ মহন্তক কোনেও চিনি নাপায়। তেনেস্থলত ৰাইজে ভোট দিয়ে কাক আৰু কেনেকৈ?

অসমৰ সচেতন মহলৰ বুজিবলৈ বাকী নাছিল সাংসদ ভূঞা আৰু ড° হীৰেন গোহাঁইৰ গোপন উদ্দেশ্যৰ কথা। অসমৰ ওপৰত অতিৰিক্ত (বিদেশী) নাগৰিকৰ বোজা জাপি দিব খোজা নাগৰিক সংশোধনী আইনখন বাতিল কৰাৰ বাবে কৰা আন্দোলনত ড° গোহাঁই আৰু ভূঞাকে আদি কৰি আন আন দল-সংগঠনৰ নেতা-নেতৃত্বক অসমৰ ৰাইজে সমৰ্থন কৰিছিল।

আমিও নৈতিক সমৰ্থন আগবঢ়াইছিলো। ভাল লাগিছিল এট গণ জাগৰণ হোৱা বাবে। অঞ্চলৰ সমস্যাবোৰ সমাধানকল্পে আঞ্চলিক শক্তিৰ উত্থান হ'ব বুলি ভবা হৈছিল।

কিন্তু মুৰকত তেনে কথা একো নহ'ল। ধান খেৰৰ জুইৰ দৰে আবেগৰ জুই আপোনা-আপুনি নিৰ্বাপিত হ'ল। ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থ লগত লৈ আহি আন্দোলনত যোগদান কৰা দল-সংগঠনবোৰে ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থবোৰ বুকুত বান্ধি লৈয়ে আঁতৰি গ'ল। কংগ্ৰেছ আৰু এ আই ইউ ডি এফৰ লেতেৰা ৰাজনীতি সকলোৱে চকুত ধৰা পৰিল। অসৎ উদ্দেশ্য আৰু ধ্বংসাত্মক কাৰ্য-কলাপে আন্দোলনৰ নৈতিক শক্তি লাঘৱ কৰিলে চকুত লগাকৈ।

'কা' বিৰোধী আন্দোলনৰ উগ্মতাত জন্ম লাভ কৰা শিশু (অজাপ) টিৰ বয়স তিনিমাহ হোৱা-নোহোৱাৰ পৰতে নিৰ্বাচনৰ গৰম বতাহ বলিব ধৰিলে অসমত। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ হেতা-ওপৰা লাগিল ইচ্ছুক প্ৰাৰ্থীসকলৰ মাজত। লৰা-ঢপৰা কৰিব ধৰিলে টিকট প্ৰাপ্তই। ইমানতে ক্ষান্ত নাথাকি হেলিকপ্তাৰ ভাড়াত লৈ লুৰীণজ্যোতিয়ে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিবলৈ ধৰাত সকলোৰে চকু কপালত উঠিল। প্ৰশ্নও উঠিল ইমান টকা লুৰীণে ক'ত পালে?

ইয়াৰ বিপৰীতে অখিল গগৈয়ে জেল (হাস্পাতাল)ত থাকিয়ে নিজাকৈ দল খুলিলে। নিজৰ দল ৰাইজৰ দলৰ হৈ অখিলে প্ৰচাৰ চলালে চিঠি-পত্ৰ যোগে। তেনেকৈয়ে তেওঁ জিকি আহিল। অৱশ্যে তাৰ পাছতো সমালোচনাই অখিলৰ পাছ নেৰিলে। বহুতে দাবী কৰিব খোজে যে আন্দোলনমুখী অখিলক জিকাই আনিবলৈ স্বয়ং বিজেপিয়ে আওপকীয়াকৈ সহায়হে কৰিছে। সহায় কৰাৰ কাৰণ হ'ল হকে-বিহকে, যেতিয়াই-তেতিয়াই আন্দোলন কৰি অখিলে ৰাজপথ প্ৰায়ে বন্ধ কৰি ৰাখে। অসমৰ আকাশ-বতাহ গৰম কৰি ৰাখে। বিধায়ক হ'লে অন্ততঃ......।

অৱশ্যে বাহিৰত অসমক আন্দোলনৰ দেশ বুলিয়ে জানে। আৰু জানে অসমক আলফাৰ সন্ত্ৰাসবাদ চলোৱা ৰাজ্য বুলি। আছু, আবছু, আমছু, আৰ্মৰ্কা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদ, ছাত্ৰ মুক্তি..... ইত্যাদি সন্থাবোৰে অন্দোলন কৰি কৰি অসমৰ অৱস্থা কাহিল কৰি পেলাইছে। পেলোৱা নাইনে?

কেইজনমান স্বয়ম্ভূ নেতাই সময়-সুবিধা চাই একোটা সন্থা বা সংগঠন খুলি সমস্যাকেইটামান খামোচ মাৰি ধৰি তাকে লৈ বছৰ বছৰ আন্দোলন চলাই যায়। ছল চাই কঠীয়াও পাৰে। দেখাত দেশপ্ৰেমিক, জাতিপ্ৰেমিক বা ভাষা-সংস্কৃতিৰ ৰক্ষক আৰু অভিভাৱক যেনও লাগে; কিন্তু তেওঁলোকৰ গোপন আৰু প্ৰকৃত উদ্দেশ্য সদায় বেলেগ থাকে। প্ৰথম কথা— ছাত্ৰ নেতা হৈ নেতাগিৰি কৰি চান্দা-বৰঙণি সংগ্ৰহৰ জৰিয়তে নিজৰ জেপবোৰ গৰম কৰি ৰখা। দ্বিতীয় কথা— ছাত্ৰ নেতা হৈ ছাত্ৰ শক্তি আৰু ক্ষমতা লাভ কৰি সেই শক্তি ক্ষমতা লভাজনক কাৰ্যত ব্যৱহাৰ কৰি আৰ্থিক স্থিতি মজবুত কৰা। তৃতীয় কথা হ'ল— ভৱিষ্যতে ৰাজনৈতিক নেতা হ'ব পৰাকৈ কিছুবছৰ ছাত্ৰ শিবিৰত থাকি শিকি-বুজি ৰাজনৈতিক অনুশীলন কৰি পূৰঠ-পৰিপক্ক হোৱা। এই কেইটাৰ বাহিৰে আজিৰ ছাত্ৰ সংগঠনবোৰৰ সৎ উদ্দেশ্য কিবা থাকিব পাৰে বুলি আমি নাভাবো।

এনেদৰে আন্দোলন কৰি কৰি প্ৰায় দুকুৰি বছৰ অসমৰ আকাশ-বতাহ গৰম কৰি ৰাখি চান্দা বা ধন দাবী কৰি লোৱাৰ ফল হ'ল বিনিয়োগকাৰী আৰু সৰু-ডাঙৰ উদ্যোগপতিসকল অসমলৈ আহিবলৈ অনিহা প্ৰকাশ কৰা দেখা গৈছে। তাৰ ফলত ঔদ্যোগীকৰণৰ ক্ষেত্ৰত অসম দেশৰ ভিতৰতে পিছ পৰি ৰৈছে। উদ্যোগ, কল-কাৰখানাৰ অভাৱ হেতু নিবনুৱাৰ সংখ্যা বছৰে বছৰে বৃদ্ধি হৈ গৈ আছে নিযুক্তিৰ অভাৱত। ছাত্ৰ সংগঠন কৰা, তাৰ কামত ঘূৰি-ফুৰা ছাত্ৰ (যুৱক) সকল ক্ৰমে হয় কৰ্ম-বিমুখ। তেওঁলোক হয় এলেহুৱা আৰু অকৰ্মণ্য। ছাত্ৰ-সন্থা-সংগঠনবোৰে ধোদ কিছুমান সৃষ্টি কৰাত বিশেষ অৰিহণা আগবঢ়াই আহিছে। সহজলভ্য ধন অৰ্থাৎ শ্ৰম নকৰাকৈ অৰ্থ উপাৰ্জন কৰা মানসিকতা গঢ় লৈ উঠে সংগঠন কৰি থকা সময়তে। বিহু-উৎসৱ পালন, শিক্ষা-সাংস্কৃতিক অনুষ্ঠান, কলা-কৃষ্টি ৰক্ষা আৰু মানুহ গঢ়াৰ নামত দান-চান্দা তোলা আৰু তাৰ পৰা এটা অংশ পকেটস্থ কৰা অৰ্থাৎ কমিছন খোৱা আৰু লোৱা প্ৰথা প্ৰচলিত হ'ল আন্দোলনজীৱী আৰু ছাত্ৰ বৃত্তি (ব্যৱসায়)ৰ কাৰণে।

অৱশ্যে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কথাবোৰ কিছু সুকীয়া। তেওঁলোকৰ লক্ষ্য-উদ্দেশ্য জনতাৰ পক্ষত যোৱা ধৰণৰ। মানুহৰ মনত ত্যাগভাৱ জাগ্ৰত কৰা, দেশপ্ৰেম জগোৱা আৰু আঞ্চলিক সমস্যাবোৰ সৰ্বভাৰতীয় প্ৰেক্ষাপটত দাঙি ধৰাৰ ক্ষেত্ৰত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ভূমিকাক দলিয়াই পেলাব নোৱাৰি।

কিন্তু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ একা?— সৰ্বভাৰতীয় আৰু ধনে-জনে শক্তিশালী দলবোৰে প্ৰতিশ্ৰুতি আৰু গেৰাণ্টি দিয়াৰ দৰে লুৰীণেও নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ বন্যা বোৱালে। শতিকা গৰকা দলৰ সমানে সমানে নিৰ্বাচনী প্ৰচাৰ চলাই শেষত মুখথেকেচা খাব লগা হ'ল। নিৰ্বাচনী ফলাফল শূন্য হোৱাটো লজ্জাৰ কথাই অকল নহয়, ৰাজনৈতিক জ্ঞান শূন্যতাৰ কথাও।

*ফোন ঃ ৮৮২২১৮৮৬৭৯*

# পাকিস্তান ঘূৰি আহিলো

**পঞ্চম খণ্ড**

**স্মৰণীয় মুহূৰ্ত-বৰণীয় মানুহ**

**সংখ্যালঘুসকলৰ** ওপৰত নৃশংস অত্যাচাৰে বাৰে বাৰে মোক বেদনাহত কৰিছে; কিন্তু বিশ্বাস ঘূৰি আহিছে যেতিয়া মনত পৰিছে আমীৰ হুছেইন চৌধুৰী, মহম্মদ চিৰাজ আৰু মৌলবী আছগৰ আলীৰ কথা, আৰু মনত পৰিছে অনেকৰ কথা। পূৰ্ববংগৰ কটা-মৰাৰ সময়ত হিন্দুসকলক সাহায্য বা ৰক্ষা কৰিবলৈ গৈ ২২ জন মুছলমানে প্ৰাণ বিসৰ্জন দিছে। মই তিনিটা ঘটনাৰ কথা উল্লেখ কৰিম। আমীৰ হুছেইন নিহত হৈছিল ১৬ জানুৱাৰীত। তেওঁ দুষ্কৃতিকাৰী মুছলমানৰ কামত বাধা দিছিল আৰু সিহঁতক বুজাবলৈ চেষ্টা কৰিছিল। তেওঁৰ লগত থকা তেনে এজন ব্যক্তিয়ে মোক কৈছিল যে চৌধুৰী চাহাবক মুছলমানে খেদি আহে। তেওঁৰ জেপত ৰিভলভাৰ আছিল। তেওঁ যদি প্ৰথমেই মুছলমান বুলি চিনাকি দিলেহেঁতেন, তেনেহ'লে তেওঁৰ এনে শোচনীয়ভাৱে মৃত্যু নহ'লহেঁতেন। তেওঁক খেদি অহাৰ লগে লগে তেওঁ গুলি কৰি কৰি দৌৰি থাকে। এজনৰ পাছত সিজনকৈ ছজন নিহত হয়; কিন্তু সপ্তমজন লোকে আঘাত পাইও তেওঁক আহত কৰে। তেতিয়া তেওঁ কৈছিল— 'মোক নামাৰিবি মই মুছলমান।' আক্ৰমণকাৰীয়ে 'এতিয়া মুছলমান হৈ দেখুৱাইছ' বুলি যাঠিৰে তেওঁৰ ডিঙি ফুটাই দিয়ে। চৌধুৰী চাহাবে জীৱন দি এই কথা প্ৰমাণ কৰিলে যে মানুহ এতিয়াও আছে। মহম্মদ ৰিয়াজৰ লগত মই ব্যক্তিগতভাৱে কথা পাতিছো। কিমান আৰু বয়স হ'ব— ২০ বা ২১। সুঠাম দেহ জয়কালী মন্দিৰ ৰোডত সি কমপক্ষেও ডেৰশ হিন্দু পুৰুষ-মহিলা আৰু শিশুক আশ্ৰয় দিছিল আৰু যিমানবাৰ দুষ্কৃতিকাৰী আহিছিল, সিমানবাৰ গুলি চলাই আক্ৰমণকাৰীহঁতক ওভতাই পঠিয়ায়। গুলি যেতিয়া শেষ হ'ল তেতিয়া শ্বেখ মুজিবুৰ ৰহমানে তাক ৫০ ৰাউণ্ড গুলি দি ক'লে— তই এওঁলোকক ৰক্ষা কৰ। মহম্মদ চিৰাজে কৈছিল যে দুষ্কৃতিকাৰীবোৰক মই ভালদৰে চিনি পাওঁ, সিহঁতে কৈছে যে এদিন মোক চাই ল'ব। সেই ডেৰশ মানুহে নিৰাপদ আশ্ৰয়লৈ যোৱাৰ সময়ত তাক আশীৰ্বাদ কৰাৰ ভাষা বিচাৰি পোৱা নাছিল।



সন্তোষ সাহাক যেতিয়া মই দেখিছিলো, তেতিয়াও তেওঁৰ আঘাতৰ চিন শুকাই যোৱা নাছিল। তেওঁ ক'লে এইটো মোৰ দ্বিতীয় জীৱন। ১৪ জানুৱাৰীত ঘৰলৈ যাম বুলি ফাতুল্লাৰ পৰা লঞ্চত উঠিছো। লঞ্চ কিছুদূৰ যোৱাৰ পাছতে কিছুমান মানুহে কৈ উঠিল— 'যিবোৰ কাফেৰ সেইবোৰ এফালে যা।' মই আৰু মোৰ আত্মীয় শম্ভু সাহা আপাৰ ডেকত বহি আছিলো। সেই কথা শুনি শম্ভুৱে ভয়তে জঁপিয়াই উঠে— লগে লগে এটা মানুহে দাৰে তাৰ পেটত আঘাত কৰে। তৎক্ষণাত তাৰ মৃত্যু হয়। মই জঁাপ মৰাৰ আগতেই এজনে মোৰ ডিঙিত আঘাত কৰে— তথাপি মই পানীত জঁপিয়াই পৰিলো। ৰাতিৰ অন্ধকাৰত পানীত ভাহিছো আৰু ডুবিছো। অসহ্য যন্ত্ৰণা-অৱসন্ন। আৰু কিমান দেৰি পাৰিম নাজানো। সেই সময়তে এখন নাও যোৱা দেখি মোৰ সমস্ত শক্তিৰে চিঞৰি উঠিলো— 'বচোৱা।' নাৱৰীয়াই কৈ উঠিল— 'ই দেখোন হিন্দু, ব'ঠামাৰিৰে শেষ কৰি দিম নেকি?' তাৰ কথা শুনি আন এজনে কৈ উঠিল— 'আল্লাই তাৰ জীৱন নিবিচাৰে, তাক তোল।' সেই মৌলবী চাহাবে তেওঁৰ ঘৰলৈ নি ডাক্তৰ মাতি সাতদিন মোৰ চিকিৎসাৰ ব্যৱস্থা কৰিছে। তাৰ পাছত সুস্থ হোৱাত ঘৰলৈ পঠিয়াই দিছে। তেওঁৰ যত্ন, তেওঁৰ উপকাৰ মই কেতিয়াও পাহৰিব নোৱাৰো।

**মূল বাংলা ঃ শকুন্তল সেন**

**অসমীয়া অনুবাদ ঃ ড° সুনীল পবন বৰুৱা**

এটা হত্যাকাৰীৰ কথা কৈছো। অদ্ভুত মানুহৰ মন। তাৰ নাম আনোৱাৰ হুছেইন খান। নবাবপুৰ ৰোডত এটা ঘৰত জুইত লগাই দিয়া হৈছে। এজন হিন্দু ভদ্ৰলোক পলাই যাব খোজোতে লগে লগে আনোৱাৰে ছুৰীৰে আঘাত কৰিবলৈ লওঁতেই কেইজনমানে কৈ উঠিল— 'চা চা এজনী ছোৱালী জঁপিয়াই পৰিছে।'



ছোৱালীজনীয়ে বুজিব পাৰিছিল যে জুই পুৰিলেও মৰিব— গুণ্ডাৰ হাততো লাঞ্ছিত হ'ব লাগিব— তাতকৈ আত্মহত্যা কৰাই ভাল। ছোৱালীজনীৰ বয়স ১৪-১৫ বছৰ হ'ব। ছোৱালীজনীয়ে জঁাপ মাৰিছে, আনোৱাৰে ছুৰীখন পেলাই দি দুয়োখন হাত মেলি তাইক ধৰি পেলালে। ছোৱালীজনীয়ে আঘাত পালে— নমৰিল; কিন্তু আনোৱাৰৰ দুয়োখন হাতেই অকামিলা হৈ পৰিল। ছোৱালীজনীৰ আঘাত বেছি নাছিল বাচি গ'ল। আনোৱাৰক পুলিচ কৰ্তৃপক্ষই পুৰস্কৃত কৰিলে। অৱশ্যে এনে ধৰণৰ ঘটনা বিৰল।

**পাকিস্তানত হিন্দুসকলৰ অৱস্থা**

কম্পাচৰ সম্পাদকৰ অনুৰোধ মতেই মই কলম সংযত কৰিছো। হিন্দুসকলৰ অবৰ্ণনীয় বন্দী দশাটো সহজেই অনুমেয়। কোনো আৱেগ মিহলোৱাৰ প্ৰয়োজন নাই, যি আতংক, অপমান আৰু নিৰ্যাতনৰ মাজত তেওঁলোক থাকিব লগা হয় তাৰ সামগ্ৰিক কুফল তেওঁলোকৰ বাবে অতি শোচনীয়। তেওঁলোকৰ মনোবল নাই বোলাই ভাল। হয়তো তেওঁলোক এনেকৈয়ে থাকিলে কেৱল বাচি থকাৰ প্ৰয়োজনত মুছলমান হৈ যাব পাৰে। অথচ ইয়াৰ বাবে তেওঁলোক কোনো কাৰণতে অপৰাধী নহয়। তেওঁলোকে কাৰ পাপৰ প্ৰায়শ্চিত্ত কৰিব লগা হৈছে? বিষয়টোৰ উৎস ধৰ্মান্ধতা নহয়, হিন্দুবোৰে তাত নিজৰ ধৰ্ম লৈ বেছি বেছি কৰাটো দূৰৰে কথা, খোলাখুলিভাৱে ধৰ্ম পালন কৰিবলৈও ভয় কৰে। উঠি অহা মুছলমান যুৱক সমাজতো ধৰ্মীয় উন্মাদনা নাই। তেওঁলোকৰ শিক্ষা-দীক্ষাই বৰ্তমান তেওঁলোকক ধৰ্ম সম্পৰ্কেও উদাসীন কৰি তুলিছে। হিন্দুসকলক তাত মুছলমান কৰি নিলেও পাকিস্তানী শাসক গোষ্ঠীৰ তেনে সুবিধা নহ'ব, সিমানখিনি হিন্দু থাকিলে হ'ব— নহ'লে ইমানদিনে সকলোকে হয়তো মুছলমান কৰি ল'ব পাৰিলেহেঁতেন। ভাৰত চৰকাৰ আৰু পাকিস্তান চৰকাৰ উভয়েই সংখ্যালঘুসকলৰ দায়িত্ব গ্ৰহণ কৰিছে— কাকতৰ চুক্তিত। সেই চুক্তি মতে কাম নহয়। চুক্তি ভংগ হ'লে কি কৰা হ'ব বা কি কৰিব পাৰি তাৰ কোনো পথ চৰকাৰে নাজানে। ১৯৫০ত যেতিয়া পূব পাকিস্তানত অনুৰূপ ঘটনা ঘটে, শুনা যায় পেটেলে হেনো পুলিচ একচন গ্ৰহণ কৰিবৰ বাবে সাজু হৈছিল। তাৰ পাছত আৰু একো কৰা হোৱা নাই। আজি তেনে জাতীয় পুলিচ একচন যুদ্ধৰ বাদে আন একো নহয়। অথচ যুদ্ধ কৰা সম্ভৱ নহয়— সম্ভৱ নহয় বাবেই যেন আন একো কৰিবলৈ নাই। কৰিবলগীয়া বহুত আছে, অথচ কৰাৰ ক্ষমতা যেন একোৱেই নাই, তেনে অৱস্থাত খবৰ যিমানেই গাপ দি ৰখা যায়, সিমানেই ভাল। ঘটনাটো বিশেষ একো নহয়, দুদিনতে সকলো ঠিক হৈ যাব, অন্তত কিছু বছৰৰ বাবে এনে ধৰণৰ এটা আত্মপ্ৰতাৰণা চলি থাকে। বাংলাৰ বাহিৰৰ কাকত-আলোচনীবোৰেও এনে এক ধৰণৰ এক উদাৰতাৰ ভাব দেখুৱায় যে আজি পূব প্ৰান্তত যি ঘটিছে, সেইটো খুব বেছি বাঙালীসকলৰ এটা স্থানীয় বিষয় অথবা বাঙালীৰ ধৰ্মান্ধতা। অথচ বাঙালীৰ ধৰ্মান্ধতা বোধহয় সকলোতকৈ কম। বিষয়টো ৰাজনৈতিক আৰু পাক-ভাৰত মহাদেশৰ এক বৃহৎ ৰাজনৈতিক বিষয়। যি ৰাজনীতিৰ ফলত এদিন ভাৰত বিভক্ত হৈ পৰিছিল, সেই ৰাজনীতি এতিয়া ঠিক সেই স্থানত নাই, আৰু ১৯৪৭লৈও আমি উভতি যাব নোৱাৰো, ইংৰাজসকলকো মাতি আনিব নোৱাৰো আৰু আমাৰ চাৰিওফালে যিবোৰ শক্তি আছে, সেইবোৰকো অস্বীকাৰ কৰিব নোৱাৰো। এইটো এটা নতুন পৰিস্থিতি, যাৰ কিছুমান অতীতৰ শিপাও আছে। পাক-ভাৰত ৰাজনীতিৰ পটভূমি বৃহত্তৰ এক পটভূমিৰ অংগ হৈ পৰিছে।

**মুক্তিৰ পথ**

পূব পাকিস্তান আনকি পশ্চিম পাকিস্তানেও চৰকাৰ বিৰোধী শক্তিয়ে মূৰ তুলি উঠিছে। তেওঁলোক যিমান সোনকালে থিয় দিব পাৰে, যিমান সোনকালে থিয় দিবৰ বাবে আন্তৰ্জাতিক সাহায্য পাব, সিমানেই তাৰ হিন্দু আৰু অন্যান্য জনসাধাৰণৰ মুক্তি আগুৱাই আহিব। আন্তৰ্জাতিক পৰিস্থিতিৰ সাহায্য অনেক ধৰণৰ হ'ব পাৰে; কিন্তু অপৰিহাৰ্য সেইটো হৈছে ভাৰতবৰ্ষৰ যেন শত প্ৰৰোচনাতো সাম্প্ৰদায়িক সংঘৰ্ষ নালাগে— এই ব্যৱস্থা পূব পাকিস্তানৰ সকলো প্ৰগতিশীল মুছলমানে এই কথাই মোক বাৰে বাৰে কৈছিল যে পশ্চিমবংগত যাতে মুছলমানসকলৰ ওপৰত আঘাত নালাগে। কিয়নো পশ্চিমবংগৰ কটা-মৰাৰ প্ৰতিশোধৰ দাবী তুলিয়েই পূব বংগত কটা-মৰা আৰম্ভ কৰা হয়। তেওঁলোকে কৈছিল যে যদি কিছুদিনো আপোনালোকে তাত শান্তি বজাই ৰাখিব পাৰে, তেনেহ'লে তেওঁলোকে শাসক শ্ৰেণীক উচ্ছেদ কৰিবলৈ সমৰ্থ হ'ব। তেওঁলোকৰ শাসক শ্ৰেণীৰ ওপৰত কোনো শ্ৰদ্ধা-ভক্তি নাই যদিও কাশ্মীৰ সম্বন্ধে তেওঁলোকৰ ধাৰণা বেলেগ। এই আশ্বাস আৰু গতিধাৰাৰ ওপৰত আমি বিশ্বাস কৰিব পাৰো; কিন্তু তাতেই কৰ্তব্য শেষ নহয়। ভাৰত চৰকাৰৰ নিৰ্বীৰ্থতা সমৰ্থন কৰিব নোৱাৰি। ভাৰতবৰ্ষত সাম্প্ৰদায়িক সংঘৰ্ষৰ প্ৰৰোচনা আহিয়েই থাকিব, যেতিয়ালৈকে ভাৰত চৰকাৰে কিবা এটা কৰাৰ ক্ষমতা দেখুৱাব নোৱাৰে। যদি মানুহে দেখে যে আমাৰ ৰাষ্ট্ৰই একোৱেই নকৰে, কৰিব নোৱাৰে, আনকি শৰণাৰ্থীসকলকো আনিব নোৱাৰে, কোনো ধৰণৰ অপমান-নিৰ্যাতন বন্ধ কৰাৰ বাবে হুংকাৰ পৰ্যন্ত দিব নোৱাৰে অথচ উল্লিখিত বিষয়টোৰ গুৰুত্ব লঘু কৰিবলৈ চেষ্টা কৰে তেতিয়া দুষ্কৃতিকাৰীসকলৰ বল বৃদ্ধি পায়। পৃথিৱীত ইয়াতকৈ বহুতো সৰু-সুৰা কাৰণত বৃহৎ বৃহৎ যুদ্ধ হৈছে। হেজাৰ হেজাৰ, লক্ষ লক্ষ মানুহৰ ওপৰত চলা নিৰ্যাতনৰ কুৎসিত ভয়াৱহ ঘটনাৰ সন্মুখত ৰাষ্ট্ৰৰ কোনো দায়িত্ব নাই আৰু নাগৰিকসকলৰো তথাকথিত উদাৰতা প্ৰদৰ্শনৰ বাদে কৰ্তব্য নাই— এনে ধৰণৰ হিতোপদেশ ইংৰাজ, আমেৰিকা, ৰুছ, চীন, মিছৰ কাৰোবাক দিব পাৰিনে আৰু সেই উপদেশ শুনিবনে? আমি যিটো সহ্য কৰো সেইটো কি উদাৰতাৰ বাবে, আমি তেওঁলোকতকৈ উদাৰ নে অকৰ্মণ্য?

পূব পাকিস্তানৰ পৰা যিসকল হিন্দু আহিব খোজে, তেওঁলোকক আহিবলৈ দিব লাগে, আহিবৰ বাবে হেঁচা দিব লাগিব তেওঁলোকক ইয়াত ভালদৰে বহুৱাব লাগিব। এইটো নকৰিলে তেওঁলোক হিন্দু হৈ থাকিব নোৱাৰিব, কেৱল সেইটোৱেই নহয়, মানুহ হৈও থাকিব নোৱাৰিব, তেওঁলোকৰ কোনো মানৱসুলভ গুণ-গৰিমাও নাথাকিব আৰু পাকিস্তানত যদি এই জাতীয় চৰকাৰেই থাকে তেনেহ'লে তেওঁলোকৰ কিমানজনে আৰু কিমানদিন বাচি থাকিব সেইটোও সন্দেহজনক; কিন্তু ভাৰতলৈ আহি শৰণাৰ্থীসকলৰ যি দুৰৱস্থাৰ কথা তেওঁলোকে গম পাইছে, সেই ক্ষেত্ৰত ভাৰতলৈ আহিবলৈও সকলো ব্যস্ত হৈ পৰা নাই। আমি যাক যাক প্ৰশ্ন কৰিছিলো, তেওঁলোকৰ মাজত শতকৰ ৫০ জনে এতিয়াই গুচি আহিব খোজে, বাকীসকলে পাকিস্তানতে কিবা এটা বৃহৎ পৰিৱৰ্তন হওক তেনে ধৰণৰ এটা সমাধান বিচাৰে।

*ফোন ঃ ৯৪০১৩৬৯৪৬৯/ ৮৩৯৯৯৬৭৩৩০*

*লেখাটো প্ৰতি বৃহস্পতিবাৰে প্ৰকাশ পাব*

# বিভীষিকাময় এই পৰিৱেশত নতুন চৰকাৰ

## ৰাইজে অলপ অনুভৱ কৰক



**অৱলোকন**

**ৰাজলক্ষ্মী শৰ্মা গোস্বামী**

**ৰাইজেই** ৰজা। গণতান্ত্ৰিক দেশ এখনত ৰাইজৰ ওপৰতেই দেশ এখনৰ শান্তি, শক্তি আৰু নিৰাপত্তা বহু পৰিমাণে নিৰ্ভৰ কৰে। ভাৰতবৰ্ষৰ দৰে অতি প্ৰাচীন সভ্যতাৰ গণতান্ত্ৰিক দেশ এখনত ৰাইজৰ ভূমিকা কেনে হ'ব লাগিছিল, তাক বিশ্লেষণৰ প্ৰয়োজন নাছিল; কিন্তু ৰাইজৰ ভূমিকাই বাৰে বাৰে ভাবিবলৈ বাধ্য কৰে। শাসনৰ বাঘজৰী লোৱাসকলৰ ওপৰত আমি সততে চোকা দৃষ্টি দি থাকো, কি কি দোষ আছে তাৰ ওপৰত শেন চকু, কিন্তু ৰাইজে কেতিয়াবা নিজক সমালোচনা কৰি চাইছোনে? মানৱীয়তাৰ দৃষ্টিৰে যদি চাওঁ ২০২০/২০২১ এই সময়খিনি ভয়ানক এক সময়, তাৰ মাজতে আহিল নিৰ্বাচন। কোন জিকিল, কোন হাৰিল সেই কথা বাদ দিও কিছু কথা চিন্তা কৰিব পাৰি। সংসদীয় পৰিক্ৰমা বা শাসকীয় নীতি-নিয়ম মানি চৰকাৰ গঠন হ'ব। অসমত এই এটা আলোচনাৰ প্ৰভাৱতকৈ বৰ্তমান কৰ'না ব্যাধিৰ বাবে হোৱা ৰাইজৰ দুৰ্গতিৰ সহায়ক হোৱা আলোচনাহে হ'ব লাগিছিল। এই আলোচনাও হ'ব লাগিছিল ইতিবাচক দৃষ্টিভংগীৰ। ৰাজ্যখনত এতিয়াও শ শ কৰ'না ৰোগী হাস্পতালত আছে। তাৰে কিছু লোকে চিকিৎসাত সুস্থ হৈ উঠিছে। কিছু লোকৰ মৃত্যু হৈছে। যিসকল সুস্থ হৈ ঘৰলৈ গৈছে— তেওঁলোকৰ মন্তব্যবোৰো ৰাইজৰ বাবে সংবাদ মাধ্যমে গোটাই আনি দিব পাৰে, বিশেষকৈ বৈদ্যুতিন মাধ্যবোৰে। সেই সংবাদদাতাসকলে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত বহি কোনোবাই কিবা নোপোৱাৰ ক্ষোভ উজাৰি কৰা 'ফোন কল' বা বাতৰিক লৈয়ে দিনৰ দিনটো একেবোৰ কথাকে গাই-বাই থাকে। বাতৰি পৰিৱেশন যে দোষ খোচৰা মুখৰোচক কাহিনী নহয় বুজিব লাগে। এখন দেশক সৰ্বদিশ সামৰি প্ৰতিনিধিত্ব কৰি দিয়া খবৰবোৰেই হৈছে দেশৰ বাতৰি। অনবৰতে নেতিবাচক খবৰ যুগুতাই সমাজখন ৰুগীয়া কৰাৰ অপৰাধত এই ব্যক্তিগত বৈদ্যুতিন মাধ্যমৰ চেনেলবোৰ অপৰাধী।

এতিয়া সমাজখন সঁচাকৈয়ে ৰোগাক্ৰান্ত হৈছে। তেনেস্থলত আৰু অধিক ৰুগীয়া কৰাৰ কি প্ৰয়োজন আছে। আজি মানুহৰ মৃতদেহ শ্মশানত শাৰী পাতিছে— অতি কৰুণ আৰু বীভৎস বাতৰি। আমি গম পাইছো, কিন্তু তেনে ছবিবোৰো বহুতে দেখুৱাই থাকে। আমেৰিকা টুইন টাৱাৰ ভাঙিলে আমি মাত্ৰ সেই খবৰহে পাইছিলো, এটোপালো কিন্তু তেজৰ ছবি কোনো মিডিয়াই দেখুওৱা নাছিল। হেজাৰৰ ঘৰত মানুহৰ প্ৰাণ গ'ল। পৃথিৱীৰ কোনেও সেই ছবি দেখা নাপালে। পুৱাই ঘৰে ঘৰে বাতৰি কাকত পঢ়োতাই সেই ছবি নাপালে। অনবৰতে পাশ্চাত্যৰ বিলাতী ঢং দি থকা ইংৰাজী নহ'লে কথাই নুফুটা আধুনিক বুলি জহাই ফুৰাসকলে পাশ্চাত্যৰ পৰা এইবোৰ কথা নিশিকে। আমাৰ দুৰ্বলতা আনক জনোৱাৰ প্ৰতিযোগিতা চলে।

কলিকতাৰ গুণ্ডাৰাজ আৰু অসভ্যালিৰ বাতৰি এতিয়া পৃথিৱীয়ে চাইছে। পুতৌৰ দৃষ্টি দিছে। ভাবিছে কৰ'নাৰ দৰে ভয়ানক ব্যাধিতকৈও দেখোন ভয়ানক ব্যাধি ভাৰতত সোমাই আছে। তাৰ পাছত যেতিয়া অসভ্য বুলি কোনোবাই ইতিহাসত লিপিবদ্ধ কৰি থৈ যায়, তাৰ পাছত ৰবীন্দ্ৰনাথৰ সাহিত্যইও সেই ইতিহাস মচিব নোৱাৰে।

স্বামী বিবেকানন্দই কৈছিল— 'প্ৰতিটো মহৎ কাৰ্যই তিনিটা অৱস্থাৰ মাজেদি গতি কৰে— উপহাস, বিৰোধ আৰু স্বীকৃতি। প্ৰচলিত সময়ক অতিক্ৰম কৰি ভৱিষ্যতৰ চিন্তা কৰা লোকসকলক মানুহে ভুল বুজে। গতিকে বিৰোধ আৰু অত্যাচাৰ আমি হাঁহি মুখে স্বীকাৰ কৰো, কিন্তু নিজে দৃঢ় আৰু পৱিত্ৰ হ'ব লাগিব আৰু ঈশ্বৰত অপৰিমিত বিশ্বাস ৰাখিব লাগিব। তেতিয়া এইবোৰ নাইকিয়া হৈ পৰিব।'

কিন্তু মানুহে আজি উপহাস, বিৰোধ এইবোৰ একেবাৰে ধ্বংসকাৰীৰ ৰূপত ব্যৱহাৰ কৰে। স্বামী বিবেকানন্দই কোৱা মতে প্ৰতিটো মহৎ কাৰ্য তিনিটা অৱস্থাৰ মাজেৰে যায়, কিয়নো মহৎ কাৰ্যত এচামে বাধা দিয়াৰ প্ৰৱণতা সদায় আছে, সেইচামে উপহাস কৰিবই। বিৰোধো থাকিব। আৰু স্বীকৃতিও থাকিব; কিন্তু ভাৰতবৰ্ষৰ এচাম মানুহে কেৱল বিৰোধ কৰিবলৈহে শিকিলে, স্বীকৃতি দিবলৈ নিশিকিলে। আনকি তেওঁলোকে ভাৰতবৰ্ষখনত ভাল পাবলৈও নিশিকিলে। ভাৰতৰ বায়ু, পানী খাই ভাৰত মাতাৰ বুকুত থাকি ভাৰতৰে বিশ্বাসঘাতকতা কৰাৰ প্ৰৱণতা লৈ থকা লোকসকলে ভগৱানৰ আদালতত শাস্তি পাব; কিন্তু তাৰ আগতে দেশখনৰ যি অনিষ্ট কৰিছে সেই ক্ষতি কেনেকৈ পূৰণ হ'ব সেয়াহে চিন্তাৰ বিষয়।

'সৰ্পদুৰ্জনয়োৰ্মধ্যে বৰং সৰ্পো ন দুৰ্জনঃ।'

সৰ্পঃ দংশতি কালেন দুৰ্জনস্তু পদে পদে।'

অৰ্থাৎ সাপ আৰু দুৰ্জনৰ মাজত সাপকেই ভৰসা কৰা ভাল, কিয়নো সাপে খাই লেখি; কিন্তু দুৰ্জনে লগতে থাকি পদে পদে দংশন কৰিয়েই থাকে।

অসমত এতিয়া তেনে চেষ্টা কৰা লোক বেছি। ঠিক একেদৰে ভাৰত মাতৃৰ বুকুত থাকি ভাৰত মাতৃক প্ৰৱঞ্চনা কৰিবলৈ সুযোগ বিচৰা লোকেই বেছি হৈ গৈছে। প্ৰকৃতিৰ সৃষ্টিৰ অতি নিকৃষ্ট আৰু ভয়ানক এই শ্ৰেণীৰ নৰমনিচ। মানুহ হেনো জীৱ শ্ৰেষ্ঠ; কিন্তু নৰপিশাচো যে থাকে মানুহৰ ৰূপত চিনি পোৱা গৈছে। মানুহৰ শৰীৰ ল'লেই সকলো মানুহ নহয়। আমাৰ দীক্ষা গুৰুৱে সদায় এটা কথা কয়— 'বৰ ভাগ্যৰ বলত মনুষ্যৰ শৰীৰ পাইছো, কান্দি-কাটি পাৰ নকৰিবা, হাই-কাজিয়া কৰি শেষ নকৰিবা, সুখী হোৱা আৰু সুখ বিলাই যোৱা, মনুষ্যৰ জীৱন সাৰ্থক হ'ব।'

এইখিনিতে মানুহ আৰু প্ৰকৃতিৰ বিষাক্ত প্ৰাণীৰ স্বৰূপৰ এটা সংস্কৃত শ্লোক উল্লেখ কৰিছো—

'বৃশ্চিমস্য বিষং পৃচ্ছে মক্ষিকায়াঃ মুখে বিষম্।
তক্ষকস্য বিষং দন্তে সৰ্বাংগে দুৰ্জনস্য তৎ।'

অৰ্থাৎ— বিছাৰ বিষ নেগুৰত থাকে, মহৰ বিষ মুখত থাকে আৰু সাপৰ বিষ দাঁতত থাকে; কিন্তু দুৰ্জনৰ সমগ্ৰ শৰীৰেই বিষময় হৈ থাকে।

কিন্তু আমি ঈশ্বৰৰ উৎকৃষ্ট সৃষ্টি, বিবেকৱান মানুহ কিয় দুৰ্জন হ'লো। নিজে বাস কৰা মনোৰম সুন্দৰ পৃথিৱীখন অসুন্দৰ কৰি কি সুখ পাম? কিয় আমি অন্ধকাৰৰ পিছে পিছে বাট বুলিছো। প্ৰকৃতিয়ে আমাক বাৰে বাৰে শিক্ষা দিছে। শুধৰাবলৈ চেষ্টা কৰিছে, নাই আমি শিক্ষা ল'বলৈ শিকা নাই। কৰ'না মহামাৰী সংহাৰী ৰূপত আহিছে। এই সংহাৰ দেখিও মানুহৰ শিক্ষা নাই। তাৰ ওপৰতো মানুহে নিজে সংহাৰী ৰূপ প্ৰদৰ্শন কৰিবলৈ গৈছে। ধিক্কাৰ এনে মানুহক।মানুহবোৰে অলপ অনুভৱ কৰক। ভাৰত পৃথিৱীতে প্ৰাচীন সভ্য দেশ। ভাৰতৰ পৰা অন্য দেশে শিক্ষা লয়; কিন্তু নীচ প্ৰকৃতিৰ কিছু লোকে ভাৰতৰ ছবিখন মলিয়ন কৰিছে।



এখন চৰকাৰে ৰাইজৰ জীৱনৰ আৰু নিৰাপত্তাৰ প্ৰতি চকু ৰাখে। এই মহামাৰীৰ সময়ত আমাক ৰক্ষা কৰিবলৈ হ'লে চৰকাৰৰ লগত ৰাইজৰ সহযোগিতা অতি প্ৰয়োজন আছে।

*ফোন ঃ ৯৯৫৭৫৬৬৮০৬*

## কৰ'নাত আক্ৰান্ত হ'লে হ্ৰাস পাব পাৰে শ্ৰৱণ শক্তি



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** প্ৰধান নানা উপসৰ্গৰ লগতে নিয়মিতভাৱে কৰ'নাৰ নতুন নতুন উপসৰ্গ বিজ্ঞানীসকলে চিনাক্ত কৰি আহিছে। শেহতীয়াভাৱে স্বাস্থ্য বিজ্ঞানীয়ে দাবী কৰা মতে, কাণৰ কোনো সমস্যা বা শ্ৰৱণ শক্তি হ্ৰাস হোৱাও কৰ'নাৰ সংক্ৰমণৰ এক উপসৰ্গ। কেৱল উপসৰ্গই নহয়, কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত সুস্থ হ'লেও কাণৰ বিভিন্ন সমস্যাই দেখা দিব পাৰে। কৰ'না ভাইৰাছে মানৱ শৰীৰত বহু ক্ষতি কৰে আৰু ইয়াৰ ভিতৰত স্নায়বিক ক্ষতি অন্যতম। কৰ'না ৰোগীৰ মাজত দেখা দিয়া অন্যতম এটা সমস্যা হৈছে টিনিটাছ। এই সমস্যাত আক্ৰান্ত হ'লে কাণত 'ভোঁ' 'ভোঁ' কৰা শব্দ শুনা যায়। বিশেষকৈ কৰ'নাত সুস্থ হোৱাৰ পাছত ৰোগীৰ মাজত এই সমস্যাই দেখা দিব পাৰে। স্বাস্থ্য বিশেষজ্ঞৰ মতে, কৰ'নাত আক্ৰান্ত হোৱাৰ পাছত এজন ব্যক্তিৰ শ্ৰৱণ শক্তি হ্ৰাস বা বিলোপ হোৱাৰো যথেষ্ট শংকা আছে। সেয়েহে কৰ'নাত সুস্থ হোৱা ব্যক্তিয়ে শ্ৰৱণজনিত কোনো সমস্যাত আক্ৰান্ত হোৱাৰ লগে লগে চিকিৎসকৰ পৰামৰ্শ লোৱা জৰুৰী।

## এপ্ত টিকাৰ বাবে নাম পঞ্জীয়নৰ সহজ উপায় দিলে অভিনেত্ৰী কংকনাই



**নিউজ ব্যুৰ', মুম্বাই, ১২ মে' ঃ** বলিউডৰ অভিনেত্ৰী কংকনা সেন শৰ্মাই ক'ভিডৰ প্ৰতিষেধকৰ প্ৰথম পালি গ্ৰহণ কৰিলে। বহু লোকে সম্প্ৰতি অনলাইনত প্ৰতিষেধকৰ বাবে নিজৰ নাম পঞ্জীয়ন কৰিবলৈ গৈ অসুবিধাৰ সন্মুখীন হৈছে। এনে পৰিস্থিতিত অনলাইনত ক'ভিড প্ৰতিষেধকৰ বাবে নিজৰ নাম পঞ্জীয়নৰ সহজ উপায় আগবঢ়ালে অভিনেত্ৰীগৰাকীয়ে। কংকনাই প্ৰথমে এটা ৱেবছাইটৰ লিংক শ্বেয়াৰ কৰিছে। ৱেবছাইটটোৰ নাম হৈছে ক'ভিএলাৰ্টছ ডট ইন। টেলিগ্ৰাম এপৰ জৰিয়তে নাম পঞ্জীয়ন কৰিলে খুব সোনকালে নিজৰ অঞ্চলত ক'ত প্ৰতিষেধক উপলব্ধ হ'ব সেই তথ্য লাভ কৰিব পাৰিব। তদুপৰি ক'উইন ছাইট ডিজিট কৰিলে গুগল ক্ৰ'মৰ ইনকগনিট' ম'ড ব্যৱহাৰৰ পৰামৰ্শ অভিনেত্ৰীগৰাকীয়ে দিছে। কম্পিউটাৰ বা লেপটপত গুগল ক্ৰ'মত ক্লিক কৰাৰ পাছত একেলগে কন্ট্ৰ'ল, ছিফ্‌ট আৰু 'এন' টিপিলে ইনকগনিট' ম'ড মুকলি হ'ব। গুগল ক্ৰ'মত অৱশ্যে প্ৰত্যক্ষভাৱেও ইনকগনিট' ম'ড খোলাৰ ব্যৱস্থা আছে। এইদৰে যিকোনো ব্যক্তিয়ে সহজে প্ৰতিষেধকৰ বাবে নিজৰ নাম অনলাইনত পঞ্জীয়ন কৰাব পাৰিব।

## কৰ'নাৰ তৃতীয় ঢৌ প্ৰতিৰোধৰ বাবে যজ্ঞ আহুতিৰ পৰামৰ্শ বিজেপি মন্ত্ৰীৰ



**নিউজ ব্যুৰ', ভূপাল, ১২ মে' ঃ** কৰ'নাৰ সম্ভাব্য তৃতীয় ঢৌ প্ৰতিৰোধৰ এক আজব উপায় আগবঢ়ালে মধ্য প্ৰদেশৰ বিজেপিৰ মন্ত্ৰীয়ে। যি সময়ত বিজ্ঞানীসকলে সকীয়নি দি কৈছে যে ক'ভিডৰ তৃতীয় ঢৌ সবাতোকৈ বিপজ্জনক হ'ব আৰু ইয়াৰ বাবে সকলোৱে সাজু থাকিব লাগিব, সেই সময়ত বিজেপিৰ মন্ত্ৰী উষা ঠাকুৰে কৰ'নাৰ তৃতীয় ঢৌৰ প্ৰতিৰোধৰ বাবে ৰাজ্যবাসীক যজ্ঞ আহুতি কৰাৰ পৰামৰ্শ দিলে। সংবাদ মাধ্যমৰ আগত আজি ইন্দোৰত মন্ত্ৰীগৰাকীয়ে কয়, 'পৰিৱেশ শুদ্ধি কৰিবলৈ যজ্ঞত দুবাৰ আহুতি দিয়ক। এয়া কোনো কৰ্মকাণ্ড বা কুসংস্কাৰ নহয়। প্ৰাচীন কালৰ পৰা মহামাৰী ৰোধৰ এই প্ৰথা প্ৰচলিত হৈ আহিছে। এয়া এক চিকিৎসা, এইদৰে পৰিৱেশ শুদ্ধ হ'ব। তৃতীয় ঢৌৱে দেশক স্পৰ্শ কৰিব নোৱাৰিব। আহক আমি নিজে যজ্ঞত দুবাৰ আহুতি দিওঁ।'



## চাহিদাৰ সুযোগ লৈ বজাৰত উভৈনদী নকল ছেনিটাইজাৰ, জব্দ ৩৮০ লিটাৰ

**নিউজ ব্যুৰ'**
**কলকাতা, ১২ মে' ঃ** দেশজুৰি ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পোৱাৰ লগে লগে পুনৰ হেণ্ড ছেনিটাইজাৰৰ চাহিদা যথেষ্ট বৃদ্ধি পাইছে। চাহিদা বৃদ্ধিৰ সুযোগ লৈ একাংশ ক'লা ব্যৱসায়ীয়ে বজাৰত নকল ছেনিটাইজাৰ বিক্ৰী কৰিছে। এনে এক ঘটনা ধৰা পৰিল কলকাতাত। মহানগৰখনৰ বিভিন্ন বজাৰত মুকলিকৈ বিক্ৰী হৈছে ভেজাল ছেনিটাইজাৰ। কলকাতাৰ কেনিং ষ্ট্ৰিট, এজৰা ষ্ট্ৰিটৰ বিভিন্ন দোকান আৰু গুদামত তালাচী অভিযান চলাই কলকাতা আৰক্ষীয়ে জব্দ কৰিলে বৃহৎ পৰিমাণৰ নকল ছেনিটাইজাৰ। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, ৩৮০ লিটাৰৰ নকল ছেনিটাইজাৰ ইতিমধ্যে বাজেয়াপ্ত কৰা হৈছে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে এজন লোকক গ্ৰেপ্তাৰ কৰে। ছেনিটাইজাৰৰ নামত অসৎ ব্যৱসায়ী চক্ৰটোৱে বিষাক্ত মিথাইল এলক'লহল আৰু আন কিছু সামগ্ৰীৰ মিশ্ৰণ ঘটাই নকল ছেনিটাইজাৰ বজাৰত বিক্ৰী কৰিছিল।

### ৰকেট আক্ৰমণত প্ৰাণ হেৰুৱালে কৰ্মসূত্ৰে ইজৰাইলত বসবাস কৰা কেৰালাৰ যুৱতীয়ে

## ইজৰাইলী সেনাৰ বোমা বৰ্ষণত গাজাত নিহত কমেও ৩৫

**নিউজ ব্যুৰ'**
**গাজা, ১২ মে' ঃ** ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত বোমাবৰ্ষণ অব্যাহত আছে। পেলেষ্টাইনৰ গাজাত থকা হামাছ বিদ্ৰোহীয়ে শতাধিক ৰকেটেৰে ইজৰাইলত আক্ৰমণ কৰে। এই আক্ৰমণৰ প্ৰত্যুত্তৰ দিলে ইজৰাইলে। ইজৰাইলী সেনাৰ বোমা বৰ্ষণৰ ফলত গাজাত কমেও ৩৫ জন লোকৰ মৃত্যু হ'ল। পেলেষ্টাইনৰ এজন প্ৰতিৰক্ষা বিষয়াই প্ৰকাশ কৰা তথ্য অনুসৰি নিহতসকলৰ মাজত ১২টা শিশু আছে। তদুপৰি ইজৰাইলৰ প্ৰত্যাক্ৰমণৰ কমেও ২২০ জন লোক গুৰুতৰভাৱে আহত হয়।

ইফালে, ইজৰাইলী সেনাৰ দাবী অনুসৰি তেওঁলোকে চলোৱা বোমা আক্ৰমণৰ ঘটনাত ১৫ জন হামাছ বিদ্ৰোহীৰ মৃত্যু হয়। বুধবাৰে পুৱতি নিশা ইজৰাইলৰ তেল আভিভৰ দিশত পেলেষ্টাইনী বিদ্ৰোহীয়ে ৰকেট নিক্ষেপ কৰিছিল। অৱশ্যে আধুনিক ক্ষেপণাস্ত্ৰ প্ৰতিৰোধী প্ৰযুক্তিৰ সহায়ত ইজৰাইলে কে'বাটাও ৰকেট ধ্বংস কৰিবলৈ সক্ষম হৈছিল। তেল আভিভত কোনো লোকৰ মৃত্যুৰ বাতৰি এতিয়ালৈকে পোৱা হোৱা নাই। আছকেলন চহৰত দুজন লোকৰ ৰকেট আক্ৰমণত মৃত্যু হয় আৰু ইয়াৰে এগৰাকী ভাৰতীয় নাগৰিক। কেৰালাৰ ইডুক্কি জিলাৰ স্থায়ী বাসিন্দা ৩০ বছৰীয়া বয়সৰ সৌম্যা সন্তোষে আছকেলন চহৰত ঘৰত বহি স্বামীৰ স'তে ভিডিঅ' কলত ব্যস্ত থকাৰ সময়তে পেলেষ্টাইনী বিদ্ৰোহীৰ ৰকেটৰ আক্ৰমণত প্ৰাণ হেৰুৱালে। বিগত সাত বছৰ ধৰি সৌম্যাই কৰ্মসূত্ৰে ইজৰাইলত বসবাস কৰিছিল। পেলেষ্টাইন-ইজৰাইলৰ শেহতীয়া সংঘৰ্ষৰ ফলত সৰ্বাধিক ক্ষতিগ্ৰস্ত হৈছে গাজা চহৰ। আন্তৰ্জাতিক সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, গাজাৰ সমীপৰ উপকূল চহৰত কমেও ৫০টা বিস্ফোৰণ সংঘটিত হৈছে আৰু গাজা চহৰত এটা ১৩ মহলীয়া অট্টালিকা বিস্ফোৰণত ধূলিসাৎ হ'ল।



## কৰ'না আক্ৰান্তৰ স'তে বাৰ্তালাপ কৰিলে ৰোগীৰ মনোবল বৃদ্ধিৰ বাবে মানি চলক এইবোৰ নিয়ম



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** কৰ'নাত আক্ৰান্ত ব্যক্তিয়ে যথেষ্ট মানসিক হেঁচাৰ সন্মুখীন হয়। ৰোগীয়ে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ভয়, শংকা, আতংকত ভোগাটো তেনেই স্বাভাৱিক। এজন ৰোগীৰ সুস্থতাৰ ক্ষেত্ৰত মানসিক দিশটোৱে যথেষ্ট ক্ৰিয়া কৰে। কোনো ব্যক্তি ক'ভিড-১৯ত সংক্ৰমিত হ'লে সেয়েহে উক্ত ব্যক্তিৰ স'তে ফোনযোগে বাৰ্তালাপ কৰাৰ সময়ত আত্মীয়, বন্ধু, শুভাকাংক্ষীয়ে লক্ষ্য ৰখা উচিত যাতে তেনেদৰে কৰা বাৰ্তালাপৰ ফলত ৰোগীৰ মানসিক হেঁচা বৃদ্ধি নাপায়, ৰোগী শংকিত নহয়। চিকিৎসকসকলে এই ক্ষেত্ৰত পৰামৰ্শ দি কয় যে ৰোগত কেনেকৈ সংক্ৰমিত হ'ল, কি দৰৰ খালে ভাল আদি প্ৰশ্ন ক'ভিড আক্ৰান্তক কৰা অনুচিত। চিকিৎসালয়ত শয্যাৰ অভাৱ ঘটিছে, অক্সিজেনৰ নাটনি হৈছে, অমুকৰ ক'ভিডত মৃত্যু হ'ল— আদি কথাও আক্ৰান্তক অৱগত কৰোৱা উচিত নহয়। ৰোগীক লৈ পৰিয়ালে চিন্তা কৰাৰ কথাও ৰোগীৰ আগত ব্যক্ত কৰিব নালাগে। ৰোগীয়ে যাতে মানসিক সুস্থিৰতাৰে দিন অতিবাহিত কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰখা জৰুৰী। দুশ্চিন্তা অবিহনে ৰোগীয়ে জিৰণি ল'বলৈ পাৰিলে ৰোগ সোনকালে আঁতৰ হয়। ৰোগীৰ মনোবল বৃদ্ধিৰ বাবে ইতিবাচক কথাহে ৰোগীৰ স'তে আলোচনা কৰা উচিত। তদুপৰি গৃহ আছুতীয়াকৰণত থাকিলেও আক্ৰান্তৰ কাষত যে পৰিয়ালৰ লোক, প্ৰতিবেশী, বন্ধু-বান্ধৱ সদায়ে আছে, সেই কথা ৰোগীক অৱগত কৰক, যাতে ৰোগীয়ে নিজকে অকলশৰীয়া অনুভৱ নকৰে।

## ভাৰতৰ বন্ধু ৰাষ্ট্ৰ ইজৰাইলক সন্ত্ৰাসবাদীৰ দেশ আখ্যা দি বিতৰ্কত অভিনেত্ৰী স্বৰা ভাস্কৰ



**নিউজ ব্যুৰ', মুম্বাই, ১২ মে' ঃ** ভাৰতৰ বন্ধু ৰাষ্ট্ৰ হিচাপে পৰিচিত ইজৰাইলক সন্ত্ৰাসবাদীৰ দেশ বুলি অভিহিত কৰিলে বলিউডৰ অভিনেত্ৰী স্বৰা ভাস্কৰে। সামাজিক মাধ্যমত প্ৰায়ে বিতৰ্কিত মন্তব্য প্ৰকাশ কৰি অহা স্বৰাই এইবাৰ ইজৰাইল-পেলেষ্টাইন সংঘৰ্ষক কেন্দ্ৰ কৰি মন্তব্য প্ৰকাশ কৰোতে বিপাকত পৰিলে। এক টুইটত অভিনেত্ৰীগৰাকীয়ে ভাৰত বান্ধৱ ইজৰাইলক 'সন্ত্ৰাসবাদীৰ দেশ' বুলি কটাক্ষ কৰিছিল। বৰ্তমানে ইজৰাইল আৰু পেলেষ্টাইনৰ মাজত সংঘৰ্ষই পুনৰ উত্তপ্ত ৰূপ গ্ৰহণ কৰিছে। এনে পৰিস্থিতিত টুইট কৰি স্বৰাই কয়, 'ইজৰাইল বৈষম্যবাদী দেশ। ইজৰাইল সন্ত্ৰাসবাদীৰ দেশ। পেলেষ্টাইন আৰু পেলেষ্টাইনীৰ বাবে ন্যায়ৰ দাবী ইছলামিক নহয়। এয়া এক সাম্ৰাজ্যবাদী বিৰোধী, ঔপনিবেশিকতা বিৰোধী, বৈষম্য বিৰোধী যুঁজ। সেয়েহে কেৱল অমুছলমানসকলেই নহয়, আমি সকলোৱে উদ্বিগ্ন হোৱা উচিত।' স্বৰাই এইদৰে ইজৰাইলক সন্ত্ৰাসবাদী দেশ অভিহিত কৰাত সামাজিক মাধ্যমত একাংশ লোকে অভিনেত্ৰীগৰাকীক কঠোৰভাৱে সমালোচনা কৰাৰ লগতে কাশ্মীৰ প্ৰসংগত পাকিস্তানক সমৰ্থন কৰা পেলেষ্টাইনৰ পক্ষত স্বৰাই কিয় থিয় দিলে বুলি প্ৰশ্ন উত্থাপন কৰিছে।

## বিজ্ঞানী জমিলৰ দাবী ঃ ভাৰতত দ্বিতীয়টো ঢৌ মন্থৰ হ'ল, কিন্তু দীঘলীয়া হ'ব সংক্ৰমণ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** ভাৰতত সম্প্ৰতি কৰ'নাৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌ চলি আছে। প্ৰতিদিনে চাৰে তিনি লাখৰো অধিক লোক দেশত ক'ভিডত সংক্ৰমিত হৈছে। একে সময়তে প্ৰায় চাৰি হেজাৰ লোকে দৈনিক কৰ'নাত প্ৰাণ হেৰুৱাই আহিছে। এনে পৰিস্থিতিত দেশৰ ক'ভিড সংক্ৰমণৰ দ্বিতীয় ঢৌৰ সন্দৰ্ভত এক আশাৰ বাতৰি দিলে দেশৰ প্ৰতিষ্ঠিত জীৱাণু বিজ্ঞানী ছাহিদ জমিলে। অশোক বিশ্ববিদ্যালয়ৰ ত্ৰিবেদী স্কুল অৱ বায়'ছায়েন্সৰ সঞ্চালক জমিলে কয় যে ভাৰতত ক'ভিড-১৯ৰ সংক্ৰমণৰ দ্বিতীয়টো ঢৌৰ গতি লাহে লাহে কমিবলৈ ধৰিছে আৰু সম্ভৱত প্ৰথমটো ঢৌৰ তুলনাত দ্বিতীয়টো ঢৌৰ প্ৰভাৱ দীঘলীয়া হ'ব। বিজ্ঞানীজনে লগতে কয় যে অহা জুলাইলৈকে দেশত সংক্ৰমণৰ দ্বিতীয়টো ঢৌ অব্যাহত থাকিব পাৰে। জমিলৰ মতে ভাৰতত ক'ভিডৰ দ্বিতীয়টো ঢৌৱে ইতিমধ্যে শীৰ্ষত আৰোহণ কৰিলে আৰু এতিয়া সংক্ৰমণ লাহে লাহে হ্ৰাস পোৱাৰ সম্ভাৱনা আছে। অৱশ্যে বিজ্ঞানীজনৰ মতে, দেশত ক'ভিডৰ সংক্ৰমণৰ প্ৰথম ঢৌৰ তুলনাত বৰ্তমানে বাহাল থকা দ্বিতীয়টো ঢৌ দীঘলীয়া হ'ব পাৰে। সংক্ৰমিতৰ সংখ্যা ক্ৰমে হ্ৰাস পালেও ভাৰতত প্ৰতিদিনে কৰ'না আক্ৰান্তৰ চিকিৎসাত স্বাস্থ্য সেৱা খণ্ডত নিয়োজিত থাকিব লাগিব বুলি বিজ্ঞানীজনে কয়। 'প্ৰথমটো ঢৌত আমাৰ দেশত সৰ্বাধিক দৈনিক আক্ৰান্তৰ সংখ্যা আছিল ৯৬,০০০-৯৭,০০০ৰ ভিতৰত। কিন্তু এতিয়া দৈনিক সংক্ৰমণ ৩.৫ লাখৰ পৰা চাৰি লাখৰ ভিতৰত হৈছেগৈ। সেয়েহে সংক্ৰমণৰ দ্বিতীয়টো ঢৌ দীঘলীয়া হোৱাৰ যথেষ্ট সম্ভাৱনা আছে। ইতিমধ্যে দ্বিতীয়টো ঢৌৰ সংক্ৰমণে শীৰ্ষত আৰোহণ কৰিলে বুলি ভবা হৈছে যদিও ই স্বাভাৱিক অৱস্থা পাবলৈ যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব। হয়তো অহা জুলাইলৈকে দ্বিতীয়টো সংক্ৰমণৰ ঢৌ দেশত অব্যাহত থাকিব পাৰে।' বিজ্ঞানী জমিলে এইদৰে কয়।

## কেন্দ্ৰৰ নিৰ্দেশত ৰাজ্যক প্ৰতিষেধক যোগান ধৰিছে কোম্পানীয়ে ঃ অভিযোগ ছিছ'ডিয়াৰ



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ মে' ঃ** দেশৰ ৰাজধানী দিল্লীত ক'ভিডৰ প্ৰতিষেধকৰ যথেষ্ট অভাৱ ঘটিছে। দিল্লীৰ উপ-মুখ্যমন্ত্ৰী মনীষ ছিছ'ডিয়াই আজি এই কথা প্ৰকাশ কৰি জনোৱা মতে, চৰকাৰে দিল্লীৰ ১৭ খন বিদ্যালয়ত থকা এশটা প্ৰতিষেধক কেন্দ্ৰ বন্ধ কৰিবলৈ বাধ্য হ'ল। সেই প্ৰতিষেধক কেন্দ্ৰত ক'ভাক্সিন প্ৰতিষেধক প্ৰদান কৰা হৈছিল যদিও প্ৰতিষেধকৰ যোগান লাভ নকৰাত ৰাজ্য চৰকাৰে কেন্দ্ৰকেইটা বন্ধ কৰাৰ সিদ্ধান্ত ল'লে। ছিছ'ডিয়াই কয়, 'ক'ভাক্সিন প্ৰস্তুতকাৰক ভাৰত বায়'টেকে আমাক স্পষ্টভাৱে জনাইছে যে তেওঁলোকে আমাক প্ৰতিষেধক যোগান ধৰিব নোৱাৰে। আমালৈ লিখা পত্ৰত কোম্পানীটোৱে উল্লেখ কৰা মতে, চৰকাৰী বিষয়াৰ নিৰ্দেশ অনুসৰি তেওঁলোকে ক'ভিড প্ৰতিষেধক যোগান ধৰি আহিছে। ভাৰত বায়'টেকৰ এই পত্ৰই পষ্ট কৰিলে যে কেন্দ্ৰীয় চৰকাৰেহে কোনখন ৰাজ্যই কিমান প্ৰতিষেধক লাভ কৰিব সেই সিদ্ধান্ত গ্ৰহণ কৰি আহিছে।'



## কাশ্মীৰত আল-বদৰৰ সহযোগী ব্যক্তিক গ্ৰেপ্তাৰ, প্ৰচুৰ আগ্নেয়াস্ত্ৰ কৰিলে জব্দ

**নিউজ ব্যুৰ'**
**জম্মু, ১২ মে' ঃ** গোপন সূত্ৰৰ তথ্যৰ আধাৰত জম্মু-কাশ্মীৰৰ কুপৱাড়াৰ এজন ব্যক্তিৰ ঘৰত তালাচী চলাই সেনা আৰক্ষীয়ে উদ্ধাৰ কৰিলে বৃহৎ পৰিমাণৰ বিস্ফোৰক আৰু গুলি। উক্ত ব্যক্তিজনে সন্ত্ৰাসবাদীক সহযোগিতা কৰাৰ অভিযোগ উত্থাপিত হৈছিল। সন্ত্ৰাসবাদীক সহায় কৰা আৰু ঘৰত গুলি-বোমা মজুত ৰখাৰ অভিযোগত উক্ত ব্যক্তিজনক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে প্ৰকাশ কৰা মতে, ধৃত ব্যক্তিজন আল-বদৰ সন্ত্ৰাসবাদী সংগঠনৰ স'তে জড়িত আছিল। ব্যক্তিজনৰ ঘৰৰ পৰা ১০টা গ্ৰেণেড আৰু ১৮২ টা সক্ৰিয় গুলি জব্দ কৰা হৈছে।

## গুৰুতৰ ক'ভিড ৰোগী সুস্থ হোৱাৰ ছমাহ পাছতো আক্ৰান্ত হ'ব পাৰে চেৰিব্ৰেল ষ্ট্ৰ'কত

**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** চিকিৎসালয়ত গুৰুতৰভাৱে অসুস্থ হোৱা ক'ভিড ৰোগী, বিশেষকৈ যিসকলক জীৱন ৰক্ষাৰ বাবে অধিক সময় অক্সিজেন দিব লগা হৈছিল; তেনে ৰোগী সুস্থ হৈ ঘৰলৈ উভতি অহাৰ ছমাহ পাছতো চেৰিব্ৰেল ষ্ট্ৰ'কত আক্ৰান্ত হ'ব পাৰে। এনে ব্যক্তি নানা ধৰণৰ জটিল স্নায়ুজনিত ৰোগত আক্ৰান্ত হোৱাৰ লগতে হাত-ভৰি, শৰীৰৰ আন অংগ-প্ৰত্যংগৰ চালনাৰ ক্ষমতা হেৰুৱাব পাৰে। তদুপৰি আক্ৰান্ত ব্যক্তিৰ সুস্থ হোৱাৰ পাছতো যিকোনো দিনত স্মৃতি শক্তি লোপ পাব পাৰে। দীৰ্ঘদিন ধৰি চিকিৎসালয়ত থাকি সুস্থ হৈ ঘৰলৈ ওভতা ক'ভিড ৰোগীৰ স্বাস্থ্যৰ সন্দৰ্ভত অধ্যয়ন চলাই এই তথ্য প্ৰকাশ কৰিলে আমেৰিকাৰ জৰ্জিয়া ষ্টেট ইউনিভাৰচিটী আৰু জৰ্জিয়া ইনষ্টিটিউট অৱ টেকন'ল'জীৰ গৱেষকে। এই অধ্যয়নৰ গৱেষণাপত্ৰ প্ৰকাশ পালে আন্তৰ্জাতিক বিজ্ঞান গৱেষণা পত্ৰিকা 'নিউৰ'বায়'ল'জী অব ষ্ট্ৰেছ'ত। গৱেষকৰ দলে অধ্যয়ন চলাই লাভ কৰা তথ্য অনুসৰি জটিলভাৱে কৰ'নাত আক্ৰান্ত ৰোগী সুস্থ হৈ ঘৰলৈ উভতাৰ ছমাহ পাছতো নানা গুৰুতৰ স্বাস্থ্য সমস্যাত আক্ৰান্ত হোৱাৰ সম্ভাৱনা আছে।



## প্ৰিয়ংকাই ক'লে ঃ চৰকাৰে টিকা উৎসৱ পাতিলে, কিন্তু দেশত প্ৰতিষেধক পাবলৈ নাই



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** দেশবাসীয়ে ক'ভিডৰ বিৰুদ্ধে যুঁজত ব্যস্ত থকাৰ সময়তে বিভিন্ন ৰাজ্যত ক'ভিডৰ প্ৰতিষেধকৰ নাটনিয়ে দেখা দিছে। দিল্লীসহ একাধিক ৰাজ্যই কেন্দ্ৰৰ পৰা অধিক পৰিমাণৰ প্ৰতিষেধক যোগানৰ দাবী উত্থাপন কৰি আহিছে। দেশত হোৱা প্ৰতিষেধকৰ এই নাটনিৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কঠোৰভাৱে সমালোচনা কৰিলে কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ভদ্ৰাই। টুইট কৰি কংগ্ৰেছ নেত্ৰীগৰাকীয়ে আজি কয়, 'ভাৰত প্ৰতিষেধকৰ সৰ্ববৃহৎ উৎপাদনকাৰী দেশ। বিজেপি চৰকাৰে যোৱা ১২ এপ্ৰিলত প্ৰতিষেধক উৎসৱ পালন কৰিছে। কিন্তু প্ৰতিষেধকৰ যোগানৰ কোনো ব্যৱস্থা চৰকাৰে নকৰিলে আৰু বিগত ৩০ দিনত আমাৰ টিকাকৰণ ৮০ শতাংশ হ্ৰাস পালে। এতিয়া প্ৰতিষেধক পাবলৈ নাই। ঘৰে ঘৰে প্ৰতিষেধকৰ যোগান সম্ভৱ নহ'লে কৰ'নাৰ বিৰুদ্ধে যুঁজত জয় অসম্ভৱ। মোদীজীয়ে কাৰখানালৈ গৈ ফটো উঠিছিল, কিন্তু তেওঁৰ চৰকাৰে প্ৰতিষেধকৰ পৰ্যাপ্ত যোগানত গুৰুত্ব নিদিলে।'

## এইবাৰ দেশত ২-১৮ বছৰ বয়সৰ লোকক পৰীক্ষামূলকভাৱে প্ৰদান কৰা হ'ব ক'ভাক্সিন

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১২ মে' ঃ** দুইৰ পৰা ১৮ বছৰ বয়সৰ লোকক দেশত পৰীক্ষামূলকভাৱে প্ৰদান কৰা হ'ব ক'ভিডৰ প্ৰতিষেধক। ভাৰত বায়'টেকে তৈয়াৰ কৰা ক'ভাক্সিনৰ পৰীক্ষামূলকভাৱে প্ৰয়োগ কৰা হ'ব এই বয়সৰ লোকৰ শৰীৰত। মঙলবাৰে এই বিষয়ত অনুমোদন জনালে বিশেষজ্ঞৰ এক পেনেলে। দিল্লী আৰু পাটনাৰ এইমছ, নাগপুৰৰ মেডিট্ৰিনা ইনষ্টিটিউট অৱ মেডিকেল ছায়েন্সে দেশৰ শিশু আৰু



কিশোৰক সামৰি প্ৰতিষেধকৰ এই পৰীক্ষামূলক প্ৰয়োগ কৰিব। মুঠ ৫২৫ শিশু-কিশোৰক এইদৰে ক'ভিড প্ৰতিষেধক দিয়া হ'ব। দীৰ্ঘদিন ধৰি ভাৰত বায়'টেকে শিশুসকলক ক'ভিড প্ৰতিষেধক প্ৰদানৰ আওতালৈ আনিবলৈ চেষ্টা অব্যাহত ৰাখিছে আৰু ইয়াৰ বাবে পৰীক্ষা চলাবলৈ প্ৰতিষ্ঠানটোৱে দেশৰ ড্ৰাগ কন্ট্ৰ'লাৰ জেনেৰেলৰ পৰা অনুমতি বিচাৰিছিল আৰু কালি ইয়াৰ বাবে প্ৰয়োজনীয় অনুমতি ভাৰত বায়'টেকে লাভ কৰে।

## কৰ'নাত মানসিক চাপ হ্ৰাস কৰিবলৈ খাওক ডাৰ্ক চক'লেট ঃ কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী বৰ্ধনৰ পৰামৰ্শ



**নিউজ ব্যুৰ', নতুন দিল্লী, ১২ মে' ঃ** কৰ'নাত আক্ৰান্ত হ'লেও মানসিক হেঁচা নল'ব। চিকিৎসকৰ পৰামৰ্শ মানি চলক আৰু মানসিক হেঁচা হ্ৰাস কৰিবলৈ ডাৰ্ক চক'লেট খাওক। এই পৰামৰ্শ আগবঢ়ালে কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী ডাঃ হৰ্ষ বৰ্ধনে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীৰ এই টুইটক লৈ ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। অনেকে প্ৰশ্ন কৰিছে যে ডাৰ্ক চক'লেট খালে কৰ'নাৰ সময়ত মানসিক হেঁচা হ্ৰাস পোৱাৰ কিবা প্ৰমাণ আছে নেকি? কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীৰ এই টুইটক লৈ বিতৰ্ক হ'লেও হৰ্ষ বৰ্ধনে ডাৰ্ক চক'লেটৰ লগতে আহাৰ তালিকাত ফল, বাদাম, হালধি মিশ্ৰিত গাখীৰসহ অন্যান্য খাদ্যৰ কথাও উল্লেখ কৰিছিল। উল্লেখ্য যে ইয়াৰ পূৰ্বেও সামাজিক মাধ্যমত কৰা মন্তব্যৰ ফলত কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰীজনে কটাক্ষৰ সন্মুখীন হৈছিল। শেহতীয়া টুইটত কৰ'না ৰোগীক খাদ্য গ্ৰহণৰ ক্ষেত্ৰত একাধিক পৰামৰ্শ দি হৰ্ষ বৰ্ধনে কৈছিল, 'মানসিক হেঁচাৰ পৰা মুক্তি পাবলৈ ৭০ শতাংশ ক'ক'যুক্ত ডাৰ্ক চক'লেট সামান্য পৰিমাণত গ্ৰহণ কৰক।'



# সাহিত্য-সাংবাদিকতাৰ মহীৰূহৰ বিয়োগ

*এক পৃষ্ঠাৰ পৰা* পৰে। ফলত কৰ'নাৰ বাবে শাৰীৰিকভাৱে দুৰ্বল হৈ থকা প্ৰবীণ সাহিত্যিক-সাংবাদিকগৰাকীৰ স্বাস্থ্যৰ অৱনতি ঘটাত ততাতৈয়াকৈ তেওঁক মহানগৰীৰ জি এন আৰ চি হাস্পতালত ভৰ্তি কৰোৱা হয়। অৱশ্যে আজি পুৱা ৬-৫৮ বজাত প্ৰথিতযশা সাহিত্যিক-সাংবাদিকগৰাকীয়ে সকলোকে কন্দুৱাই শেষ নিশ্বাস ত্যাগ কৰে। উল্লেখ্য যে বৰগোহাঞি কৰ'নাৰ পৰা সুস্থ হৈ যোৱা সাত মে'ত নিজ গৃহলৈ উভতিছিল।

পুৱাই বৰগোহাঞিৰ মৃত্যু সদৰী হোৱাৰ লগে লগে সমগ্ৰ ৰাজ্যৰ গুণমুগ্ধসকল স্তম্ভিত হৈ পৰে। এই বাতৰি পোৱাৰ পাছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাও হাস্পতালত উপস্থিত হয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশতে বৰগোহাঞিক ৰাষ্ট্ৰীয় মৰ্যাদাৰে চিৰবিদায় দিয়াৰ ব্যৱস্থা কৰা হয়। উল্লেখ্য যে ৰাজ্যত বলৱৎ থকা ক'ভিড বিধিৰ পৰিপ্ৰেক্ষিতত অসংখ্য গুণমুগ্ধই আজি প্ৰিয় সাহিত্যিকগৰাকীৰ প্ৰতি অন্তিম শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব নোৱাৰিলে। তৎসত্ত্বেও মহানগৰীৰ কিছু কিছু স্থানলৈ তেওঁৰ নশ্বৰদেহ নিয়া হয়। আজি দিনৰ ভাগত অসম সাহিত্য সভা, কটন বিশ্ববিদ্যালয়, গুৱাহাটী প্ৰেছ ক্লাবকে ধৰি সাতটা স্থানলৈ বৰগোহাঞিৰ নশ্বৰদেহ নিয়া হয় আৰু তাতেই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে চৰকাৰৰ প্ৰতিনিধিয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। আজি দিনৰ ১১ বজাত জি এন আৰ চিৰ পৰা প্ৰথমে বৰগোহাঞিৰ নশ্বৰদেহ হেঙেৰাবাৰীস্থিত হাউছিং কল'নীলৈ নিয়া হয় আৰু তাতে আৱাসীসকলে শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পাছত বৰগোহাঞিৰ নশ্বৰদেহ নিয়া হয় তেওঁ মৃত্যুৰ সময়লৈ মুখ্য সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি থকা 'নিয়মীয়া বাৰ্তা' কাকতৰ কাৰ্যালয়লৈ নিয়া হয়। ইয়াৰ পাছত বিশিষ্ট সাংবাদিকগৰাকীৰ নশ্বৰদেহ তেওঁৰ পূৰ্বৰ কৰ্মস্থলী 'আমাৰ অসম' কাকতৰ কাৰ্যালয় আৰু তাৰ পাছত মহানগৰীৰ আমবাৰীস্থিত গুৱাহাটী প্ৰেছ ক্লাবলৈ নিয়ে। এই সকলো ঠাইতে তেওঁৰ নশ্বৰদেহত বিভিন্নজনে মাল্যাৰ্পণ কৰি শ্ৰদ্ধা নিবেদন কৰে। অসম সাহিত্য সভাৰ বৰ্তমানৰ বহু বিষয়ববীয়া, বিশিষ্ট সাহিত্যিক ধ্ৰুৱজ্যোতি বৰা আদিয়েও নশ্বৰদেহত শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। ইয়াৰ উপৰি 'অসমীয়া প্ৰতিদিন', 'আছাম ট্ৰিবিউন' কাকতৰ কাৰ্যালয়ৰ উপৰি ৰাজ্যিক কটন বিশ্ববিদ্যালয়ৰ প্ৰাংগণতো বিভিন্নজনে কথাশিল্পী বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ইয়াৰ পাছতে বিয়লি প্ৰায় ৩-৩০ বজাত সাহিত্য একাডেমী বঁটাপ্ৰাপ্ত সাহিত্যিকগৰাকীৰ নশ্বৰদেহ নৱগ্ৰহ শ্মশানলৈ নিয়া হয়। শ্মশানতে মুখ্যমন্ত্ৰী ড° শৰ্মাৰ উপৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, ৰাজ্যিক বিজেপিৰ সাংগঠনিক সম্পাদক ফণী শৰ্মা, ছিপাঝাৰ সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পৰমানন্দ ৰাজবংশী আৰু জিলা প্ৰশাসনৰ একাংশ শীৰ্ষ বিষয়াই বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে। ইয়াৰ কিছু সময়ৰ পাছতে অসমৰ সাহিত্য আৰু সংবাদ জগতখনত ৰিক্ততাৰ সৃষ্টি কৰি পঞ্চভূতত বিলীন হৈ পৰে।

### হোমেন বৰগোহাঞিৰ সৃষ্টি আৰু আদৰ্শ জীয়াই ৰাখিবলৈ চৰকাৰে সকলো পদক্ষেপ গ্ৰহণ কৰিব ঃ মুখ্যমন্ত্ৰী

'অসম চৰকাৰে ৰাজ্যৰ জাতীয় জীৱনৰ মহীৰূহ প্ৰয়াত সাহিত্যিক-সাংবাদিক হোমেন বৰগোহাঞিৰ সৃষ্টি আৰু আদৰ্শ ভৱিষ্যৎ প্ৰজন্মৰ মাজত জীয়াই ৰখাৰ বাবে প্ৰয়োজনীয় সকলো পদক্ষেপ গ্ৰহণ কৰিব।' আজি নৱগ্ৰহ শ্মশানত প্ৰয়াত সাহিত্যিকগৰাকীৰ শেষকৃত্য অনুষ্ঠানত উপস্থিত থাকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত এই মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিশিষ্ট কথাশিল্পীগৰাকীৰ বিয়োগত সঁচাক সঁচা বুলি কোৱা আৰু কক্ষচ্যুত হ'লে তেওঁক কক্ষপথলৈ ওভতাই আনিব পৰা এগৰাকী অভিভাৱকক তেওঁ ব্যক্তিগতভাৱে হেৰুৱালে। চিকিৎসা মহাবিদ্যালয়ত প্ৰয়াত সাহিত্যিকগৰাকী চিকিৎসাধীন হৈ থকাৰ সময়ত প্ৰতিটো দিনেই খবৰ লোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে ঘৰলৈ ঘূৰি অহাৰ বাবে তেওঁ প্ৰচণ্ড হেপাহ ব্যক্ত কৰিছিল। তেওঁৰ মান-স্বাভিমানৰ ওচৰত হাৰ মানি অৱশেষত চিকিৎসকে ঘৰলৈ যাবলৈ অনুমতি দিছিল। মুখ্যমন্ত্ৰী শৰ্মাই লগতে কয়, 'পাৰ্থিৱভাৱে অসমৰ বৌদ্ধিক জগতৰ এই উজ্জ্বল জ্যোতিষ্ক হেৰাই গ'লেও তেওঁৰ সৃষ্টি আৰু আদৰ্শ ভৱিষ্যৎ প্ৰজন্মৰ মাজত যাতে সদায় জীয়াই থাকে তাৰ বাবে অসম চৰকাৰে সকলোখিনি কৰিব। ইতিমধ্যে ৰাজ্য চৰকাৰে কেতবোৰ চিন্তা-চৰ্চা কৰিছে আৰু ভৱিষ্যতে পৰিয়াল তথা তেওঁৰ অজস্ৰ গুণমুগ্ধসকলৰ স'তে কথা পাতি এই পৰিকল্পনাক চূড়ান্ত ৰূপ দিয়া হ'ব।' মুখ্যমন্ত্ৰী শৰ্মাই কয় যে এই দিশত ৰাজ্য চৰকাৰে এখোজ বেছিকৈ দিব কিন্তু কমকৈ নহয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বৰগোহাঞিৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গ তথা গুণমুগ্ধসকলক গভীৰ সমবেদনা জ্ঞাপন কৰে। আনহাতে, মুখ্যমন্ত্ৰী ড° শৰ্মাৰ নিৰ্দেশক্ৰমে প্ৰয়াত বৰগোহাঞিৰ শেষকৃত্য নৱগ্ৰহ শ্মশানত ৰাষ্ট্ৰীয় মৰ্যাদাৰে সম্পন্ন কৰা হয়।

### ৰাষ্ট্ৰপতি-উপ ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰীকে ধৰি বিভিন্নজনৰ শোক প্ৰকাশ

বিশিষ্ট সাহিত্যিক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত আজি ৰাষ্ট্ৰপতি ৰামনাথ ক'ৱিন্দ, উপ-ৰাষ্ট্ৰপতি ভেংকায়া নাইডু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও গভীৰ শোক প্ৰকাশ কৰে। টুইটযোগে শোক ব্যক্ত কৰি ৰাষ্ট্ৰপতি ক'ৱিন্দে কয়, 'অসমীয়া সাহিত্য জগতৰ এগৰাকী মহীৰূহ হোমেন বৰগোহাঞিৰ আজি মহাপ্ৰয়াণ ঘটিল। সাংবাদিকৰূপেও প্ৰসিদ্ধ বৰগোহাঞি অসমৰ লেখক, সাংবাদিকসকলৰ বাবে অনুপ্ৰেৰণা আছিল। তেওঁৰ পৰিয়াল, সুহৃদ আৰু অনুগামীসকললৈ মোৰ সমবেদনা জনালো।' আনহাতে, উপ-ৰাষ্ট্ৰপতি নাইডুৱে কয় যে বৰগোহাঞিৰ মৃত্যুৱে অসমীয়া সাহিত্য আৰু সংবাদজগতলৈ অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিলে। আনহাতে, প্ৰধানমন্ত্ৰী মোদীয়ে টুইটত লিখিছে, 'অসমীয়া সাহিত্য আৰু সাংবাদিকতাৰ ক্ষেত্ৰখনলৈ আগবঢ়োৱা অৱদানৰ বাবে হোমেন বৰগোহাঞি স্মৰণীয় হৈ ৰ'ব। তেওঁৰ কৰ্মৰাজিয়ে অসমীয়া জনজীৱন আৰু সংস্কৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত কৰিছিল। তেওঁৰ দেহাৱসানে মৰ্মাহত কৰিছে। তেওঁৰ পৰিয়াল আৰু গুণমুগ্ধসকললৈ সমবেদনা জনাইছো। ওম শান্তি।'

ইফালে, বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিত কুমাৰ দাসেও বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। এক শোকবাৰ্তাত সভাপতি তথা মন্ত্ৰী দাসে কয়, 'অসমীয়া জাতীয় জীৱনৰ অবিচল-অটল স্তম্ভৰূপে সকলো ধৰণৰ পক্ষপাতৰ পৰা মুক্ত হৈ জাতিটোৰ সৰ্বশ্ৰেষ্ঠ প্ৰাতঃস্মৰণীয় অভিভাৱকৰূপে জাতিটোক পথ দেখুৱাই অহা যুগদ্ৰষ্টাগৰাকীৰ মহাপ্ৰস্থানত অসমীয়া জাতীয় জীৱনৰ যি ক্ষতি হৈছে, সেয়া অপূৰণীয়।' আনহাতে, গভীৰ শোক প্ৰকাশ কৰি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই এক বিবৃতিত কয়, 'বিশিষ্ট সাহিত্যিক, সাংবাদিক, কথাশিল্পী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য একাডেমী বঁটাপ্ৰাপক হোমেন বৰগোহাঞিদেৱ আছিল জ্ঞান আৰু অভিজ্ঞতাৰ ভঁৰাল। সুদীৰ্ঘদিন ধৰি অসমৰ বৌদ্ধিক জগতখনত নেতৃত্ব দি অহা বৰগোহাঞিদেৱৰ মৃত্যু ৰাজ্যখনৰ সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি।' বৰাই লগতে কয় যে বৰগোহাঞিয়ে কায়িকভাৱে অসমবাসীৰ পৰা বিদায় ল'লেও আদৰ্শৰাজিৰ মাজেৰে তেওঁ সদায় অসমবাসীৰ মাজত জীয়াই থাকিব। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ আৰু সাধাৰণ সম্পাদক জগদীশ ভূঞাঁয়ো দলটোৰ হৈ বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। নেতাদ্বয়ে এক বিবৃতিত কয় যে অসমীয়া সাহিত্য, সংবাদ আৰু সামাজিক চিন্তাৰ জগতত একেলগে ইমানখিনি অৱদান আগবঢ়াই হোমেন বৰগোহাঞিয়ে ক'ল'ছাচসদৃশ যি মূৰ্তি অসমবাসীৰ মনত গঢ়ি গ'ল, ই চিৰদিনলৈ অক্ষত থাকিব। সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা (এআইইউডিএফ)ৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলে এক বিবৃতিত কয় যে বৰগোহাঞিৰ মৃত্যু অসমৰ বৌদ্ধিক জগতখনৰ লগতে অসমৰ জাতীয় জীৱনৰ এক অপূৰণীয় ক্ষতি। তেওঁ অসমৰ সাহিত্য, সংবাদ আৰু সামাজিক ক্ষেত্ৰত আগবঢ়োৱা অৱদান সদায় স্মৰণীয় হৈ ৰ'ব বুলিও আজমলে কয়। 'গদ্যৰ সাধক' বৰগোহাঞিৰ মহাপ্ৰয়াণত নৱগঠিত ৰাইজৰ দলো মৰ্মাহত হৈছে। দলটোৰ কাৰ্যকৰী সভাপতি ভাস্কো ডি শইকীয়া, কবিন্দ্ৰ চেতিয়া ফুকন আৰু জিতুল ডেকাই প্ৰয়াত সাহিত্যিক তথা সাংবাদিকগৰাকীৰ শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰি কয় যে অসমীয়া জাতি জীয়াই থকালৈকে হোমেন বৰগোহাঞিদেৱৰ অৱদানক সদায় শ্ৰদ্ধাৰে মনত ৰাখিব। বৌদ্ধিক জগতৰ মহীৰূহৰ মহাপ্ৰয়াণত অসমে এগৰাকী বিচক্ষণ অভিভাৱক হেৰুৱালে বুলি মন্তব্য কৰি আপকুৱে বৰগোহাঞিৰ আত্মাৰ চিৰশান্তি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। আপকুৰ মুখ্য উপদেষ্টা মনোজ সিঙে বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। ইফালে, আলফা (স্বা)ৰ তৰফৰ পৰাও কথাশিল্পীগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এক শোকবাৰ্তাত নিষিদ্ধ সংগঠনটোৰ উপ-সভাপতি আৰু সেনাধ্যক্ষ পৰেশ বৰুৱাই কয়, 'জাতিটোৰ সংকটৰ সময়ত আৱেগৰ টৌত উটি-ভাহি নগৈ জাতিটোৰ উত্তৰণত ব্যৱহাৰিক পথ দেখুৱাই যোৱা দদাইদেউৰ অভাৱ থলগিৰি ৰাইজে তথা আমাৰ সংগঠনেও অনাগত দিনত বাৰুকৈয়ে অনুভৱ কৰিব। সস্তীয়া বিতৰ্ক, জনপ্ৰিয়তাৰ শলিয়া দৌৰ আৰু প্ৰচাৰৰ পৰা সদায় দূৰত অৱস্থান কৰা হোমেন দদাইদেউ আপোচহীনতাৰ এক লৌহ স্তম্ভ হৈ তথা অসমৰ থলগিৰি ৰাইজৰ মাজত সদায় ধ্ৰুৱতৰা হৈ জিলিকি থাকিব।

ইয়াৰ উপৰি গুৱাহাটী আৰ্টিষ্ট গীল্ডৰ হৈ সাধাৰণ সম্পাদক কিশোৰ কুমাৰ দাস, কটন বিশ্ববিদ্যালয়ৰ হৈ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° চম্পাকলি তালুকদাৰ, 'বাৰ্তাপখিলী'ৰ সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকা, কাৰ্যবাহী সম্পাদক গোপাল জালান, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ হৈ সভাপতি মহেন বৰা, কোচ ৰাজবংশী সাহিত্য সভাৰ কামৰূপ মহানগৰ জিলা সমিতিৰ হৈ ৰাজীৱলোচন বিকাশ ৰায়, সাহিত্যিক থানেশ্বৰ মালাকাৰ, অসম লেখিকা সংস্থাৰ সভানেত্ৰী মঞ্জুলা শৰ্মা ভট্টাচাৰ্য, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ হৈ সাধাৰণ সম্পাদক চাও পুষ্পধৰ শইকীয়া, ৰাজ্যসভাৰ সাংসদ ভুৱনেশ্বৰ কলিতা, চি পি আইৰ অসম ৰাজ্য পৰিষদৰ হৈ সম্পাদক মুনীন মহন্ত, অসম বিজ্ঞান সমিতিৰ হৈ প্ৰধান সচিব ড° জগদীন্দ্ৰ ৰায়চৌধুৰী, অসম কবিতা একাডেমীৰ হৈ সচিব হেমন্ত কুমাৰ চৌধুৰী, অসম প্ৰদেশ সাংবাদিক সন্থা (আপজু)ৰ হৈ সাধাৰণ সম্পাদক কুন্তল কলিতা, অৰণ্য সুৰক্ষা সমিতি, অসম, অসম বাৰ্তাজীৱী সংঘৰ হৈ সভাপতি কেশৱ কলিতা, সাধাৰণ সম্পাদক টুটুমণি ফুকন, অসম মহিলা সংঘৰ হৈ সম্পাদিকা অসমী গগৈ, পূৰ্বাঞ্চল তাই সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° পুষ্প গগৈ, সদৌ অসম শিল্পী সমাজৰ হৈ কাৰ্যকৰী সভাপতি প্ৰাঞ্জল শইকীয়া, সাধাৰণ সম্পাদক দুলাল দাস, চি পি আই (এম)ৰ ৰাজ্যিক সমিতিৰ হৈ সম্পাদক দেবেন ভট্টাচাৰ্য, অসম চৰ-চাপৰি সাহিত্য পৰিষদৰ হৈ সভাপতি ড° হাফিজ আহমেদ, সম্পাদক হালিম খান চৌধুৰী, অসম ৰাজ্যিক জমিয়ত উলামাৰ হৈ সাধাৰণ সম্পাদক হাফিজ বছিৰ আহমেদ কাছিমী, জাৰ্ণেলিষ্ট এছ'চিয়েছন অৱ আছাম (জা)ৰ হৈ সাধাৰণ সম্পাদক ডালিম ফুকন, সভাপতি ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্তী, কাৰ্যকৰী সভাপতি অনুপ বিশ্বাস, জে ইউ এন আইৰ ৰাষ্ট্ৰীয় উপ-সভাপতি ভূপেন গোস্বামী, অৰুণাচল প্ৰদেশ লিটাৰেৰী ছ'চাইটিৰ হৈ সভাপতি য়েছে দৰজে ঠংছি, সাধাৰণ সম্পাদক মুকুল পাঠক, ভাৰতীয় চিকিৎসা সন্থা, ইলোৰা বিজ্ঞান মঞ্চৰ হৈ সভাপতি ড° চন্দ্ৰমোহন শৰ্মা, সাধাৰণ সম্পাদক কমলেশ গুপ্ত, জোনাকী বাটৰ সম্পাদিকা জুনু বৰা, নৱ প্ৰগতি মহিলা মঞ্চৰ সভানেত্ৰী অম্বিকা দত্ত আৰু সম্পাদিকা হিৰণ্য দত্ত আদিয়েও গভীৰ শোক প্ৰকাশ কৰে। সেইদৰে অসমীয়া জাতীয় অভিধানৰ উন্মোচক, পৃষ্ঠপোষৰ বৰগোহাঞিৰ মৃত্যুত জাতীয় জীৱন তথা জাতীয় অভিধান পৰিয়ালেও গভীৰ শোক প্ৰকাশ কৰিছে। আজি যোৰহাটত জাতীয় ভৱনৰ সভাপতি গোপাল গোস্বামীৰ পৌৰোহিত্যত এক শোকসভাত সংগঠনটোৱে প্ৰয়াত বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। যোৰহাট জাতীয় বিদ্যালয়ৰ অধ্যক্ষা শান্তনা শৰ্মা, জাতীয় ভৱনৰ সম্পাদক দীপক ৰফিক আহমেদ, ৰ'দকাঁচিৰলীৰ সম্পাদক বিষ্ণুৱাত শৰ্মা, অসমীয়া জাতীয় অভিধানৰ মুখ্য সম্পাদক দ° দেৱব্ৰত শৰ্মা, জাতীয় ভৱনৰ কৰ্মী অন্তৰা শৰ্মা, ভৰত ৰুহিদাস, জোনালী বৰা, পূৰবী কাঞ্চন কাশ্যপ, একলব্য প্ৰকাশনৰ পৰাগমণি ভট্টাচাৰ্য আদিয়েও সভাত উপস্থিত থাকি কথাশিল্পীগৰাকীৰ সাহিত্য কৃতিৰ স্মৰণ কৰে।

### বৰগোহাঞিৰ মহাপ্ৰয়াণত শোকস্তব্ধ ডিব্ৰুগড়ৰ বৌদ্ধিক সমাজ

**ডিব্ৰুগড়ৰ বিশেষ সংবাদদাতা ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট চিন্তাশীল লেখক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত শোকস্তব্ধ হৈ পৰিছে ডিব্ৰুগড়ৰ বৌদ্ধিক সমাজ। বৰগোহাঞিৰ মৃত্যুৰ বাতৰিত শোকত ভাঙি পৰা বিশিষ্ট সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াই নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয়, 'সাম্প্ৰতিক কালত অসমৰ আটাইতকৈ দিগ্গজ পুৰুষজন আছিল হোমেন বৰগোহাঞি। তেওঁৰ জ্ঞানৰ পৰিসৰ, চিন্তাৰ উচ্চতা এই সকলোৱে সাম্প্ৰতিক সময়ছোৱাৰ আটাইতকৈ ওখ ব্যক্তিজনলৈ ৰূপান্তৰিত কৰিছিল। আমি যেন এতিয়া বহু সময়লৈ দিশহাৰা হৈ থাকিম।' নতুন প্ৰতিভাৰ আৱিষ্কাৰক বৰগোহাঞিৰ বৰঙণি অপৰিসীম আছিল বুলিও ড° শইকীয়াই কয়। উল্লেখ্য যে বিগত প্ৰায় তিনিটা দশক ধৰি ডিব্ৰুগড়ৰ জ্যোতিনগৰৰ নিবাসী ডাঃ নিৰ্মল চাহেৰালাৰ বাসগৃহ আছিল প্ৰয়াত বৰগোহাঞিৰ ডিব্ৰুগড়ৰ ঠিকনাস্বৰূপ। বৰগোহাঞিৰ মৃত্যুৱে তেওঁক পিতৃহীন কৰিলে বুলি ডাঃ চাহেৰালাই কয়, 'অসমৰ জাতীয় জীৱনলৈ এক অন্ধকাৰ নামি আহিল। সঁচাই আজি সমগ্ৰ অসম তথা দেশৰ বাবে এক দুৰ্ভাগ্যৰ বিষয়।' আছুৰ উপ-সভাপতি উদ্দীপ্তজ্যোতি গগৈয়ে কয় যে অসমৰ নতুন প্ৰজন্মক অসমীয়া জাতীয়তাবাদ, জাতীয়তাবাদী যাত্ৰাৰে আগবাঢ়িবলৈ তেওঁ বিভিন্ন লেখা, সাহিত্যৰ লগত জড়িত উপাদান আমাক দি গৈছে। এই উপাদানসমূহে অসমীয়া জাতীয় জীৱন সমৃদ্ধ কৰি থোৱাৰ লগতে এখন শক্তিশালী অসম গঢ়াত নতুন প্ৰজন্মক সহায় কৰি যাব। আছুৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই শোক প্ৰকাশ কৰি কয় যে বৰগোহাঞিৰ মৃত্যুত অসমৰ প্ৰতিটো স্তৰত অপূৰণীয় ক্ষতি হ'ল। অসম সাহিত্য সভাৰ ডিব্ৰুগড় জিলা সমিতিয়েও আজি বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। সেইদৰে ডিব্ৰুগড় জিলাৰ কে চি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ সমীৰণ কুমাৰ দাস, শিক্ষক নৰোত্তম চবৰ, বিহু সুৰক্ষা সমিতি, অসমৰ প্ৰচাৰ সচিৱ কৃপাল ফুকন, লাহোৱাল প্ৰেছ ক্লাব, ডিব্ৰুগড় জিলা সাংবাদিক সুৰক্ষা মঞ্চ, জকাই শাখা সাহিত্য সভা, সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ বৰবৰুৱা শাখা, বৰবৰুৱা সাহিত্য সভা, ভাৰতীয় গণনাট্য সংঘৰ ৰাজ্যিক সমিতি, গণনাট্য সংঘৰ ডিব্ৰুগড় জিলা সমিতি, ডিব্ৰুগড় জিলা লেখিকা সমাৰোহ সমিতি, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব, সদৌ অসম আহোম সভাৰ ডিব্ৰুগড় জিলা সমিতি, তাই শিক্ষা আৰু সাংস্কৃতিক কেন্দ্ৰ, সংবাদিক সুৰক্ষা মঞ্চ অসম, ডিব্ৰুগড় টাউন মিচিং কেবাং, সোণোৱাল কছাৰী জাতীয় পৰিষদ, সোণোৱাল কছাৰী সাহিত্য সভা, ডায়মণ্ড স্প'ৰ্টিং ক্লাব, মিলনজ্যোতি সংঘ, বিধায়ক প্ৰশান্ত ফুকন, বিনোদ হাজৰিকা, প্ৰাক্তন বিধায়ক ঋতুপৰ্ণ বৰুৱা আদিয়েও গভীৰ শোক প্ৰকাশ কৰে।

### যোৰহাটত গভীৰ শোক ঃ সাহিত্য সভাৰ পতাকা অৰ্ধনমিত

**যোৰহাটৰ ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰগোহাঞিৰ মৃত্যুত আজি যোৰহাটতো শোকৰ ছাঁ পৰে। অসম সাহিত্য সভাৰ প্ৰধান কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত সভাৰ পতাকা অৰ্ধনমিত কৰা হয়। ক'ভিড বিধি ৰক্ষা কৰি অসম সাহিত্য সভাৰ সহকাৰী সম্পাদক ৰমানন্দন বৰাই জিলা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল বৰা, বিষয়ববীয়া মিতালী শইকীয়াৰ উপস্থিতিত পতাকা অৰ্ধনমিত কৰি গভীৰ শোক ব্যক্ত কৰে। লগতে সদৌ অসম সাংবাদিক সন্থাৰ যোৰহাট জিলা সমিতি, যোৰহাট জিলা ছাত্ৰ সন্থা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, চাৰিগাঁও সাহিত্য পৰিষদ, বাহনা সাহিত্য সভা, পটীয়াগাঁও সাহিত্য সভা, স্বেচ্ছাসেৱী অনুষ্ঠান সেৱা, হাৰ্ছৰ সভাপতি ডাঃ বলিন খাৰঘৰীয়া, সৰস্বতী পুস্তক মন্দিৰ, যোৰহাট জিলা কৰ্মচাৰী পৰিষদ, সদৌ অসম আৰু যোৰহাট জিলা মধ্য ইংৰাজী শিক্ষক সংস্থা, যোৰহাট জিলা মইনা পাৰিজাত, মহেশ্বৰ বৰকটকী, উচ্চতৰ মাধ্যমিক বিদ্যালয়, জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° চেনিৰাম দত্ত, তিলো সোণোৱাল, নলিনীবালা হাজৰিকা, প্ৰাক্তন সম্পাদক হেমেন কুমাৰ শইকীয়া আদিয়েও গভীৰ শোক প্ৰকাশ কৰে।

### বৰগোহাঞিৰ বিয়োগত শোকস্তব্ধ 'অৰুণোদই'ৰ জন্মস্থান

**শিৱসাগৰৰ বিশেষ সংবাদদাতা ঃ** 'অৰুণোদই'ৰ জন্মস্থান শিৱসাগৰো আজি বৰগোহাঞিৰ বিয়োগত শোকস্তব্ধ হৈ পৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক তথা শিক্ষাবিদ নাহেন্দ্ৰ পাদুনে কয় যে যিটো হ'ব নালাগিছিল, সেইটোৱে হৈ গ'ল। তেওঁ লগতে কয় যে বৰগোহাঞি অসমৰ সাহিত্য-সংস্কৃতি আৰু সমাজ জীৱনৰ অভিভাৱক তথা এজন ৰাজনৈতিক পৰামৰ্শদাতাও আছিল। সংগীত নাটক একাডেমী বঁটাপ্ৰাপক ৰেৱকান্ত মহন্তই শোক প্ৰকাশ কৰি কয় যে বৰগোহাঞিৰ বিয়োগে অসমৰ বৌদ্ধিক জগতৰ অপূৰণীয় ক্ষতিসাধন কৰিলে। আনহাতে, শিৱসাগৰ জিলা সাহিত্য সভা, ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছেও গভীৰ শোক প্ৰকাশ কৰে।

### ডিমৌৰ জাতীয় সংগঠনৰ শোক

**ডিমৌৰ অগ্ৰদূত বাৰ্তা ঃ** সুসাহিত্যিক তথা সাংবাদিক বৰগোহাঞিৰ মৃত্যুত আজি ডিমৌ অঞ্চলতো শোকৰ ছাঁ পৰে। ডিমৌৰ বিভিন্ন জাতীয় দল-সংগঠনে বিশিষ্ট সাহিত্যিকগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰিছে। ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ সম্পাদক প্লাৱন বুঢ়াগোহাঞি, বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ ডিমৌ নগৰ সমিতিৰ সভাপতি যদুমণি কলিতা, অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ ডিমৌ আঞ্চলিকৰ সভাপতি বিশ্বজিৎ নাগ আদিয়েও শোক প্ৰকাশ কৰে। সেইদৰে ডিমৌ প্ৰেছ ক্লাবত আজি এক শোকসভাৰ আয়োজন কৰা হয়। ডিমৌ শাখা সাহিত্য সভা, ডিমৌ আঞ্চলিক কৰ্মচাৰী পৰিষদ, পৰিৱৰ্তন এনজিঅ'ৰ তৰফৰ পৰাও সাহিত্যিকগৰাকীৰ মৃত্যুত শোক প্ৰকাশ কৰে।

### তিনিচুকীয়াতো শোকৰ বন্যা

**তিনিচুকীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** সাহিত্যিক বৰগোহাঞিৰ মৃত্যুত তিনিচুকীয়াতো বিভিন্নজনে শোক প্ৰকাশ কৰিছে। বিশিষ্ট সাহিত্যিক, ব্যংগ লেখক পূৰ্ণ শইকীয়াই অসমৰ এক অপূৰণীয় ক্ষতি হোৱা বুলি মন্তব্য কৰে। সেইদৰে সাহিত্যিক পেঞ্চনাৰ সুশীল কুমাৰ গগৈ, বিশিষ্ট কবি-গীতিকাৰ ড° সঞ্জীৱ কুমাৰ ফুকন, তিনিচুকীয়া জিলা সাহিত্যসেৱী মঞ্চৰ সভাপতি অতুল চন্দ্ৰ শৰ্মা, সাধাৰণ সম্পাদক শৰৎ চন্দ্ৰ চিৰিংফুকন, সদৌ অসম সোণোৱাল কছাৰী ছাত্ৰ সন্থাৰ ডাঙৰী অঞ্চল সভাপতি শংকৰজ্যোতি সোণোৱাল, তালাপ শাখা সাহিত্য সভা, মটক যুৱ-ছাত্ৰ সন্মিলন, মৰাণ ছাত্ৰ সন্থা, মৰাণ সাহিত্য সভা, তিনিচুকীয়া প্ৰেছ ক্লাব, তিনিচুকীয়া আপকু আদিয়ে গভীৰ শোক প্ৰকাশ কৰে।

### কলিয়াবৰত বিভিন্নজনৰ শোক প্ৰকাশ

**কলিয়াবৰৰ অগ্ৰদূত বাৰ্তা ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰগোহাঞিৰ মৃত্যুত কলিয়াবৰৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। কলিয়াবৰ শাখা সাহিত্য সভা, কলিয়াবৰ প্ৰেছ ক্লাব, কলিয়াবৰ সাহিত্য কানন, কলিয়াবৰ জিলা মইনা পাৰিজাত আদিৰ লগতে অন্যান্য জাতীয় সংগঠনেও সাহিত্যিকগৰাকীৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে।

### বৰগোহাঞিৰ প্ৰতিচ্ছবি অংকনেৰে শ্ৰদ্ধাঞ্জলি শিক্ষাৰ্থীৰ

**বিহপুৰীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** বিহপুৰীয়াৰ নিবাসী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিকলন বিজ্ঞান আৰু অধ্যয়ন কেন্দ্ৰৰ পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী মিঠুৰাজ বৰাই আজি ব্যতিক্ৰমীৰূপে প্ৰয়াত বৰগোহাঞিৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰে। আজি বিশিষ্ট সাহিত্যিগৰাকীৰ মৃত্যুৰ বাতৰি পোৱাৰ লগে লগে বিহপুৰীয়াৰ বদতি জামুগুৰীৰ ছাত্ৰজনে বৰগোহাঞিৰ প্ৰতিচ্ছবি অংকন কৰি তেওঁৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰে।

### দুমুনিচকীত গভীৰ শোক

**দুমুনিচকীৰ অগ্ৰদূত বাৰ্তা ঃ** কথাশিল্পী বৰগোহাঞিৰ মৃত্যুত আজি দুমুনিচকী অঞ্চলতো গভীৰ শোকৰ ছাঁ পৰে। প্ৰতিবন্ধী সুৰক্ষা সংস্থা, অসম, অজাযুছাপৰ গুৱাহাটী জিলা সমিতি, দুমুনিচকী আঞ্চলিক ছাত্ৰ সন্থা, কুৰুৱা আঞ্চলিক ছাত্ৰ সন্থা, হেটোতোলা ইউনাইটেড ক্লাব, পোহৰ, দুমুনিচকী জ্যেষ্ঠ নাগৰিক সন্মিলনী, পশ্চিম দৰং উন্নয়ন পৰিষদ আদিয়ে শোক প্ৰকাশ কৰে।

### হাজোত গভীৰ শোক

**হাজোৰ অগ্ৰদূত বাৰ্তা ঃ** তীৰ্থনগৰী হাজোতো আজি বৰগোহাঞিৰ মৃত্যুত গভীৰ শোকৰ সৃষ্টি হয়। হাজো সাংবাদিক সন্থা, কামৰূপ জিলা সাহিত্য সভা, মণিকূট সাহিত্য সমাজ, দমদমা সাহিত্য সভা, হাজো-দমদমা আছু আদিয়ে বৰগোহাঞিৰ বিদেহ আত্মৰ সদ্গতি কামনা কৰে।

### ছয়গাঁও-পলাশবাৰী-বকোৰ বিধায়কৰ শোক

**ছয়গাঁও ঃ** স্বনামধন্য সাহিত্যিক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত আজি ছয়গাঁৱৰ বিধায়ক ৰেকিবুদ্দিন আহমেদ, পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, বকোৰ বিধায়িকা নন্দিতা দাসে শোক প্ৰকাশ কৰে। ইয়াৰ লগতে সাংবাদিক পৰিষদ অসমৰ কামৰূপ জিলা সমিতি, বহুবাক, বিষ্ণুপ্ৰিয়া মণিপুৰী সাহিত্য পৰিষদ, সদৌ অসম কলেজ অধ্যক্ষ পৰিষদৰ প্ৰাক্তন সভাপতি অৰুণ শৰ্মা, গুৱাহাটী উচ্চ ন্যায়ালয় বাৰ এছ'চিয়েছনৰ প্ৰধান সম্পাদক জিতেন পায়েং, নিখিল ৰাভা মহিলা পৰিষদ আদিয়েও শোক প্ৰকাশ কৰে।

### ছিপাঝাৰ সাহিত্য সভাৰ শোক

**ছিপাঝাৰৰ অগ্ৰদূত বাৰ্তা ঃ** কথাশিল্পী বৰগোহাঞিৰ প্ৰয়াণত ছিপাঝাৰৰ বিভিন্ন দল-সংগঠনে শোক প্ৰকাশ কৰিছে। ছিপাঝাৰ সাহিত্য সভা, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ছিপাঝাৰ শাখা, বৰদৌলগুৰি সাহিত্য সভা, নান্দনিক সাহিত্য চৰা পথৰুঘাট, সাহিত্য সমালোচক কমলাকান্ত ডেকা, সৎৰাম ডেকা, পথৰু সমন্বয় গোষ্ঠী, পথৰুঘাট আদিয়েও বৰগোহাঞিৰ বিদেহ আত্মাৰ সদগতি কামনা কৰে।

### ঘগ্ৰাপাৰতো বিভিন্নজনৰ শোক

**ঘগ্ৰাপাৰৰ অগ্ৰদূত বাৰ্তা ঃ** বিশিষ্ট সাহিত্যিক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত আজি ঘগ্ৰাপাৰ অঞ্চলতো শোকৰ ছাঁ পৰে। ঘগ্ৰাপাৰ প্ৰেছ ক্লাব, আছু, অজাযুছাপৰ আঞ্চলিক সমিতি, অগপ, ঘগ্ৰাপাৰ হৰি মন্দিৰ সমিতি, প্ৰাক্তন বিধায়ক অশোক শৰ্মা, মদন কলিতা, বৰ্তমানৰ বিধায়ক জয়ন্ত মল্ল বৰুৱা, কংগ্ৰেছ নেতা প্ৰদ্যুৎ কুমাৰ ভূএঞা আদিয়েও গভীৰ শোক ব্যক্ত কৰে।

### কোকৰাঝাৰত বিভিন্নজনৰ শোক

**কোকৰাঝাৰ/দোতমা/ফকিৰাগ্ৰামৰ অগ্ৰদূত বাৰ্তা ঃ** সাহিত্য একাডেমী বঁটাপ্ৰাপক বৰগোহাঞিৰ মৃত্যুত শোক প্ৰকাশ কৰিছে কামতাপুৰ প্ৰগ্ৰেছিভ পাৰ্টিৰ সাধাৰণ সম্পাদক উত্তম কুমাৰ ৰায়ে। সেইদৰে কোচ ৰাজবংশী সাহিত্য সভাৰ সাধাৰণ সম্পাদক প্ৰমোদ কুমাৰ বৰ্মন, জাফাৰ সভাপতি অভিদ্বীপ চৌধুৰী, দোতমা প্ৰেছ ক্লাবৰ সভাপতি কৃষ্ণ বৰ্মন আদিয়েও বৰগোহাঞিৰ মৃত্যুত শোক প্ৰকাশ কৰে। আনহাতে, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱেও শোক প্ৰকাশ কৰি কয় যে বৰগোহাঞিৰ মৃত্যু ৰাজ্যৰ বাবে অপূৰণীয় ক্ষতি। কোকৰাঝাৰ পূবৰ বিধায়ক লৰেন্স ইছলাৰী, এবছুৰ সাধাৰণ সম্পাদক খনিন বসুমতাৰী, বড়ো সাহিত্য সভাৰ কোকৰাঝাৰ জিলা সমিতি, কোকৰাঝাৰ শাখা সাহিত্য সভা, কোকৰাঝাৰ প্ৰেছ ক্লাব, বড়ো ৰাইটাৰ্ছ একাডেমী, কোকৰাঝাৰ ৰঙালী বিহু উৎসৱ পালন সমিতি আদিয়েও বৰগোহাঞিৰ মৃত্যুত শোক প্ৰকাশ কৰে।

### দলগাঁৱতো শোকৰ বন্যা

**দলগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** দলগাঁও অঞ্চলতো আজি বৰগোহাঞিৰ মৃত্যুত শোকৰ ছাঁ পৰে। আমছুৰ ৰাজ্যিক উপদেষ্টা আইনুদ্দিন আহমেদ, সাধাৰণ সম্পাদক আব্দুৰ ৰহমান বিশ্বাস, দৰং জিলা সাংবাদিক সন্থা, বাৰ্তাজীৱী সংঘ, আপকুৰ দৰং জিলা সমিতি, খাৰুপেটীয়া প্ৰেছ ক্লাব, দলগাঁও প্ৰেছ ক্লাব, দলগাঁও সাহিত্য সভা, দৰং জিলা সংখ্যালঘু সংগ্ৰাম সমিতি আদিয়েও গভীৰ শোক প্ৰকাশ কৰিছে।

### নলবাৰী জিলা সাহিত্য সভাৰ শোক

**নলবাৰী/বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰগোহাঞিৰ মৃত্যুত এটা যুগৰ অৱসান ঘটিল বুলি প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে নলবাৰী জিলা সাহিত্য সভাই। আজি জিলা সাহিত্য সভাৰ সভাপতি ধ্ৰুৱজ্যোতি শৰ্মা আৰু সম্পাদক পংকজ বেজবৰুৱাই গভীৰ শোক ব্যক্ত কৰাৰ লগতে জিলা সাহিত্য সভাৰ কাৰ্যালয়ত অসম সাহিত্য সভাৰ পতাকা তিনিদিনৰ বাবে অৰ্ধনমিত কৰি যশস্বী সাহিত্যিকগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সেইদৰে নলবাৰী সহোদৰ, নলবাৰী অৰুণোদয় শাখা সাহিত্য সভা, ৰাজ কদমতল শাখা সাহিত্য সভা, চিফুং দ্য আৰ্টিষ্ট, কবি প্ৰণৱ কুমাৰ বৰ্মন, মননশিল লেখক সুভাষ বৰ্মন, চিত্ৰশিল্পী-কবি অনুপ দত্ত, চিত্ৰশিল্পী অভিনাশ মজুমদাৰ, লেখক-সমালোচক হিতেশ ডেকা, অসম চৰকাৰৰ অৱসৰপ্ৰাপ্ত অৱৰ সচিব ৰমেশ মেধি আদিয়েও বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে।

### শৰণীয়া কছাৰী সাহিত্য সভাৰ শোক

**গোৰেশ্বৰৰ অগ্ৰদূত বাৰ্তা ঃ** সাহিত্য একাডেমী বঁটাপ্ৰাপক বৰগোহাঞিৰ মৃত্যুত শৰণীয়া কছাৰী সাহিত্য সভা, অসমে গভীৰ শোক প্ৰকাশ কৰিছে। সভাৰ সভাপতি সোণবৰ বৰুৱা আৰু সাধাৰণ সম্পাদক ৰোহিত চন্দ্ৰ দাসে কয় যে অসমৰ বৌদ্ধিক আৰু সামাজিক ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে বৰগোহাঞি আমাৰ মাজত চিৰদিনলৈ জ্যোতিস্মান হৈ ৰ'ব।

### ৰঙিয়াত শোকৰ ছাঁ

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** বৰগোহাঞিৰ মৃত্যুত আজি ৰঙিয়া অঞ্চলতো শোকৰ ছাঁ পৰে। ৰঙিয়া আলোচনী সভা, ৰঙিয়াৰ বিধায়ক ভৱেশ কলিতা, প্ৰাক্তন বিধায়ক অনন্ত ডেকা, ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়, ৰঙিয়া প্ৰেছ ক্লাব, পুব ৰঙিয়া প্ৰগতি সংঘ, স্বৰগোষ্ঠী, লেখিকা সমাৰোহ সমিতি, ৰঙিয়া ৰামকৃষ্ণ সেৱাশ্ৰম আদিয়ে গভীৰ শোক প্ৰকাশ কৰে।

### বঙাইগাঁৱতো শোকৰ বন্যা

**বঙাইগাঁৱৰ অগ্ৰদূত ব্যুৰ' ঃ** বঙাইগাঁৱতো আজি সাহিত্যিক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত গভীৰ শোকৰ ছাঁ পৰে। বঙাইগাঁও প্ৰেছ ক্লাব, চিৰাং জিলা প্ৰেছ ক্লাব, বিজনী জাৰ্ণেলিষ্ট ফ'ৰাম, বিজনী প্ৰেছ ক্লাব, বঙাইগাঁও শতদল শাখা সাহিত্য সভা, সদৌ অসম আমোলা সন্থা, কোচ ৰাজবংশী সংগ্ৰাম সমিতি, বঙাইগাঁও জিলা কৰ্মচাৰী পৰিষদ, ভাৰতীয় ইতিহাস সংকলন সমিতি, জিলা সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰে।

### বাহাৰঘাট অঞ্চলত শোক

**বাহাৰঘাটৰ অগ্ৰদূত বাৰ্তা ঃ** সাহিত্যিক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত কামৰূপ-নলবাৰী জিলা সংযোগী বাহাৰঘাট অঞ্চলতো শোকৰ ছাঁ পৰে। বাহাৰঘাট আঞ্চলিক শাখা সাহিত্য সভা, বাহাৰঘাট আঞ্চলিক ছাত্ৰ সন্থা, বৈল্লপেৰা গোষ্ঠী, পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থা, সুদৰ্শন ক্লাব, পশ্চিম বড়িগোগ শাখা সাহিত্য সভা, বালিসত্ৰ সংস্কৃতি সুৰক্ষা মঞ্চ, বালিসত্ৰ শাখা সাহিত্য সভা আদিয়ে শোক প্ৰকাশ কৰে।

### নামনি অসম বাতৰি কাকত পৰিৱেশক সন্থাৰ শোক

**টিহুৰ অগ্ৰদূত বাৰ্তা ঃ** বৰেণ্য সাহিত্যিক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে নামনি অসম বাতৰি কাকত পৰিৱেশক সন্থাই। সন্থাৰ সভাপতি সুৰেন্দ্ৰ চন্দ্ৰ বৈশ্য, সম্পাদকদ্বয় মলয়কান্তি সোণ, ৰাহিদুৰ ৰহমান চহৰীয়া আৰু প্ৰচাৰ তথা সাংগঠনিক সম্পাদক মোহন চন্দ্ৰ কলিতাই এক বিবৃতিযোগে কয় যে বৰগোহাঞিৰ বিয়োগে অসমীয়া সাহিত্য আৰু সংবাদ জগতৰ এক অপূৰণীয় ক্ষতি কৰিলে। অসমবাসীয়ে এগৰাকী প্ৰকৃত অভিভাৱক হেৰুৱালে বুলিও সন্থাই কয়।

### মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ শোক

**নগাঁও/বেৱেজীয়াৰ বিশেষ সংবাদদাতা ঃ** অনন্তধামলৈ গতি কৰা বিশিষ্ট সাহিত্যিক-বুদ্ধিজীৱী বৰগোহাঞিৰ মৃত্যুত নগাঁৱস্থ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই গভীৰ শোক প্ৰকাশ কৰিছে। বৰগোহাঞিৰ মৃত্যুত অসমত জাতীয় জীৱনৰ অপূৰণীয় ক্ষতি বুলি মন্তব্য কৰে বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য ড° হিতেশ ডেকা আৰু পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰাই। লগতে বিশ্ববিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী গোটৰ সভাপতি পবিত্ৰ বৰা আৰু সম্পাদক পৰাগ দাসেও গোটৰ হৈ শোক প্ৰকাশ কৰি বৰগোহাঞিৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰে।

### হোজাই জিলা সাহিত্য সভাৰ শোক ঃ স্মৃতিচাৰণ সভা

**লংকা/হোজাইৰ অগ্ৰদূত বাৰ্তা ঃ** হোজাই জিলা সাহিত্য সভাই আজি বৰগোহাঞিৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। জাতিটোৰ প্ৰতিটো সংকটৰ এসময়ত বৰগোহাঞিয়ে অভিভাৱকৰ দৰে পথ প্ৰদৰ্শন কৰিছিল বুলি সভাই ব্যক্ত কৰিছে। আনহাতে, আজি সন্ধিয়া লংকা সাংবাদিক সন্থাৰ অস্থায়ী কাৰ্যালয়ত এক স্মৃতি তৰ্পণ অনুষ্ঠান আয়োজন কৰা হয়। কাৰ্যসূচী মুকলি কৰে লংকা সাংবাদিক সন্থাৰ সভাপতি মুকুল গোস্বামীয়ে। আনহাতে, আজমল ফাউণ্ডেছন, জিলা সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি ড° সাৰদানন্দ দেৱগোস্বামী, সংযুক্ত মণিপুৰী সংস্থা আদিয়েও গভীৰ শোক প্ৰকাশ কৰে।

### তেজপুৰতো বিভিন্নজনৰ শোক

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** প্ৰথিতযশা সাহিত্যিক-সাংবাদিক বৰগোহাঞিৰ মৃত্যুত তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভা, সাংসদ পল্লৱলোচন দাস, চিপিআই এম এলৰ ৰাজ্যিক সম্পাদক ৰুবুল শৰ্মা, অসম জাতীয় পৰিষদৰ উপ-সভাপতি অঞ্জন উপাধ্যায়, বিশিষ্ট লেখক নৰহৰি চুতীয়া, শোণিতপুৰ জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি মাধুৰ্য গোস্বামী, কবি ৰাজু বৰুৱা, তেজপুৰ পদ্মনাথ গোহাঞিবৰুৱা শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি মৃণালী চেতিয়া, তেজপুৰ সাহিত্য কানন আৰু তেজপুৰ জনসাংস্কৃতিক পৰিষদৰ সম্পাদক মানসপ্ৰতিম শৰ্মা আদিয়েও আজি গভীৰ শোক ব্যক্ত কৰে। সেইদৰে বাণ থিয়েটাৰ, শোণিতপুৰ জিলা ছাত্ৰ সন্থা, তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থা, অসমীয়া ভাষা উন্নতি সাধিনী সভা, জিলা সাহিত্য সভা, বাঁহবাৰী ঊষা নাট্য সমাজ, নটৰাজম কলা মন্দিৰ, তেজপুৰ লেখিকা সমাৰোহ, বিহু কৃষ্টি পৰিষদ, তেজপুৰ জিলা কৰ্মচাৰী পৰিষদ, পদ্মনাথ গোহাঞি বৰুৱা শাখা সাহিত্য সভা, তেজপুৰ অৱসৰপ্ৰাপ্ত শিক্ষক ঐক্যমঞ্চ, তেজপুৰ কবি সন্মিলন, তেজপুৰ সাহিত্য সভা, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়ন, আজু, শোণিতপুৰ প্ৰেছ ক্লাব আদিয়ে গভীৰ শোক প্ৰকাশ কৰে।

### ভেৰগাঁও মহকুমাত শোক

**টংলাৰ অগ্ৰদূত বাৰ্তা ঃ** ভেৰগাঁও মহকুমাতো আজি বৰগোহাঞিৰ মৃত্যুত শোকৰ ছাঁ পৰে। টংলা প্ৰেছ ক্লাব, ভেৰগাঁও প্ৰেছ ক্লাব, ভেৰগাঁও আঞ্চলিক বড়ো সাহিত্য সভা, ৰাভা সাহিত্য সভা, এবছু, আৰছু, ভেৰগাঁও সাহিত্য সভা, টংলা শতদল সাহিত্য সভা, পূৰণদিয়া সাহিত্য সভা, ওদালগুৰি জিলা সাহিত্য সভা, টংলা লেখিকা সমাৰোহৰ উপৰি সাহিত্যিক জয়ন্ত কুমাৰ চক্ৰৱৰ্তী, অসম সাংস্কৃতিক মহাসভাৰ কাৰ্যকৰী সভাপতি ড° হৰিৰাম দাস, সাহিত্যিক মনোৰমা দাস মেধি, ড° ৰিতা বড়ো, ৰাভা শিল্পী আৰু লেখক মঞ্চৰ সম্পাদক সুৰেন্দ্ৰ মোহন ৰাভা, জিলা আক্ৰাছু পশ্চিমৰ সভাপতি হেমন্ত বৰা আদিয়েও গভীৰ শোক প্ৰকাশ কৰে।

### বাগ্‌সাত শোকৰ ছাঁ

**মুছলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** সাহিত্য তথা সংবাদ মাধ্যমৰ জগতখনলৈ অনবদ্য অৱদান আগবঢ়োৱা বৰগোহাঞিৰ মৃত্যুত আজি বাগ্‌সা জিলাতো শোকৰ ছাঁ পৰে। জিলাখনৰ একাধিক সাংবাদিক সন্থাই আজি গভীৰ শোক প্ৰকাশ কৰে। সেইদৰে নৱনিযুক্ত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, লেখক সুৰেন্দ্ৰ নাথ বৰ্মা, বিটিচিৰ কাৰ্যবাহী সদস্য ধনেশ্যাম দাস, বাগ্‌সা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভানেত্ৰী পুতুল চৌধুৰী দেউৰী, বিটিএডি সাংবাদিক সন্থাৰ উপ-সভাপতি নিৰেন কুমাৰ শৰ্মা আদিয়েও শোক প্ৰকাশ কৰি বৰগোহাঞিৰ বিদেহ আত্মাৰ সদগতি কামনা কৰে।

### পশ্চিম নলবাৰীৰ বিভিন্নজনৰ শোক প্ৰকাশ

**চামতাৰ অগ্ৰদূত বাৰ্তা ঃ** অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰগোহাঞিৰ মৃত্যুত পশ্চিম নলবাৰী অঞ্চলৰ বিভিন্নজনে শোক প্ৰকাশ কৰিছে। পশ্চিম নলবাৰী প্ৰেছ ক্লাব, কামৰূপ মহাবিদ্যালয়, শ্ৰীমন্ত কলা নিকেতন, প্ৰত্যুষ সাহিত্য গোষ্ঠী, পশ্চিম নলবাৰী আঞ্চলিক কৰ্মচাৰী পৰিষদ, প্ৰেৰণা পুথিভঁৰাল, ৰাইজৰ দলৰ নলবাৰী জিলা সমিতিৰ লগতে সাহিত্যিক পেঞ্চনাৰ ড° খগেন ডেকাই গভীৰ শোক প্ৰকাশ কৰে।

### বিশ্বনাথ চাৰিআলিতো শোক

**বিশ্বনাথ চাৰিআলিৰ অগ্ৰদূত বাৰ্তা ঃ** কথাশিল্পী বৰগোহাঞিৰ মৃত্যুত আজি বিশ্বনাথ জিলাতো শোকৰ ছাঁ পৰে। বিশ্বনাথ চাৰিআলিৰ বিধায়ক প্ৰমোদ বৰঠাকুৰ, বিহালীৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰঞ্জিত দত্ত, বিহালীৰ জিলা সাংবাদিক সন্থাৰ সভাপতি নৰেন বৰা, আমছুৰ উপ-সভাপতি ছাইফুদ্দিন আহমেদ, অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য হিৰণ্য হাজৰিকা, জ্যেষ্ঠ নাগৰিক সন্থাৰ সভাপতি ডাঃ নিত্যানন্দন গগৈ, জিলা কংগ্ৰেছৰ সভাপতি দিলীপ বৰুৱা, বিশ্বনাথ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চিন্তামণি শৰ্মা, বিশ্বনাথ চাৰিআলি নাগৰিক সন্থাৰ সভাপতি অপূৰ্ব কুমাৰ দাস, অজাপৰ বিশ্বনাথ জিলাৰ সভাপতি অমৃত হাজৰিকা আদিয়েও গভীৰ শোক ব্যক্ত কৰে।

### পাটাছাৰকুছিত শোকৰ বন্যা

**পাটাছাৰকুছি ঃ** পাটাছাৰকুছি অঞ্চলতো আজি সাহিত্যিক বৰগোহাঞিৰ মৃত্যুত শোকৰ ছাঁ পৰে। বজালীৰ মৰিপুৰ, আনন্দপুৰৰ কপিলী শাখা সাহিত্য সভা, পাটাছাৰকুছি প্ৰেছ ক্লাব, বজালী জিলা সাংবাদিক সন্থা, পাটাছাৰকুছি উন্নয়ন সমিতি আদিয়েও গভীৰ শোক জ্ঞাপন কৰে।

### তামুলপুৰত বিভিন্নজনৰ শোক

**তামলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** তামুলপুৰতো আজি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তি বিশেষে সাহিত্যিক বৰগোহাঞিৰ মৃত্যুত শোক প্ৰকাশ কৰে। তামুলপুৰ প্ৰেছ ক্লাবৰ লগতে তামুলপুৰৰ প্ৰাক্তন বিধায়ক ইমানুৱেল মুছাহাৰী, বিটিচি পৰিষদৰ মনোনীত সদস্য হেমন্ত কুমাৰ ৰাভা, বাৰ্তা পুখুৰী তথা অসম সাহিত্য সভাৰ বাৰ্তা সম্পাদক ব্ৰজেন্দ্ৰ নাথ ডেকা, তামুলপুৰ শাখা সাহিত্য সভা, তামুলপুৰ আঞ্চলিক বড়ো সাহিত্য সভা, শৰণীয়া কছাৰী সাহিত্য সভা, সাহিত্য একাডেমী বঁটাপ্ৰাপক যুৱ কবি দ্বিজেন দাস, এ বি এমছুৰ সাধাৰণ সম্পাদক তাইছন হুছেইন, অসম ওড়িয়া যুৱ-ছাত্ৰ পৰিষদ, তামুলপুৰ মহকুমা ছাত্ৰ সন্থা, তামুলপুৰ আক্ৰাছু, তামুলপুৰ আৰছু, তামুলপুৰ কলিতা জনগোষ্ঠী সন্মিলনী, তামুলপুৰ শাখা নাট্য সন্মিলনী আদিয়ে শোক প্ৰকাশ কৰে।

### অসম ব্ৰাহ্মণ সমাজৰ শোক

**মৰিগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** কথাশিল্পী বৰগোহাঞিৰ মৃত্যুত অসম ব্ৰাহ্মণ সমাজৰ লগতে অসম যুৱ ব্ৰাহ্মণ সমাজ, অসম মহিলা ব্ৰাহ্মণ সমাজে গভীৰ শোক পালন কৰিছে। ইয়াৰ উপৰি মৰিগাঁও শাখা সাহিত্য সভা আৰু জিলা সাহিত্য সভাই তিনিদিনলৈ সভাৰ পতাকা অৰ্ধনমিত ৰখাৰ সিদ্ধান্ত লয়। সেইদৰে জিলাখনৰ বিভিন্ন জাতীয় সংগঠন, অসম সত্ৰ মহাসভা, জিলা কৰ্মচাৰী পৰিষদ, জিলা ছাত্ৰ সন্থা, জিলা অজাযুছাপ, মৰিগাঁও সদৰ ছাত্ৰ সন্থা, অসম উন্নতি সভা আদিয়েও গভীৰ শোক প্ৰকাশ কৰে।

### অসমীয়া সাহিত্য জগতৰ এজোপা বৰ গছ উভালি পৰিল

**সৰুপেটাৰ অগ্ৰদূত বাৰ্তা ঃ** সৰুপেটাতো আজি অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰগোহাঞিৰ মৃত্যুত বিভিন্নজনে গভীৰ শোক ব্যক্ত কৰে। বৰগোহাঞিৰ মৃত্যুৰ বাতৰিয়ে দেশ-মন এক বেদনাগধুৰ অনুভূতিৰে ভৰাই তোলে বুলি মন্তব্য কৰে অসম সাহিত্য সভাৰ বৰপেটা জিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী ড° অমিয় মহন্তই। তেওঁ লগতে কয় যে অসমীয়া সাহিত্য জগতখনৰ এজোপা বৰ গছও ভাঙি পৰিল। সেইদৰে বৰপেটা জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰামকৃষ্ণ তালুকদাৰে অসমীয়া জাতিটোৱে জাতিটোক এক নতুন গতিপথ দেখুৱাবলৈ অহোপুৰুষাৰ্থ কৰা এগৰাকী নিঃস্বাৰ্থ, নিৰপেক্ষ সাংবাদিকৰ লগতে এগৰাকী গভীৰ চিন্তাপুষ্ট, বৌদ্ধিক জ্ঞানসম্পন্ন ব্যক্তিক হেৰুৱালে। ইয়াৰ উপৰি সৰুপেটা শাখা লেখিকা সমাৰোহ সমিতি, ঐক্যতান সৰুপেটা, অসম সাহিত্য সভাৰ বৰপেটা, চিৰাং, বাগ্‌সা জিলাৰ মাতৃভাষা আৰু ৰাজ্য ভাষা কমিটী, বৰপেটা জিলা সাহিত্য পৰিষদ আদিয়েও গভীৰ শোক ব্যক্ত কৰে।

### বজালীত শোকৰ বন্যা

**পাঠশালাৰ অগ্ৰদূত বাৰ্তা ঃ** বজালী জিলাতো আজি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বৰগোহাঞিৰ মৃত্যুত শোকৰ ছাঁ পৰে। উল্লেখ্য যে বৰগোহাঞিৰ স'তে বজালীৰ এক সুসম্পৰ্ক আছিল। তেওঁৰ মৃত্যুত ভৱানীপুৰৰ বিধায়ক ফণীধৰ তালুকদাৰ, সৰুক্ষেত্ৰীৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰ, বজালীৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱা, আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ দাস, ভ্ৰাম্যমাণ নাট্য আন্দোলনৰ অন্যতম পুৰোধা কৃষ্ণ ৰয়, বিশিষ্ট শিক্ষাবিদ ড° ৰঞ্জিত ডেকা, অসম জাতীয় যুৱ ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক মৃদুল তালুকদাৰ, বজালী বিজেপিৰ সভাপতি নগেন চৌধুৰী, ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি অনুপ বৰ্মন, পৰিহৰেশ্বৰ ডুবি দেৱালয়ৰ সম্পাদক ৰোহিনী শৰ্মা, বিশিষ্ট সাংস্কৃতিক কৰ্মী গোপাল জালান, নাট্যকাৰ কিশোৰ তালুকদাৰ, শিশু নাট্যকাৰ নিতুল মেধি, যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক বিজন বায়ন, চিকিৎসক ডাঃ হিতেশ তালুকদাৰ, ডাঃ কুলেন কাকতি, ডাঃ নিউটন দাস, বিজেপি নেতা ৰঞ্জিত শালৈ, অগপ নেতা জিণ্টু চৌধুৰী, নিৰন্ধকাৰ পুলু কুমাৰ শৰ্মা, কংগ্ৰেছ নেতা শান্তনু শৰ্মা, গিৰিশ পাটগিৰি, আছুৰ কাৰ্যালয় সম্পাদক সমুদ্ৰ পাটগিৰি, আছু নেতা বিশ্বজিৎ গাংগুলী, হিমাংশু শৰ্মাৰ উপৰি কৃষ্ণকান্ত সন্দিকৈ জুনিয়ৰ কলেজৰ পৰিয়াল, পাঠশালা সাহিত্য সভা, বজালী জিলা সাংবাদিক সন্থা, পাঠশালা বজাৰ সমিতি, ইণ্ডিয়ান জাৰ্ণেলিষ্ট ইউনিয়নৰ জিলা সমিতি, উদয়ন সংঘ, পাঠশালা প্ৰেছ ক্লাব, পাটাছাৰকুছি প্ৰেছ ক্লাব, পাঠশালা বজাৰ সমিতি আদিয়েও গভীৰ শোক প্ৰকাশ কৰে।

### হাউলীত শোকৰ বন্যা

**হাউলী ঃ** হাউলী অঞ্চলতো আজি বৰগোহাঞিৰ মৃত্যুত শোকৰ ছাঁ পৰে। বৰপেটা জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি মাধৱ ভূএঞা আৰু সম্পাদক উৎপল দাসৰ উপৰি হাউলী সাহিত্য সভা, হাউলী কবি সন্মিলন, বৰপেটা জিলা সাংবাদিক সন্থা, হাউলীৰ সাংবাদিক দিদাৰ হুছেইন, কৌশিক কমল দাস, নিতুমণি দাস, নয়নমণি ওজা আদিয়েও গভীৰ শোক প্ৰকাশ কৰে।

# বৰহোলাত ক’ভিড প্ৰতিষেধক বিচাৰি ৰাইজৰ হাহাকাৰ

**বিশেষ সংবাদদাতা**

**নগাবাট, ১২ মে’ ঃ** এফালে, কৰ’না সংক্ৰমণৰ ভয় আনফালে এটা ক’ভিড প্ৰতিষেধক বিচাৰি চিকিৎসালয়সমূহত হাহাকাৰ কৰিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে তিতাবৰ মহকুমাৰ সীমান্তৱৰ্তী গ্ৰামাঞ্চলত। উল্লেখ্য যে মহকুমাটোৰ অন্তৰ্গত বৰহোলা সামূহিক চিকিৎসালয়, ৰাইডাংজুৰি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু বেঁকাজান ক্ষুদ্ৰ স্বাস্থ্য কেন্দ্ৰৰ দ্বাৰা স্বাস্থ্য বিভাগে বৃহত্তৰ বৰহোলা, নগাবাট আৰু বেঁকাজানবাসী ৰাইজক প্ৰতিষেধক প্ৰদানৰ পদক্ষেপ লৈছিল। কিন্তু শেহতীয়াকৈ বিগত সাতদিন ধৰি এই চিকিৎসা কেন্দ্ৰকেইটাত প্ৰতিষেধকৰ অভাৱ হোৱাত বিমোৰত পৰিছে স্থানীয় জনসাধাৰণ। কিয়নো এই পৰ্যন্ত অঞ্চলকেইটাৰ অধিকাংশ লোক প্ৰতিষেধক পাবলৈ সক্ষম হোৱা নাই। ইয়াৰ পৰিপ্ৰেক্ষিতত ৪৫ বছৰৰ ঊৰ্ধৰ আৰু ১৮ বছৰৰ ঊৰ্ধৰ লোকসকলে এতিয়া

## পৰ্যাপ্ত প্ৰতিষেধক উপলব্ধ কৰাৰ আহ্বান আছুৰ

একোটা প্ৰতিষেধক বিচাৰি দৈনিক চিকিৎসা কেন্দ্ৰকেইটাত উপস্থিত হৈ হাহাকাৰ কৰিবলগীয়া হোৱাৰ অভিযোগ উঠিছে। ইফালে, তিতাবৰ মহকুমাৰ কে’বাখনো গাঁৱত নিতৌ ক’ভিড-১৯ত আক্ৰান্ত হোৱা লোকৰ সংখ্যা বৃদ্ধি পোৱাৰ খবৰ আহিছে। বৰহোলা আৰু নগাবাটৰ কে’বাজনো ভুক্তভোগী লোকে অতি ক্ষোভ প্ৰকাশ কৰি কয় যে বৰ্তমান কৰ’নাৰ দ্বিতীয় ঢৌৱে সমগ্ৰ ৰাজ্যতে বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। এনে সময়ত গ্ৰামাঞ্চলৰ বয়স্থ লোকসকল ক’ভিডত আক্ৰান্ত হোৱাৰ যথেষ্ট সম্ভাৱনা বৃদ্ধি পাইছে। কিন্তু যোৰহাট জিলা স্বাস্থ্য বিভাগৰ হেমাহিৰ বাবে এতিয়া ভিতৰুৱা গ্ৰামাঞ্চলত থকা চিকিৎসালয়সমূহত পৰ্যাপ্ত প্ৰতিষেধক উপলব্ধ নোহোৱাৰ বাবে হেজাৰ হেজাৰ লোক প্ৰতিষেধক লাভৰ পৰা বঞ্চিত হোৱাটো অতি দুৰ্ভাগ্যজনক বুলি ব্যক্ত কৰে কে’বাজনো ভুক্তভোগীয়ে। আনহাতে, প্ৰতিষেধক লাভ কৰিবলৈ ১৮ বছৰৰ ঊৰ্ধৰ ব্যক্তিসকলে কৰিবলগীয়া হোৱা অনলাইন বুকিঙৰ অতি জটিল প্ৰক্ৰিয়াটোৱে ৰাইজক অধিক সমস্যাৰ সৃষ্টি কৰিছে। অঞ্চলকেইটাৰ ৰাইজে প্ৰতিষেধক বিচাৰি হাহাকাৰ কৰিবলগীয়া হোৱা এনে ঘটনাক তিতাবৰ মহকুমা ছাত্ৰ সন্থা আৰু বৰহোলা আঞ্চলিক ছাত্ৰ সন্থায়ো গভীৰ উদ্বেগ দপ্ৰকাশ কৰি সমগ্ৰ বিষয়টোত স্বাস্থ্য বিভাগৰ ঊৰ্ধতন কৰ্তৃপক্ষৰ হস্তক্ষেপ দাবী জনাইছে। বৰহোলা, নগাবাট আৰু বেঁকাজানৰ লগতে তিতাবৰ মহকুমাৰ সকলো গ্ৰামাঞ্চলৰ ১৮ আৰু ৪৫ বয়সৰ ঊৰ্ধৰ ব্যক্তিক শীঘ্ৰে প্ৰতিষেধক প্ৰদানৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে আছুৱে।

# গোসাঁইগাঁৱত ‘বড়ো মাতৃ দিৱস’ উদ্‌যাপন



**অগ্ৰদূত বাৰ্তা**

**দোতমা, ১২ মে’ ঃ** গোসাঁইগাঁও মহকুমাৰ বাসুগাঁৱত নিখিল বড়ো ছাত্ৰ সন্থা আৰু সদৌ মহিলা কল্যাণ পৰিষদৰ উদ্যোগত ‘বড়ো মাতৃ দিৱস’ উদ্‌যাপন কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে ১৯৮৭ত উপেন্দ্ৰ নাথ ব্ৰহ্মৰ নেতৃত্বত বড়ো আন্দোলনৰ আৰম্ভ হৈছিল। বড়ো আন্দোলনত ছহিদ হোৱা হেলেনা বসুমতাৰী আৰু গাইডে বসুমতাৰীক ১৯৮৮ৰ আজিৰ দিনত অসম আৰক্ষীয়ে গুলীয়াই হত্যা কৰিছিল। তাৰ পৰিপ্ৰেক্ষিতত আজিৰ দিনটো বড়ো জনগোষ্ঠীৰ লোকসকলে ‘বড়ো মাতৃ দিৱস’ হিচাপে উদ্‌যাপন কৰে। অনুষ্ঠানত উপস্থিত থাকে এবছুৰ কেন্দ্ৰীয় সভাপতি দ্বীপেন বড়ো, বিটিচিৰ কাৰ্যবাহী সদস্য ৰেওৰেওৱা নাৰ্জাৰী, স্থানীয় সমাজ-সেৱিকা তথা বাসুগাঁও এম ই স্কুলৰ প্ৰাক্তন প্ৰধান আচাৰ্য্য দিকিশ্বৰী মুছাহাৰী, ইউপিপিএলৰ সোমনাথ নাৰ্জাৰী, জিৰণ বসুমতাৰী, দীপক মুছাহাৰীৰ লগতে এবছুৰ জিলা, আঞ্চলিক কমিটীৰ বিভিন্ন কৰ্মকৰ্তা।

# মুকলি নহ’ল নগাঁৱৰ নৱৰূপ জাতীয় বিদ্যাপীঠত বৰগোহাঞিৰ নামত উছৰ্গা কৰা কোঠা



**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ মে’ ঃ** প্ৰথিতযশা সাহিত্যিক, সাংবাদিক, কবি-ঔপন্যাসিক হোমেন বৰগোহাঞিৰ মৃত্যুৰ বাতৰিটোত ম্ৰিয়মান হৈ পৰিছে নগাঁৱৰ অসমীয়া মাধ্যমৰ অগ্ৰণী শিক্ষানুষ্ঠান নৱৰূপ জাতীয় বিদ্যাপীঠৰ পৰিয়ালবৰ্গ। শিক্ষানুষ্ঠানখনৰ নৱনিৰ্মিত কে’বা মহলীয়া বিদ্যালয় গৃহৰ এটি কোঠা ‘হোমেন বৰগোহাঞি’ৰ নামত উছৰ্গা কৰা হৈছিল। ইতিমধ্যে ৰাজ্যখনৰ বহুকেইগৰাকী স্বনামধন্য ব্যক্তিৰ জীৱিত অৱস্থাতে সন্মান প্ৰদৰ্শন কৰাৰ অংশ স্বৰূপে বৰগোহাঞিৰ ক্ষেত্ৰতো একেই সন্মান জনোৱাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। সেই অনুসৰি বিশিষ্ট সাংবাদিক, যুগদ্ৰষ্টা বৰগোহাঞিয়ে নিজ হাতেৰে কোঠাটো উন্মোচন কৰা কথা আছিল আৰু ক’ভিড পৰিস্থিতি অন্ত পৰিলেই তেওঁ বিদ্যালয়খনত অনুষ্ঠিতব্য এক অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ কথা অৱগত কৰিছিল। ইয়াৰ উপৰি তেওঁৰ সৃষ্টিৰাজিৰ সকলো গ্ৰন্থৰ একোখনকৈ গ্ৰন্থ নৱৰূপ জাতীয় বিদ্যাপীঠৰ ‘দেৱকান্ত বৰুৱা পুথিভঁৰাল’লৈ প্ৰদান কৰাৰ মন মেলিছিল সাহিত্যিক বৰগোহাঞিয়ে। কিন্তু সেই আশা-প্ৰত্যাশা বুকুতে বান্ধি বৰগোহাঞিয়ে পৰলোকলৈ গমন কৰিলে।

# মন্ত্ৰী ৰঞ্জিত দাসক টিহু উন্নয়ন সমিতিৰ সম্বৰ্ধনা জ্ঞাপন



**অগ্ৰদূত বাৰ্তা**

**টিহু, ১২ মে’ ঃ** ৰাজ্য চৰকাৰৰ নতুন মন্ত্ৰীসভা গঠনৰ পাছতে আজি বিপুল ভোটত জয়লাভ কৰা পাটাছাৰকুছি বিধানসভা সমষ্টিৰ বিধায়ক তথা ৰাজ্য চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসক টিহু আঞ্চলিক উন্নয়ন সমিতিৰ প্ৰতিনিধি দল এটাই ৰাজধানী দিছপুৰৰ আবাসত সাক্ষাৎ কৰি টিহুবাসীৰ হৈ আদৰণি জনায়। টিহু উন্নয়ন সমিতিৰ উপদেষ্টা শংকৰ কুমাৰ দাস, কাৰ্যকৰী সভাপতি ড° সুৰজিত বৰ্মন, উপ-সভাপতিদ্বয় কুলেশ শৰ্মা আৰু ভৱেশ চন্দ্ৰ দাস, সম্পাদক বসন্ত কুমাৰ কলিতাকে ধৰি অজিত কুমাৰ শৰ্মা, পৱন হালৈ, হেমেন শৰ্মা আদিয়ে অংশগ্ৰহণ কৰা নজনীয়া প্ৰতিনিধি দলটোৱে ৰাজ্য চৰকাৰৰ নৱনিৰ্বাচিত মন্ত্ৰী দাসক এখন পাট কাপোৰৰ ফুলাম গামোচা, এখন মানপত্ৰ, এখন কাঁহৰ বঁটাৰে সম্বৰ্ধনা জ্ঞাপন কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি মন্ত্ৰী দাসে পাটাছাৰকুছি সমষ্টিৰ লগতে টিহু অঞ্চলৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰিব বুলি প্ৰতিনিধি দলটোক আশ্বাস দিয়ে।

# কৰ’না মহামাৰীৰ আগ্ৰাসনৰ মাজতে বাগ্‌সাত গ্ৰন্থ উন্মোচন

**অগ্ৰদূত বাৰ্তা**

**জালাহ, ১২ মে’ ঃ** কৰ’না মহামাৰীৰ দ্ৰুত সংক্ৰমণে দেশজুৰি সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়তে সাহিত্যানুৰাগীলৈ আশাৰ বাৰ্তা কঢ়িয়াই নগাঁৱৰ আনন্দ প্ৰকাশৰ হৈ জনপ্ৰিয় লেখক আমিনুৰ ৰহমানৰ প্ৰচেষ্টাত তৰুণ প্ৰজন্মৰ সম্ভাৱনাপূৰ্ণ লেখক নৱজিৎ দাসৰ দ্বিতীয়খন কাব্যগ্ৰন্থ ‘উদং বুকু তোৰেই অপেক্ষাত’ যোৱা ১০ মে’ত জন্মদিনৰ লগত সংগতি ৰাখি অৱসৰপ্ৰাপ্ত শিক্ষক-সমাজকৰ্মী পিতৃ মনোৰঞ্জন দাস আৰু সবিতা দাসে শালবাৰী মহকুমাৰ চৰ্নাবজাৰস্থিত নিজ বাসগৃহত উন্মোচন কৰে। কনিষ্ঠ পুত্ৰৰ জন্মদিনৰ দিনটোতে গ্ৰন্থখন উন্মোচন কৰি সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে পুত্ৰৰ জন্মদিনত পিতৃ-মাতৃলৈ এয়া শ্ৰেষ্ঠ উপহাৰ বুলি উল্লেখ কৰে। লেখকজনৰ জ্যেষ্ঠ ভ্ৰাতৃ তথা বাপুজী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক ড° ৰাতুল দাসে কৰ’না মহামাৰীৰ জটিল সন্ধিক্ষণত গ্ৰন্থ উন্মোচনৰ দৰে ধনাত্মক বাতৰিয়ে সমাজলৈ আশাৰ বাৰ্তা কঢ়িয়াব বুলি মতপোষণ কৰে। পৰৱৰ্তী সময়ত ‘ইছাৰা’ নামৰ এখন গল্প সংকলন প্ৰকাশ কৰাৰ লগতে এখন উপন্যাসৰ কাম হাতত লোৱা বুলিও সদৰী কৰে লেখক দাসে ক’ভিড প্ৰট’কল মানি চলি ঘৰুৱাভাৱে অনুষ্ঠিত কৰা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত উপস্থিত থাকে বৰ্ণালী দাস, অংকুস্মিতা দাস, বনমালী দাস, প্ৰান্তি কাকতি, জিন্তি কাকতি, ধনেশ্বৰ কলিতাকে আদি কৰি নিৰ্দিষ্ট সংখ্যক বন্ধু-বান্ধৱী আৰু শুভাকাংক্ষী।

# মুদৈজানত যুৱকৰ মৃত্যুক লৈ আতংক

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১২ মে’ ঃ** সমগ্ৰ ৰাজ্যতে মহামাৰী কৰ’না ভাইৰাছে ত্ৰাসৰ সৃষ্টি কৰা সময়তে আজি টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত ঢেকীয়ানি ভৰলুৱা গাঁৱৰ এজন যুৱকৰ মৃত্যু হয়। নিহত যুৱকজনৰ নাম হৰেন নেওগ (৪৩)। কিছুদিনৰ পৰা শাৰীৰিক অসুস্থতাত ভুগি থকা যুৱকজন কৰ’নাত আক্ৰান্ত বুলি অঞ্চলটোৰ বিভিন্নজনে সন্দেহ কৰিছিল। যাৰ বাবে গাঁওখনত এক আতংকৰ সৃষ্টি হৈছিল। অৱশ্যে মৃতদেহ পৰীক্ষা কৰাত কৰ’না নিগেটিভ পোৱা বুলি স্বাস্থ্য বিভাগে সদৰী কৰিছে। বিভিন্ন অঞ্চলত হাজিৰা কাম-বন কৰি জীৱিকা নিৰ্বাহ কৰা যুৱকজনে অত্যধিক মদ্যপান কৰিছিল। আনহাতে, যুৱকজনৰ বৃদ্ধ পিতৃৰ পৰীক্ষাৰ অন্তত ক’ভিড পজিটিভ ধৰা পৰে।

# চতিয়াত ক’ভিড নিয়ম মানিবলৈ ৰাইজক আৰক্ষীৰ আহ্বান

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১২ মে’ ঃ** মহামাৰী কৰ’নাৰ দ্ৰুত সংক্ৰমণত দিশহাৰা হৈছে ৰাজ্যবাসী। কৰ’নাৰ ভয়ংকৰ সংক্ৰমণে চিন্তিত কৰি তুলিছে জামুগুৰিহাট আৰু চতিয়াৰ জনসাধাৰণকো। জামুগুৰিহাটত ইতিমধ্যে কৰ’নাত আক্ৰান্তৰ সংখ্যাই ডেৰ শতাধিকৰ সংখ্যা অতিক্ৰম কৰাৰ বিপৰীতে চতিয়াতো শতকৰ সংখ্যা অতিক্ৰম কৰিছে আক্ৰান্তৰ সংখ্যাই। অঞ্চলটোত দ্ৰুতগতিত কৰ’না সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়ত জিলা প্ৰশাসনৰ ফালৰ পৰা জামুগুৰিহাট ব্যৱসায়িক কেন্দ্ৰস্থলত ছেনিটাইজ কৰা হৈছে যদিও অঞ্চলটোৰ সচেতন ৰাইজে অঞ্চলটোৰ ভিতৰ স্থানতো প্ৰশাসনক ছেনিটাইজৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। চতিয়াতো ক’ভিড বিধি নমনাৰ বিৰুদ্ধে সক্ৰিয় হৈছে আৰক্ষী। জনসমাগম হোৱা স্থানত আৰক্ষীয়ে ছত্ৰভংগ দিয়াইছে। অঞ্চলটোত ক’ভিড প্ৰট’কল মানি চলিবৰ বাবে ৰাইজক চতিয়া আৰক্ষীয়ে মাইকযোগে আহ্বান জনাইছে।

# গ্ৰামসেৱক দিলীপ কুমাৰ ৰাভাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ মে’ ঃ** গোৱালপাৰা জিলাৰ মৰনৈ আৰক্ষী থানাৰ অন্তৰ্গত দহিকাটা নিবাসী অৱসৰপ্ৰাপ্ত কৃষি বিভাগৰ গ্ৰামসেৱক দিলীপ কুমাৰ ৰাভা (৬১)ৰ যোৱা নিশা নিজ বাসভৱনত মৃত্যু হয়। ১৯৯৩ত দুধনৈ পশ্চিমাঞ্চল ৰাভা সন্মিলন আৰু বৰী আঞ্চলিক ৰাবা সন্মিলনৰ সম্পাদক আছিল। লগতে স্থানীয় বায়খো পূজা সমিতি, ফুটবল খেল পৰিচালনা সমিতিৰ স’তে জড়িত আছিল। তেওঁৰ মৃত্যুত দুধনৈ পশ্চিমাঞ্চল ৰাভা সন্মিলন আৰু বৰী আঞ্চলিক ৰাভা জামাদে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ এজন পুত্ৰ আৰু দুগৰাকী জীয়ৰীক ইহসংসাৰত এৰি যায়।



*ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত আন্তৰ্জাতিক নাৰ্চ দিৱস পালন, বুধবাৰে।*

# মুখ্যমন্ত্ৰীক শুৱালকুছিৰ তাঁতশিল্প পুনৰুদ্ধাৰৰ ব্যৱস্থা গ্ৰহণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১২ মে’ ঃ** বহু জল্পনা-কল্পনাৰ অন্তত অসম বিধানসভাৰ পঞ্চদশ মুখ্যমন্ত্ৰীৰ পদত স্থলষিভিক্ত হ’ল ৰাজ্যৰ ৰাজনীতিৰ চাণক্য স্বৰূপ ড° হিমন্ত বিশ্ব শৰ্মা। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত শুৱালকুছিৰ বিশ্ব বিনন্দীয়া পাট-মুগাৰ বস্ত্ৰশিল্প আজি বিভিন্ন সমস্যাত জৰ্জৰিত। ইয়াৰ লগত জড়িত শিপিনী-বোৱনী সকলো নানান সমস্যাত ভুগি আছে। সেয়েহে সমষ্টিটোত বিগত ২০টা বছৰে প্ৰতিনিধিত্ব কৰা বৰ্তমানৰ নতুন মুখ্যমন্ত্ৰী ড° শৰ্মাই শুৱালকুছিৰ বস্ত্ৰশিল্পটোক গুৰুত্ব দি শিল্পটোলৈ যাতে এক আমূল পৰিৱৰ্তন আনি ইয়াৰ লগত জড়িতসকলৰ মুখলৈ আশাৰ ৰেঙণি আনে তাৰ বাবে শুৱালকুছিৰ সৰ্বস্তৰৰ ৰাইজে আহ্বান জনাইছে। তলাবন্ধই জুৰুলা কৰা শুৱালকুছিৰ মহিমামণ্ডিত তাঁতশিল্প আৰু শিপিনীসকলৰ সম্প্ৰতি পানীত হাঁহ নচৰা অৱস্থা। ইয়াৰ পূৰ্বেও চৰকাৰে শিল্পটো সম্পৰ্কত বিভিন্ন আঁচনি ঘোষণা কৰিছিল যদিও সেই আঁচনিসমূহে শিল্পটোৰ বিশেষ কোনো উন্নতি কৰিব নোৱাৰিলে। কথা আৰু কামৰ সামঞ্জস্য ৰখা ৰাজ্যৰ জ্যেষ্ঠ ৰাজনীতিবিদ তথা জালুকবাৰী সমষ্টিৰ বিধায়ক বস্ত্ৰনগৰীবাসীৰ জনপ্ৰতিনিধি ড° হিমন্ত বিশ্ব শৰ্মাই ঐতিহ্যমণ্ডিত তাঁত শিল্পটোৰ পুনৰুদ্ধাৰ কৰাৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে অনুৰোধ জনাইছে।

# কৰ’না পৰিস্থিতি মোকাবিলা কৰিবলৈ সক্ৰিয় গোৱালপাৰা জিলা প্ৰশাসন

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১২ মে’ ঃ** সমগ্ৰ দেশৰ লগতে গোৱালপাৰা জিলাতো কৰ’না অতিমাৰীয়ে ভয়াৱহ ৰূপ লোৱা পৰিলক্ষিত হৈছে। ক’ভিড-১৯ৰ দ্বিতীয় প্ৰবাহৰ দ্ৰুত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি গোৱালপাৰা জিলা প্ৰশাসনে যি কোনো পৰিস্থিতি মোকাবিলা কৰিবলৈ সাজু হৈছে। জিলা তথ্য আৰু জনসংযোগ বিভাগে এক বিজ্ঞপ্তিযোগে জনোৱা মতে, সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে জিলা ভিত্তিক, ৰাজহ চক্ৰ ভিত্তিক আৰু কণ্টেইনমেণ্ট জ’ন পৰিচালনা কৰিবলৈ গাঁও আৰু ৱাৰ্ড ভিত্তিক তদাৰকী কমিটী গঠন কৰা হৈছে। ইয়াৰ উপৰি প্ৰত্যেক চক্ৰতে একোটাকৈ টাস্ক ফ’ৰ্চ গঠন কৰা হৈছে। এই বিশেষ কৰ্মীৰ দলসমূহে ক’ভিড সম্পৰ্কীয় যিকোনো পৰিস্থিতিৰ সন্মুখীন হ’বলৈ সাজু কৰি ৰখা হৈছে আৰু তেওঁলোকে ব্যাপক হাৰত হাট-বজাৰ আৰু ৰাজহুৱা স্থানসমূহত ছেনিটাইজেছন কৰি আছে। এই সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা আনিবলৈ মাইকিঙৰ ব্যৱস্থা কৰা হৈছে আৰু চহৰ অঞ্চলত এফ এল এছযোগে ঘোষণা কৰি থকা হৈছে। গোৱালপাৰা জিলাত বৰ্তমানলৈকে মুঠ ক’ভিড ৰোগীৰ সংখ্যা হ’ল ৭৭৩জন।ইয়াৰ ভিতৰত ৩০জন ৰোগী চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে আৰু ৭৪৩জনক ঘৰতেই আছুতীয়াকৈ থকাৰ পৰামৰ্শ দিয়া হৈছে। গোৱালপাৰা জিলাৰ অধীনত বৰ্তমানলৈ চাৰিটা অঞ্চলত কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰা হৈছে। গাঁও চাৰিখন ক্ৰমে বগুৱান নাৰাংগাবাৰী গাঁও, ডুবাপাৰা গাঁও, খামাৰপাখৰীগুৰী ধুন্দিপাৰা গাঁও, শিমলিতোলা বড়বড়ী গাঁও। ইয়াৰ উপৰি অনাগত দিনত পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ ডি আই চি ইউনিটত ১৬খন বিছনাযুক্ত আই চি ইউ স্থাপন কৰা হৈছে, ৪০খন বিছনাযুক্ত মাটিয়া আদৰ্শ চিকিৎসালয়ত এটা অক্সিজেন প্লেণ্ট সংস্থাপন কৰি থকা হৈছে, আয়ুস চিকিৎসালয়ত এশখন বিছনাযুক্ত ক’ভিড চিকিৎসালয়লৈ ৰূপান্তৰকৰণৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমানলৈ ১৩২খন আছুতীয়া বিছনা, ৪০খন অক্সিজেন থকা বিছনা আৰু ছখন আই চি ইউৰ সুবিধাযুক্ত বিছনা ইতিমধ্যে সাজু হৈ আছে।

# হাউলীত ক’ভিডৰ নীতি-নিয়ম উলংঘা ব্যৱসায় প্ৰতিষ্ঠানৰ ঃ ৫০ হেজাৰ টকা জৰিমনা

**হাউলী, ১২ মে’ ঃ** ৰাজ্যৰ আন প্ৰান্তৰ লগতে বৰপেটা জিলাতো ক’ভিড আক্ৰান্তৰ সংখ্যা প্ৰতিদিনে বৃদ্ধি পাবলৈ আৰম্ভ কৰিছে। বৰপেটা জিলাত কালিলৈকে ২,৫৪২জন আক্ৰান্ত হৈছে। ইতিমধ্যে বৰপেটা জিলাত একাধিক লোকৰ মৃত্যু ঘটিছে। ইয়াৰ পাছতো সচেতন হোৱা নাই একাংশ ৰাইজ। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি বৰপেটা জিলা প্ৰশাসনে ইতিমধ্যে জিলাখনৰ সমূহ চৰকাৰী-বেচৰকাৰী শিক্ষানুষ্ঠান, প্ৰতিখন সাপ্তাহিক হাট-বজাৰ, ৰাজহুৱা সমাবেশ আদি বন্ধ কৰাৰ নিৰ্দেশনা জাৰি কৰিছে। কিন্তু ইয়াৰ পাছতো সজাগ হোৱা নাই একাংশ লোকে। প্ৰশাসনৰ নীতি-নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি একাংশ লোকে ব্যৱসায়-বাণিজ্য চলোৱা পৰিলক্ষিত হৈছে। আজি হাউলীৰ সাপ্তাহিক হাট-বজাৰ খোলা পৰিলক্ষিত হয়। হাট-বজাৰত হেজাৰ হেজাৰ মানুহৰ সমাগম ঘটে। বজাৰত সামাজিক দূৰত্ব একাংশ লোকে মানি চলা নাই। তদুপৰি একাংশ গ্ৰাহকৰ লগতে একাংশ ব্যৱসায়ীয়েও মাস্ক পৰিধান কৰা নাই। যাৰ বাবে বৰপেটা জিলা প্ৰশাসনে হাউলী বজাৰত এক অভিযান চলাবলৈ বাধ্য হয়। বৰপেটা জিলাৰ ভাৰপ্ৰাপ্ত উপায়ুক্ত তেজ প্ৰসাদ ভূষালৰ নিৰ্দেশমৰ্মে বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত তথা হাউলী পৌৰসভাৰ কাৰ্যবাহী বিষয়া নৱজিৎ পাঠকৰ নেতৃত্বত চক্ৰ আৰক্ষী বিষয়া মণ্টু দাস, হাউলী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া অভিজিৎ বৰুৱা, উপ-পৰিদৰ্শক আব্দুছ ছালাম তালুকদাৰ, সহকাৰী উপ-পৰিদৰ্শক নৱজিৎ ডেকাসহ আৰক্ষীৰ এটা দলে ক’ভিডৰ নীতি-নিয়ম উলংঘা কৰা ব্যক্তিৰ বিৰুদ্ধে কঠোৰ হোৱা পৰিলক্ষিত হয়। অভিযান কালত ক’ভিডৰ নিয়ম ভংগ কৰা ব্যৱসায়িক প্ৰতিষ্ঠানৰ স্বত্বাধিকাৰীৰ লগতে মাস্ক পৰিধান নকৰা ব্যক্তিক জৰিমনা বিহে। অভিযানত প্ৰায় ৫০ হেজাৰ টকা জৰিমনা সংগ্ৰহ কৰে।

# মৰাণৰ চাহ বাগিচাত কৰ’নাৰ প্ৰতিষেধক-অক্সিজেনৰ অভাৱ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ১২ মে’ ঃ** ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে চাহ বাগিচা অঞ্চলতো কৰ’নাই মহামাৰী ৰূপ ধাৰণ কৰাত বাগিচাৰ শ্ৰমিক-কৰ্মচাৰীৰ লগতে বাগিচা পক্ষয়ো চিন্তিত হৈ পৰিছে। চৰকাৰী তথ্য মতে, বৰ্তমানলৈকে ৰাজ্যখনৰ আঠখন জিলাৰ ২৫খন চাহ বাগিচাৰ ১৫০০ শতকৈয়ো অধিক শ্ৰমিক কৰ’নাত আক্ৰান্ত হৈ বৰ্তমান বিভিন্ন ক’ভিড চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। তাৰে কিছু সংখ্যক শ্ৰমিকৰ অৱস্থা সংকটজনক। ৰাজ্য চৰকাৰ তথা স্বাস্থ্য বিভাগে কৰ’নাক দমন কৰিবলৈ ৰাজ্যখনৰ সকলো নাগৰিককে বিনামূলীয়া প্ৰতিষেধক দিয়াৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছে যদিও সেয়া পৰ্যাপ্ত পৰিমানে মজুত নথকাৰ বাবে বহু লোক বঞ্চিত হ’ব লগা হৈছে। ফলত চৰকাৰে বহিঃৰাষ্ট্ৰৰ পৰা প্ৰতিষেধক যোগাৰ কৰিলেও সকলোকে দিব পৰা নাই। আগ্ৰহীসকলে প্ৰতিষেধকৰ বাবে নিজৰ নাম পঞ্জীয়ন কৰিও ১৫-২০ দিন পৰ্যন্ত বাট চাব লগা পৰিস্থিতি হৈছে। চাহ বাগিচাৰ শ্ৰমিকসকল যিহেতু কাম এৰি প্ৰতিষেধক ল’বলৈ অন্য ঠাইলৈ যোৱাটো সম্ভৱ নহয় বাবেই নিজৰ বাগিচাৰ চিকিৎসালয়ৰ ওপৰতেই নিৰ্ভৰ কৰিব লগা হয়। কিন্তু বাগিচা কৰ্তৃপক্ষই বাগিচাৰ শ্ৰমিকসকলৰ বাবে প্ৰতিষেধক বিচাৰি হাবাথুৰি খাব লগা হৈছে যদিও বিভাগীয় কৰ্তৃপক্ষই যোগান ধৰিব নোৱাৰাত পৰিস্থিতি ক্ৰমাৎ জটিলতাৰ ফালে গতি কৰিছে। আনহাতে, কৰ’না সংক্ৰমণ ৰোধৰ বাবে অতিকৈ প্ৰয়োজন অক্সিজেন বাগিচাসমূহত মজুত নথকাৰ বাবে শ্ৰমিকৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। এই সন্দৰ্ভত অসম চাহ মজদুৰ সংঘ, আটছা, আছাৰ উপৰি বাগিচা মালিকী সন্থাৰ এবিটা, বিচিপি, টাই, এটিপিএ আৰু নেটাৰ ফালৰ পৰাও বাগিচাৰ শ্ৰমিকৰ স্বাস্থ্যৰ প্ৰতি লক্ষ্য আৰু কৰ’না সংক্ৰমণৰ পৰা শ্ৰমিকৰ জীৱন ৰক্ষা কৰিবলৈ বাগিচাবোৰলৈ প্ৰয়োজন অনুপাতে প্ৰতিষেধক আৰু অক্সিজেন যোগান ধৰিবলৈ চৰকাৰৰ লগতে স্বাস্থ্য বিভাগ আৰু জিলা উপায়ুক্তসকললৈ তৎকালীন ব্যৱস্থা গ্ৰহণৰ বাবে অনুৰোধ জনাইছে মৰাণ শাখা চাহ মজদুৰ সংঘই।

# যোৰহাটৰ পুলিবৰ আৰক্ষীৰ জালত পৰিল চোৰৰ দল

**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ১২ মে’ ঃ** যোৰহাট জিলাৰ লগতে ইয়াৰ উপকণ্ঠ অঞ্চলত সংঘটিত চুৰি-ডকাইতি ঘটনাৰ লগত জড়িত ছয়জনীয়া এটা দুৰ্ধৰ্ষ ডকাইতৰ দল পুলিবৰ আৰক্ষীৰ জালত পৰিছে। পুলিবৰ অঞ্চলত শেহতীয়াকৈ চুৰি-ডকাইতিৰ লগতে বহুতো অসামাজিক কাৰ্য-কলাপ সংঘটিত হৈছিল। আৰক্ষীৰ বাবে সৃষ্টি হৈছিল মূৰৰ কামোৰণি। অৱশ্যে পুলিবৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৌৰৱ চুতীয়াৰ নেতৃত্বত চলা এক বিশেষ অভিযানত চলিত সপ্তাহত পৃথকে পৃথকে বিভিন্ন ঠাইৰ পৰা পাঁচজন ডকাইতক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ জালত পৰা দুৰ্ধৰ্ষ কেইজনৰ মূল নায়ক দীপক সাহানী (৩১)ক এসপ্তাহ পূৰ্বে গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছতে গ্ৰেপ্তাৰ হোৱা মূল নায়কৰ স্বীকাৰোক্তিৰ ভিত্তিত পুলিবৰ থানাৰ অন্তৰ্গত চাংচোৱাৰ সুশীল যোগী (২৫), আৰ আৰ এলৰ সমীপৰ সুমন শৰ্মা (২৫), দেৰগাঁও হাঁহচৰাৰ ৰিতুল বৰা (২৫), বৰহোলাৰ নিপু শেনচোৱা (২৫) আৰু বাহানা অঞ্চলৰ দুষ্মন্ত কলিতা (৪০)ক গ্ৰেপ্তাৰ কৰে। পুলিবৰ আৰক্ষীয়ে অতি কৌশলেৰে তেওঁলোকক ধৰিবলৈ সক্ষম হয়। উল্লেখ্য যে পশ্চিম যোৰহাটৰ পৰা শেহতীয়াকৈ কে’বাখনো দুচকীয়া বাহন চুৰি হৈছিল। লগতে এক ডকাইতিৰ ঘটনাও সংঘটিত কৰিছিল। অৱশ্যে আৰক্ষীয়ে অপৰাধী কেইজনৰ পৰা এখনো বাহন উদ্ধাৰ কৰা নাই। ডকাইতৰ গেংটোৰ মূল নায়ক দীপক সাহানীক আদালতে পুলিবৰ আৰক্ষীক পাঁচদিনৰ জিম্মাত দিয়াৰ পাছত আজি জেললৈ প্ৰেৰণ কৰে।

# অৱসৰপ্ৰাপ্ত কৰ্মচাৰী-ধৰ্মপৰায়ণ ব্যক্তি কুদ্ৰত আলীৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ১২ মে’ ঃ** মঙলদৈৰ নিকটৱৰ্তী নগৰবাহী মোল্লাপাৰাৰ সৰবৰহী আৰু ধৰ্মপৰায়ণ ব্যক্তি মঙলদৈ মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী হাজী কুদ্ৰত আলী (৮০)ৰ কালি দীৰ্ঘদিনীয়া হৃদৰোগজনিত কাৰণত পৰলোকপ্ৰাপ্তি ঘটে। তেওঁৰ মৃত্যুত নগৰবাহী তথা মঙলদৈ অঞ্চলত শোকৰ ছাঁ পৰে। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক যাদৱ শৰ্মা, সভাৰ প্ৰাক্তন উপ-সভাপতি অধ্যাপক ইদ্ৰিছ আলী, মঙলদৈ বিধানসভা সমষ্টিৰ বিধায়ক বসন্ত দাস, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস, সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সাহিত্য সভা, দৰং জিলা ছাত্ৰ সন্থা, নগৰবাহী ঈদগাহ পৰিচালনা সমিতি, নগৰবাহী উচ্চ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতি আদি বিশিষ্ট ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে। মৃত্যুৰ সময়ত আলীয়ে পত্নীকে ধৰি ‘দৈনিক অগ্ৰদূত’ কাকতৰ মঙলদৈৰ সাংবাদিক তথা দৰং জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক-পুত্ৰ মকছেদ আলীসহ দুই পুত্ৰ আৰু তিনি কন্যাক ইহসংসাৰত এৰি যায়। আজি পুৱা ক’ভিড প্ৰট’কল মানি স্থানীয় মোল্লাপাৰা কবৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

# পাঠশালাত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ৰক্তদান শিবিৰ

**বিশেষ সংবাদদাতা**

**পাঠশালা, ১২ মে’ ঃ** আজি বজালী জিলাৰ অন্তৰ্গত পাঠশালাস্থিত ঐতিহ্যমণ্ডিত বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ বজালী শাখাৰ উদ্যোগত এক ৰক্তদান শিবিৰ অনুষ্ঠিত হয়। বিদ্যাৰ্থী পৰিষদৰ বজালী শাখাৰ সভাপতি ভূপেন্দ্ৰ নাথ তালুকদাৰে আঁত ধৰা ৰক্তদান শিবিৰটো মুকলি কৰে বজালী জিলাৰ আৰক্ষী অধীক্ষক ধৰ্মেন্দ্ৰ কুমাৰ দাসে। বৰপেটা চিকিৎসা মহাবিদ্যালয়ৰ সাতজনীয়া চিকিৎসকৰ দলটোৱে অংশ লোৱা শিবিৰত বজালীৰ কে’বাজনো ব্যক্তিয়ে অংশগ্ৰহণ কৰে। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ সঞ্জীৱ কুমাৰ তালুকদাৰৰ লগতে বিদ্যাৰ্থী পৰিষদৰ নিলমজ্যোতি শালৈ, চুটি বৈশ্যকে ধৰি কে’বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# নগাবাটত আটছাৰ কৰ’নাৰ সজাগতা সভা



**বিশেষ সংবাদদাতা**

**নগাঁও, ১২ মে’ ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থা (আটছা)ৰ নগাবাট প্ৰাথমিক শাখাৰ উদ্যোগত যোৱা ১১ মে’ত তিতাবৰ মহকুমাৰ বনুৱা গাঁৱৰ হৰি মন্দিৰৰ প্ৰাংগণত এখন কৰ’না সজাগতা সভা অনুষ্ঠিত হয়। নগাবাটৰ সচেতন যুৱক সুমন কিষাণ, সুনীল কিষাণ, ৰাতুল কৰুৱা, ৰোহিত গোৱালা আৰু বিজয় উৰাঙৰ প্ৰচেষ্টাত আয়োজিত কৰ’না সজাগতা সভাত প্ৰায় অৰ্ধশতাধিক লোক উপস্থিত থাকে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আটছাৰ বৰহোলা উপ-শাখাৰ সভাপতি সুমন কিষাণে। সভাত কৰ’না সংক্ৰমণ ৰোধৰ ক্ষেত্ৰত গাঁওবাসীয়ে ১০টা সতৰ্কতামূলক সিদ্ধান্ত গ্ৰহণ কৰে।

# ডিমৌত পৌৰসভাৰ ছেনিটাইজেছন

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ১২ মে’ ঃ** কৰ’নাৰ দ্বিতীয়টো ঢৌৰ সন্ত্ৰাসে বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। জনজীৱন প্ৰায় স্থবিৰ হৈ পৰিছে। দিনে প্ৰায় হেজাৰবো অধিক লোক সংক্ৰমিত হোৱাৰ বিপৰীতে বৃদ্ধি পাইছে মৃত্যুৰ সংখ্যা। শিৱসাগৰ জিলাৰ ডিমৌ সামূহিক স্বাস্থ্য কেন্দ্ৰৰ অধীনত ইতিমধ্যে ক’ভিডত আক্ৰান্ত হৈ মৃত্যু হৈছে নজন লোকৰ। আনহাতে, দিনে দিনে বৃদ্ধি পাইছে ক’ভিড পজিটিভ ৰোগীৰ সংখ্যা। ইফালে, ডিমৌ ৰাজহ চক্ৰৰ বহু ঠাই বৰ্তমান কণ্টেইনমেণ্ট জ’ন হিচাপে ৰাখিছে প্ৰশাসনে। জনসাধাৰণৰ স্বাস্থ্য, সুৰক্ষা আৰু ক’ভিডৰ দ্ৰুত সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখি লক্ষ্য ৰাখি ঠায়ে ঠায়ে স্বাস্থ্যসন্মত বহু সজাগতামূলক কাৰ্যসূচীও হাতত লৈছে বিভিন্নজনে। ডিমৌ পৌৰসভাৰ কাৰ্যবাহী বিষয়া ফিলিপ ৰাংচাল আৰু কনিষ্ঠ অভিযন্তা গৌতম কলিতাৰ তৎপৰতাত ডিমৌৰ ক’ভিড সংক্ৰমণ হোৱা বিভিন্ন অঞ্চলত ইতিমধ্যে ছেনিটাইজ কৰি থকা হৈছে। আজিও সেই উদ্দেশ্যে ডিমৌ পৌৰসভাৰ উদ্যোগত ডিমৌৰ মাজমজিয়াৰ বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠানত বীজাণুনাশক প্ৰয়োগ কৰি বীজাণুমুক্ত কৰিবলৈ তথা কৰ’না সংক্ৰমণ ৰোধিবলৈ এনেদৰে ব্যৱস্থা কৰা হয়।




# সোণচোৰা ৰাজ্যত এজন সন্ন্যাসী

অৰূপ কলিতা



**বহুদিনৰ** আগতে এখন দেশত এজন ৰজা আছিল। বিসম্বৰ ৰাজ নামেৰে পৰিচিত ৰজাজন বৰ শক্তিশালী আছিল। সোণচোৰা ৰাজ্য নামেৰে বিসম্বৰ ৰজাৰ দেশখনৰ সৈন্যবাহিনী অতি শক্তিশালী হোৱাত বেলেগ দেশৰ কোনো ৰজাই দেশখন আক্ৰমণ কৰিবলৈ সাহস কৰা নাছিল। কৃষি, বেপাৰে-বাণিজ্যই নদন-বদন সোণচোৰা ৰাজ্যৰ প্ৰজাসকলে অতি সুখৰে বাস কৰিছিল। এদিন দুপৰীয়া বিসম্বৰ মহাৰজাই ৰাজদৰবাৰত সভাসদসকলৰ স'তে আলোচনাত ব্যস্ত হৈ আছিল। মন্ত্ৰী-পাত্ৰমন্ত্ৰী আৰু পাৰিষদসকলে ৰজাক ৰাজ্যৰ লগতে প্ৰজাসকলৰ সংবাদ দি আছিল। ৰাজ্যত সকলো প্ৰজা সুখী আৰু কোনো বস্তুৰে অভাৱ নাছিল বুলি জানিব পাৰি ৰজা অতি আনন্দিত হৈছিল। সেই সময়তে চাৰিজনমান সৈনিকে এজন লোকক বন্দী অৱস্থাত লৈ ৰাজদৰবাৰত প্ৰৱেশ কৰিলেহি। দৰবাৰত উপস্থিত সকলো সভাসদ আচৰিত হ'ল। পকা দীঘল দাড়ি আৰু মূৰৰ ওপৰত পকা চুলিৰে খোপা বন্ধা বৃদ্ধ বন্দীজনক এজন সন্ন্যাসীৰ দৰে দেখা গৈছিল। তেনে এজন লোকক এনেদৰে সৈনিকে বন্দী কৰি অনাৰ কাৰণ ৰজাই জানিব বিচৰাত সৈনিকসকলে ক'লে, 'মহাৰাজ, এইজন ব্যক্তি আমাৰ ৰাজ্যৰ নহয়। তেওঁ আমাৰ নগৰৰ বিভিন্ন অঞ্চলত ঘূৰি ফুৰিছিল যদিও তেওঁ নিজৰ পৰিচয় দিয়া নাছিল। সেয়ে আমাৰ কোনো শত্ৰু দেশৰ চোৰাংচোৰা হ'ব পাৰে বুলি ভাবিয়েই তেওঁক এনেদৰে আপোনাৰ ওচৰলৈ বন্দী কৰি লৈ আনিছো।' ৰজাই বন্দীৰ বয়সৰ প্ৰতি লক্ষ্য ৰাখি সৈনিকসকলক অচিনাকি সন্ন্যাসীজনক বান্ধি থোৱা শিকলি বুলি দিবলৈ নিৰ্দেশ দিলে। ৰজাৰ আদেশ লগে লগে পালন কৰিলে সৈনিকসকলে। বান্ধোনমুক্ত হৈ সন্ন্যাসীজনে ৰজাক ধন্যবাদ জনালে। ৰজাই সন্ন্যাসীৰ পৰিচয় দিবলৈ কোৱাৰ লগতে তেওঁ সোণচোৰা ৰাজ্যলৈ কিয় আহিছে জানিবলৈ বিচাৰিলে। সন্ন্যাসীয়ে ৰজাক সেৱা জনাই ক'লে— মহাৰাজ, মই বহুদূৰৰ মধুশাল ৰাজ্যৰ পৰা আহিছো। প্ৰকৃততেই মই এজন সন্ন্যাসী দেশ-বিদেশ ভ্ৰমণ কৰি সেই ৰাজ্যৰ ৰজা-প্ৰজাৰ বিষয়ে জানিবলৈ মই আগ্ৰহী। আপোনাৰ এই সোণছোৰা ৰাজ্যৰ খ্যাতি মই বহুদিনৰ পৰা শুনি আছিলো। সেয়েহে মই আপোনাৰ ৰাজ্যখন চাবলৈ আহিলো মহাৰাজ।' সন্ন্যাসীৰ কথাত ৰজাই পুনৰ প্ৰশ্ন কৰিলে— 'তেনেহ'লে আপুনি আপোনাৰ পৰিচয় মোৰ প্ৰজা আৰু সৈনিকসকলৰ আগত প্ৰকাশ কৰা নাছিল কিয়?' এইবোৰ হাঁহি এটা মাৰি সন্ন্যাসীজনে ক'লে— 'মহাৰাজ, মই আপোনাক পোনপটীয়াকৈ সাক্ষাতৰ বাবেই মই এনে কৰিলো। অন্যথা কালি মোক আপোনাৰ দৰবৰাত প্ৰৱেশৰ অনুমতি দ্বাৰপালে দিয়া নাছিল।' মোক সাক্ষাতৰ কিবা প্ৰয়োজন? আপুনি নিঃসংকাচে ক'ব পাৰে বুলি ৰজাই কোৱাৰ লগে লগে সন্ন্যাসীয়ে ক'লে, 'মহাৰাজ, মই আপোনাৰ পৰা কোনো বস্তু বিচাৰি অহা নাই। আপোনাৰ ৰাজ্য অতি সুন্দৰ আৰু সকলো প্ৰজা সুখী। আপোনাৰ ৰাজ্যও সুৰক্ষিত। কিন্তু মহাৰাজ, সময় সকলোতকৈ বলৱান। সন্ন্যাসী কিছুপৰ ৰ'ল। ৰজা সন্ন্যাসীৰ কথাত ব্যস্ত হৈ পৰিল। ৰজাই কিছু শংকাৰে সন্ন্যাসীক সুধিলে— 'আপুনি সময় বলৱান বুলি ক'লে যে মহাশয়, এই কথাৰ অৰ্থ কি? আমাৰ ৰাজ্যলৈ কিবা বিপদ আহিব পাৰে নেকি? সন্ন্যাসীয়ে শান্তভাৱে ক'লে, 'মহাৰাজ, আপোনাৰ ৰাজ্য ভ্ৰমণ কৰি মই দেখিলো আপোনাৰ প্ৰজাসকল অতি উৎসৱপ্ৰিয় আৰু স্ফূৰ্তিত থাকে। কিন্তু তেওঁলোকে ভৱিষ্যতৰ কথা একেবাৰে নাভাবে। ই আপোনাৰ ৰাজ্যৰ বাবে পাছত সমস্যা হৈ উঠিব পাৰে। সন্ন্যাসীৰ কথাত এইবাৰ ৰজা বিসম্বৰে সুধিলে— 'ইয়াৰ উপায় কি মহাশয়।' সন্ন্যাসীয়ে হাঁহি এটা মাৰি ক'লে, মহাৰাজ, মই এইবাবেই আপোনাক লগ পাবলৈ বিচাৰিছিলো। কাৰণ আপোনাৰ প্ৰজাই আপোনাৰ আদেশহে মানিব। কাৰণ তেওঁলোকে আপোনাক সন্মানো কৰে, ভালো পায়। সেয়ে আপুনি আজিৰে পৰাই আপোনাৰ প্ৰজাসকলক এমুঠিকৈ খাদ্য দৈনিক বেলেগে থৈ যাবলৈ আদেশ দিয়ক। চাব ইয়াৰ বাবেই সকলোৰে এদিন উপকাৰ হ'ব।' বিসম্বৰ ৰাজ সন্ন্যাসীৰ কথাত আচৰিত হ'ল। তেওঁ সন্ন্যাসীক ৰাজপ্ৰাসাদতে অতিথি হিচাপে থাকিবলৈ অনুৰোধ জনালে। কিন্তু সন্ন্যাসীগৰাকীয়ে তেওঁ কোৱা কথা প্ৰজাসকলৰ লগতে ৰজা আৰু মন্ত্ৰী সকলোৰে যাতে পালন কৰে তাৰ বাবে পুনৰ অনুৰোধ জনালে। তাৰ পাছতে ৰজাৰ অনুমতি লৈ ৰাজদৰবাৰৰ পৰা সন্ন্যাসীয়ে বিদায় ল'লে। এই ঘটনাৰ দুবছৰৰ পাছতেই ধুনীয়া সোণচোৰা ৰাজ্যত বৰষুণৰ পৰিমাণ কমি গ'ল। খৰাঙৰ বাবে খেতি-বাতি নোহোৱা হ'ল। সকলোৰে মাজত হাহাকাৰ লাগিল। আগৰ দৰে খাদ্যৰ অভাৱ ঘটিল। কিন্তু সেই সময়ত সন্ন্যাসীৰ উপদেশ মতে ৰজাই ৰাজ্যৰ সকলোকে দৈনিক এমুঠিমান যে খাদ্য মজুত কৰাৰ আদেশ দিছিল, সেই আদেশৰ বাবেই ৰজা-প্ৰজা সকলো ৰক্ষা পৰিল। সম্পূৰ্ণ এবছৰ সেইদৰে জমা হোৱা খাদ্যৰ বাবে সকলোৰে সকাহ পালে। পিছৰ সময়ত পুনৰ ৰাজ্যত বৰষুণ হ'ল। পুনৰ সোণচোৰা ৰাজ্য খাদ্যৰে ভৰি পৰিল। সকলোৰে আনন্দৰ দিনবোৰ ঘূৰি আহিল। কিন্তু এইবাৰ সকলোৰে ৰজাৰ আদেশ নোহোৱাকৈয়ে দৈনিক এমুঠিকৈ খাদ্য বস্তু জমা কৰি গ'ল যাতে আকালৰ সময়ত কামত আহে। ৰজা বিসম্বৰ সেই সন্ন্যাসীগৰাকীৰ প্ৰতি সদায় কৃতজ্ঞ হৈ থাকিল। কিন্তু সেই জ্ঞানী সন্ন্যাসীগৰাকী পুনৰ সোণচোৰা ৰাজ্যলৈ আৰু উভতি নাহিল।

## কবিতা

### ভূঁইকঁপ

ধৰণীখন কঁপি গ'ল
বয়-বস্তু পৰি ৰ'ল
চেতনা কেনিবা হেৰাল,
'হৰি বোল হৰি' বুলি
য'ৰে বস্তু ত'তে এৰি
সকলোটি বাহিৰ ওলাল।
ইয়ে বোলে ভূঁইকঁপ
সিয়ে বোলে ভূঁইকঁপ
ভূঁইকঁপ কিয়নো আহে?
আইতাই ক'লে বোলে
ভূমিক পিঠিত লোৱা
হাতীৰ বিষালে দেহা
লৰালেই ধৰা কঁপি উঠে।
দেউতাই ক'লে আহি
ভূতৰ 'প্লেট' দুটি
যেতিয়াই ঘঁহনি খায়,
তেতিয়াই পুনৰ পি
ধৰাখনি উঠে কঁপি
ভূঁইকঁপ আহে আৰু যায়।
খৰধৰ নকৰিবা
বাহিৰ ওলাওঁ বুলি
য'তে আছা ত'তেই থাকিবা,
দুৱাৰৰ কাষত বা
ঘৰৰ চুকতে হওক
টেবুলৰ তলত সোমাবা।
ভূঁইকঁপ আহিলেই
লৰালৰি কৰিলেই
ক্ষতি-খুন বেছিকৈহে হয়,
ধৈৰ্য অটুট ৰাখা
সাহসেৰে কাম কৰা
অন্তৰত নাৰাখিবা ভয়।

**ভাস্কৰজ্যোতি দাস**

### কলঙৰ হাঁহি



নদীৰো থাকে
বঞ্চনাৰ ইতিহাস
যেনেদৰে আছে
কলঙৰ অব্যক্ত দুখৰ কাহিনী।

কলং লুইতৰ নুমলীয়া জী
দুকুৰি ওঠৰ বছৰৰ পাছত
তুমি আকৌ হাঁহিবা।

উজ্জীৱিত হ'ব পোনাকণহঁতৰ হাঁহি
'বাঁকৰ ডুবি'ত আকৌ মাৰিব মাছ।

বিষাদ আঁতৰি যাব
প্ৰাণচঞ্চলা হৈ
তুমি বৈ যাবা
লুইতৰ বুকুলৈ।।

**চোনিয়া মুক্তিয়াৰ**

# 'লৌহমানৱ' বিষ্ণুৰাম মেধি



**স্বাভিমান**, স্বদেশ আৰু স্বজাতিৰ এক ইতিহাস প্ৰসিদ্ধ অধ্যায়। জাগ্ৰত বিপ্লৱৰ আলোকপাত। অধ্যায় আৰু আলোকপাতত সংমিশ্ৰিত এটি নাম, বুৰঞ্জী প্ৰসিদ্ধ এটি নাম 'লৌহমানৱ' বিষ্ণুৰাম মেধি। 'লৌহমানৱ'ৰূপে পৰিচিত বিষ্ণুৰাম মেধি অসমৰ এজন সুদক্ষ সমাজবিদ, কৰ্মবিদ, শিক্ষাবিদ তথা ৰাজনীতিবিদ আছিল, যি আমাৰ আদৰ্শ আৰু প্ৰেৰণাৰ প্ৰতীক।

১৮৮৮ৰ ২৪ এপ্ৰিল। ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰপাৰত অৱস্থিত এখন গাঁও, হাজোত মেধিৰ জন্ম হৈছিল। তেওঁৰ পিতৃ সোণাৰাম মেধি আৰু মাতৃ আলহী মেধি খুবেই শান্ত প্ৰকৃতিৰ আছিল। হাজোৰ বিদ্যালয়তে তেওঁ শিক্ষা জীৱনৰ আৰম্ভণিৰে কটন কলেজিয়েট হাইস্কুলৰ পৰা সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯০৭ত কটন কলেজত নামভৰ্তি কৰে। পাছলৈ তেওঁ কলিকতাৰ পৰা আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯১৩ত ৰসায়ন বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী আৰু ১৯১৪ত আইন পৰীক্ষাত উত্তীৰ্ণ হৈ শৈক্ষিক জীৱনৰ পৃষ্ঠা স্থগিত ৰাখিছিল।

মেধিৰ কৰ্মজীৱন প্ৰধানতঃ তিনিটা ভাগত বিভক্ত; ওকালতি, দেশসেৱা আৰু প্ৰশাসন। ১৯১৫ত তেওঁ গুৱাহাটীৰ লোক-আদালতৰ পৰা ওকালতি সেৱাত ব্ৰতী হৈ ১৯২০ত ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান, ১৯২১ত অসহযোগ আন্দোলনত যোগদান আৰু ১৯৩০ত তেওঁ অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

প্ৰাক্-স্বাধীনতাৰ সন্ধিক্ষণত ১৯৩৮ত মেধিয়ে গুৱাহাটীৰ লোকেল ব'ৰ্ড, চেয়াৰমেন পদলৈ নিৰ্বাচিত হয়। গৌৰৱৰ বিষয় যে তেৰেঁই প্ৰথম গুৱাহাটী লোকেল ব'ৰ্ডৰ কংগ্ৰেছী চেয়াৰমেন আৰু তেওঁৰ নিৰ্দেশতেই লোকেল ব'ৰ্ডৰ কাৰ্যালয়ত প্ৰথমে জাতীয় পতাকা উত্তোলন হৈছিল। ১৯৪৬-১৯৫০ৰ কালছোৱাত তেওঁ গোপীনাথ বৰদলৈৰ মন্ত্ৰীসভাত বিত্ত আৰু ৰাজহ মন্ত্ৰীৰ পদত নিযুক্ত আছিল। আৰু ১৯৫২ত অসমত পোনপ্ৰথমবাৰৰ বাবে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। এই নিৰ্বাচনত কংগ্ৰেছ দলে সংখ্যাগৰিষ্ঠতা আসন গ্ৰহণ কৰি মেধিৰ নেতৃত্বত চৰকাৰ গঠন কৰিছিল। অৱশ্যে তেওঁ মুখ্যমন্ত্ৰীৰ পদত দায়িত্ব গ্ৰহণ কৰাৰ পাছতেই বিভিন্ন সমস্যাই মূৰ দাঙি উঠে। বিশেষকৈ প্ৰাকৃতিক দুৰ্যোগ, কলা বজাৰ, শোচনীয় পৰিবহণ ব্যৱস্থা, পূৰ্ববংগৰ ভগনীয়া সোঁত, ব্ৰহ্মপুত্ৰ দলং, তেল শোধনাগাৰ, সাম্প্ৰদায়িক সংঘৰ্ষ ইত্যাদি এশ এবুৰি সমস্যা। অৱশেষত তেওঁ ১৯৫৭ৰ ২৮ ডিচেম্বৰত অসমৰ নেতৃত্বভাৰ পদত্যাগ কৰি ১৯৫৮ৰ আঠ জানুৱাৰীত মাদ্ৰাজলৈ ৰাওনা হয়। ১৯৫৮ত সেই সময়ৰ মাদ্ৰাজৰ ৰাষ্ট্ৰপতি ডাঃ ৰাজেন্দ্ৰ প্ৰসাদে মেধিৰ কৰ্মত মুগ্ধ হৈ তেওঁক মাদ্ৰাজৰ ৰাজ্যপাল হিচাপে নিযুক্তি দিয়ে। উল্লেখযোগ্য যে তেৰেঁই প্ৰথম অসমীয়া ৰাজ্যপাল পদৰ প্ৰাৰ্থী।

পৰৱৰ্তী সময়ছোৱাত তেওঁ মাদ্ৰাজৰ পৰা উভতি আহি পুনৰ অসমৰ ৰাজনীতিত অংশগ্ৰহণ কৰে। ১৯৬৭ৰ ফেব্ৰুৱাৰীত তেওঁ হাজো সমষ্টিৰ পৰা অসম বিধানসভালৈ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ১৯৭২ৰ ১৫ মাৰ্চলৈ তেওঁ হাজো সমষ্টিৰ বিধায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। এনেদৰেই তেওঁ অসমৰ ৰাজনীতিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি অসমলৈ তেওঁৰ বহুমূলীয়া অৱদান আগবঢ়ায়।

নিষ্ঠুৰ নিয়তিৰ পৰিহাস। ১৯৮১ৰ ২১ জানুৱাৰীত বিধাতাৰ আদেশ মানি মেধিয়ে ইহলীলা সম্বৰণ কৰে; যি অসমবাসীৰ বাবে এক বৃহৎ ক্ষতি আছিল।

অনামিকা কলিতা

*ফোন ঃ ৮৬৩৮৭৬১৭৪২*

# ধূৰ্ত সংগৰ পৰিনাম

নাৰায়ণ চন্দ্ৰ ওজা



**এখন** হাবিত এটা সিংহ আছিল। সিংহৰ দুই বন্ধু আছিল এটা শিয়াল আৰু এটা নাহৰফুটুকী বাঘ। এদিন সিংহ শিয়াল আৰু নাহৰফুটুকীয়ে হাবিত ঘূৰি থাকোতে সিহঁতৰ সন্মুখত এটা উট আহি ওলাল। সিংহটোৱে আগতে কেতিয়াও উট দেখা নাছিল। সিংহই শিয়ালক সুধিলে—হেৰ শিয়াল এইটো এটা দেখোন আচৰিত প্ৰাণী। শিয়ালে ক'লে—মহাশয় এইটো প্ৰাণীৰ নাম উট। ই চহৰত মানুহৰ বোজা কঢ়িয়ায়। সিংহই শিয়ালক ক'লে তুমি উটটোক মোৰ সন্মুখলৈ মাতি আনা। শিয়ালে উটটোক সিংহৰ সন্মুখলৈ লৈ আহিল। সিংহই উটটোক ক'লে—বন্ধু তুমি আৰু চহৰলৈ লৈ বোজা বব নালাগে। আমাৰ লগতে বন্ধু হিচাপে থাকা। উট সন্মুত হ'ল। এদিন চাৰিও বন্ধু হাবিত ঘূৰি থাকোত এটা বনৰীয়া হাতীৰ সন্মুখতে পৰিল। হাতী আৰু সিংহৰ মাজত ভীষণ যুঁজ লাগিল। দঁতাল হাতীৰ প্ৰকাণ্ড দাঁতৰ আঘাতত সিংহ নমৰিল যদিও গুৰুতৰভাৱে আঘাত পাই লৰিব-চৰিব নোৱাৰা হৈ পৰিল। ফলত সিংহ, শিয়াল আৰু নাহৰ ফুটুকীৰ খাদ্যৰ মহাসংকট মিলিল।

আন উপায় নাপাই ধূৰ্ত শিয়ালটোৱে এটা ফন্দি উলিয়ালে। সি সিংহক ক'লে—মহাশয় মোক খাই আপোনাৰ ভোক পলুওৱাক। শিয়ালৰ কথা শুনি সিংহই ক'লে—তোমাৰ ক্ষুদ্ৰ দেহৰ মঙহেৰে মোৰ ভোক নপলায়। এইবাৰ নাহৰফুটুকীয়ে ক'লে—মহাশয় মোৰ দেহটো অলপ ডাঙৰ। মোক খাই আপুনি ভোক পলুওৱাক। সিংহই ক'লে—নাহৰফুটুকীয়ে মোক চিকাৰ ধৰাত সহায় ভাৰিছে। সেয়ে এনে উপকাৰীক বধ কৰিলে মোক পাপে চুব। মই গয়াত গৈও মুক্তি নাপাম। শিয়াল আৰু নাহৰফুটুকীৰ কথা শুনি উটটোৱে ভাৰিলে—ময়ো সৌজন্যমূলক বাক্য কোৱা উচিত হ'ব। শিয়াল আৰু নাহৰফুটুকীৰ দৰে সিংহই নিশ্চয় মোকো নামাৰিব। সেয়ে উটে আগবাঢ়ি গৈ ক'লে—মহাশয় মোক মাৰি মোৰ মঙহ খাই আপোনালোক তিনিওজনে ভোক পলুওৱাক। উটৰ মুখৰ কথা শেষ নৌহওঁতেই শিয়াল আৰু নাহৰফুটুকী উটৰ ওপৰত জঁপিয়াই পৰি উটটোক মাৰি পেলালে। দুষ্টৰ লগত থাকি উটটোৰ প্ৰাণ গ'ল।

*ফোন ঃ ৯৭০৭৪৬৯৭৯৬*

# পেৰুৰ হেৰুৱা চহৰখন



**দক্ষিণ** আমেৰিকা মহাদেশৰ পেৰু নামৰ দেশখনত আছে এক অতিশয় আজব স্থান। পেৰুৰ পৰ্বতৰ শৃংগবোৰৰ অন্যতম হ'ল মাচু পিচ্চু। এই পৰ্বতৰ অধিকাংশ শৃংগৰে অগ্ৰভাগ প্ৰায় জোঙা। সাগৰপৃষ্ঠৰ পৰা ২,৪০০ মিটাৰ উচ্চতাত অৱস্থিত মাচু পিচ্চু শৃংগৰ ফটো দেখিলে আচৰিত হ'বলগীয়া হয়। কিয়নো এনে ভয়ানক স্থানতো আছে বহু ডাঙৰ দালান। তেনে স্থানত কিদৰে দালান নিৰ্মাণ কৰি এসময়ত মানুহে বাস কৰিছিল, সেয়া বিশ্বাস কৰিবলৈকে টান লাগে।পুৰাতত্ত্ববিদসকলে ধাৰণা কৰা মতে, প্ৰায় ১৪৫০ত ইন্‌কা সাম্ৰাজ্যৰ কোনো ৰজাই সেই ঠাইত চহৰ স্থাপন কৰিছিল। পৰৱৰ্তী সময়ত কে'বা শতিকা ধৰি সেই স্থান মানুহৰ চকুৰ পৰা আঁতৰি আছিল। সেয়ে ইয়াক 'লষ্ট চিটী অৱ দ্য ইন্‌কাজ' (ইন্‌কাসকলৰ হেৰুৱা চহৰ) বুলিও কোৱা হয়। বিংশ শতিকাত আমেৰিকাৰ ইতিহাসবিদ হিৰৰাম বিংঘমে ঠাইখন আৱিষ্কাৰ কৰে। ১৯৮৩ত ইউনেস্ক'ই মাচু পিচ্চুক বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাভুক্ত কৰিছে।

## জানানে??

১) প্ৰথম অসমীয়া শিশু আলোচনীখন কি?
২) অসমৰ বিখ্যাত ফুটবল প্ৰতিযোগিতা 'বৰদলৈ ট্ৰফী' প্ৰথমে কেতিয়া অনুষ্ঠিত হৈছিল?
৩) স্বাধীন ভাৰতত অসমৰ প্ৰথমজন ৰাজ্যপাল কোন?
৪) নুনমাটিত অৱস্থিত 'গুৱাহাটী তেল শোধনাগাৰ' কোন চনত স্থাপন হৈছিল?
৫) অসমৰ কোনজন বিখ্যাত সাহিত্যিকে 'ধনবৰ কাই' ছদ্মনামেৰেও লিখা-মেলা কৰিছিল?
৬) 'অল ইণ্ডিয়া ৰেডিঅ''ৰ দ্বাৰা সম্প্ৰচাৰিত প্ৰথম অসমীয়া নাটকখন কি?
উত্তৰ ঃ ১) ল'ৰাবন্ধু (১৮৮৮), ২) ১৯৫২, ৩) আকবৰ হায়দাৰী, ৪) ১৯৬২, ৫) মহিম বৰা, ৬) বীণ-বৰাগী (১৯৩৫)।

# ৰেইনব' ইউকেলিপ্টাছ



**ৰামধেনুৰ** দৰে ৰঙীন বাকলিৰ গছ। হঠাৎ দেখিলে এনে লাগিব যেন কোনোবা চিত্ৰশিল্পীয়েহে গছৰ গাত ৰং-তুলিকাৰে আল্পনা আঁকিছে। কিন্তু গছৰ এই ৰং প্ৰাকৃতিক। চিৰসেউজ এইবিধ গছ বৰ খৰকৈ বাঢ়ে। বয়স আৰু ঋতু পৰিৱৰ্তনৰ সমান্তৰালভাৱে ৰঙৰো পৰিৱৰ্তন ঘটে। প্ৰথমে থাকে উজ্জ্বল সেউজীয়া। তাৰ পাছত লাহে লাহে নীলা হ'বলৈ ধৰে, নীলাৰ পাছত বেঙুনীয়া আৰু এটা সময়ত কমলা আৰু খয়েৰী ৰং ধাৰণ কৰে। দেখিয়েই অবাক লগা এই গছৰ নাম ৰেইনব' (ৰামধেনু) ইউকেলিপ্টাছ বা মিণ্ডানা গাম। ফিলিপাইনৰ মিণ্ডানাও, নিউ হেম্পশ্বায়াৰ, নিউ ব্ৰিটেইন, নিউ গিনি সহ বিভিন্ন অঞ্চলত এইবিধ গছ দেখা যায়। ফিলিপাইন আৰু কোষ্টাৰিকাত এইবিধ গছৰ খেতিও হয়। ৰেইনব' ইউকেলিপ্টাছ বছৰি আঠ ফুট বাঢ়ে আৰু এজোপা গছ ১৯৭ৰ পৰা ২৪৬ ফুট পৰ্যন্ত ওখ হয়। ব্যাস ৭.৯ ফুট সৰ্বাধিক। ৰেইনব' ইউকেলিপ্টাছৰ গালৈ সেই ধুনীয়া ৰং আচলতে আহে গছজোপাৰ আঠাৰ পৰা। সেই আঠা তৈয়াৰ হয় গছৰ কাণ্ডত। এই গছ নাও, বিভিন্ন আচবাব-পত্ৰৰ তৈয়াৰৰ উপৰি বগা কাগজ তৈয়াৰৰ গুড়ি হিচাপে ব্যৱহৃত হয়।

# খোজকাঢ়ি ফুৰা মাছ



**গেলাপাগ'ছ** দ্বীপপুঞ্জৰ নাম শুনিছানে? এই দ্বীপপুঞ্জ বিশাল আকাৰৰ কাছৰ কাৰণে বিখ্যাত। গেলাপাগ'ছৰ উপকূল অঞ্চল আৰু সাগৰত অসংখ্য বিচিত্ৰ প্ৰাণীয়ে বিচৰণ কৰে। কেৱল বিশাল কাছই নহয়, বৰঞ্চ এবিধ বিশেষ প্ৰকাৰৰ মাছৰ বাবেও এই দ্বীপপুঞ্জ জনাজাত। এইবিধ মাছৰ নাম হ'ল ৰেড-লিপড্ বেটফিছ বা ৰঙা ওঁঠৰ বাদুলী মাছ। এইবিধ বিচিত্ৰ মাছ গেলাপাগ'ছ দ্বীপপুঞ্জৰ সাগৰৰ উপকূলীয় অঞ্চলত পোৱা যায়। মাছ হ'লেও ৰেড লিপড্ বেটফিছে কিন্তু ভালদৰে সাঁতুৰিব নাজানে। আচৰিত কথা নহয়নে? মাছ হ'ল পানীত সাঁতুৰি ফুৰা প্ৰাণী। সেয়ে মাছে ভালদৰে সাঁতুৰিব নাজানে বুলি ক'লে নিশ্চয় বিশ্বাস নহয়।

তাতোকৈ আচৰিত কথা যে এইবিধ মাছে খোজকাঢ়িহে যায়। সাগৰৰ তলিভাগত কিছুমান বিশেষ পাখিৰ সহায়ত ইহঁতে খোজকাঢ়ি ফুৰে। ৰঙা ওঁঠৰ বেটফিছ সৰ্বাধিক ১৩-১৪ ইঞ্চি দীঘল হয়। গাৰ ৰং পাতল বাদামী, পাছফালৰ অংশ সামান্য ধূসৰ। পেটৰ অংশ বগা। আকাৰত সৰু হ'লেও ইহঁত কিন্তু চিকাৰী মাছ। মূৰৰ পৰা বাহিৰ হোৱা এবিধ চকচকীয়া পাখিৰ দ্বাৰা ইহঁতে চিকাৰক আকৃষ্ট কৰে। সেই পাখিৰ নাম ইলিছিয়াম। অতি নিমাখিত যেন লগা ৰঙা ওঁঠৰ বেটফিছৰ উজ্জ্বল অংশ দেখি বহু প্ৰাণীয়েই ভুল কৰি ইহঁতৰ চিকাৰ হয়। সৰু মাছ, কেকোঁৰা, মিছামাছ আদি যিয়েই কাষলৈ আহে, ইহঁতে ধৰি খায়। ইহঁতক দেখিলে মুখত লিপষ্টিক ঘঁহি থোৱা যেন লাগে। কাৰণ ওঁঠ অতিপাত ৰঙা। কিন্তু কিয় ইমান ৰঙা সেইকথা আজিও বিজ্ঞানীসকলে বিচাৰি উলিয়াব পৰা নাই।



*ভাস্কৰণ বৰা, পাঞ্জাবাৰী।*

# দলবদ্ধ প্ৰাণী জীৱন



**মানুহ** সামাজিক প্ৰাণী। আমি প্ৰথমে পৰিয়াল, তাৰ পাছত এখন সমাজৰ মাজত বসবাস কৰো। এইধৰণৰ দলীয় সামাজিক জীৱন অৱশ্যে মানুহৰ উপৰি বহু প্ৰাণীয়ে অতিবাহিত কৰে। বিভিন্ন ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ আৰু শত্ৰুৰ পৰা আত্মৰক্ষাৰ লগতে বংশ-বৃদ্ধি আৰু খাদ্যৰ নিশ্চয়তা লাভৰ বাবেই বহু প্ৰাণীয়ে সামাজিক ভেটি গঢ়ি তোলে।

পৰুৱা, উঁইপোক, মৌ-মাখি প্ৰভৃতি কীট-পতংগৰ মাজত সু-শৃংখল সামাজিক বন্ধন পৰিলক্ষিত হয়। এইবোৰ প্ৰাণীয়ে দলবদ্ধ হৈ এখন উপনিবেশ গঠন কৰি জীৱন-যাপন কৰে। ইয়াৰ ভিতৰত থাকে ৰজা আৰু ৰাণীৰ উপৰি অসংখ্য কৰ্মী সদস্য। এই কৰ্মীবোৰৰ কামো ভিন্ন। এভাগে অন্যান্য শ্ৰম কৰে, এভাগে খাদ্য সংগ্ৰহ কৰে, এভাগ প্ৰতিৰক্ষাৰ দায়িত্বত থাকে, আন একাংশই আকৌ কণী আৰু লেটাবোৰৰ প্ৰতিপালন কৰে। খাদ্যৰ সন্ধান পালে সকলোৰে মিলি সংগ্ৰহ কৰে আৰু ভৱিষ্যতৰ বাবেও সঞ্চয় কৰে। পক্ষীৰ মাজতো দলবদ্ধভাৱে বাস কৰাৰ প্ৰৱণতা আছে। বগলী, পানী কাউৰী, শামুকখোলা, শগুণ আদিয়ে ডাঙৰ গছত একেলগে বাস কৰে। হেজাৰ হেজাৰ পক্ষীয়ে একেঠাইত বাহ সাজি পোৱালি জন্ম দিয়ে। অনেক পৰিভ্ৰমী পক্ষীয়ে বেলেগ ঠাইলৈ গৈ একেঠাইত বাহ সাজে। বিল, পুখুৰী, নদী আদিত একেলগে খাদ্য বিচাৰে আৰু ভয় খালেও একেলগে উৰি যায়।



জলচৰ প্ৰাণীৰ ভিতৰত বিভিন্ন প্ৰজাতিৰ মাছ, ডলফিন, তিমি ইত্যাদিয়ে দল বান্ধি বাস কৰে। বহু প্ৰজাতিৰ মাছে দল বান্ধি বাস কৰিলেও সিহঁতৰ মাজত সামাজিক বন্ধন নাথাকে। কিন্তু তিমি আৰু ডলফিনৰ মাজত চমৎকাৰ সামাজিক বন্ধন আছে। শব্দৰ প্ৰতিধ্বনি ব্যৱহাৰ কৰি দলৰ সদস্যবোৰৰ মাজত যোগাযোগ ৰক্ষা কৰে। স্থলচৰ প্ৰাণীৰ ভিতৰত সামাজিক জন্তু হ'ল হাতী। বিশালকায় প্ৰাণীবিধ আকৌ মাতৃকেন্দ্ৰিক। বয়সস্থ মাইকী হাতীজনীয়ে দলটোক নেতৃত্ব দিয়ে। মতা হাতীয়ে দলত বিশেষ ভূমিকা পালন নকৰে। সিহঁতে অকলে থাকিয়েই ভাল পায়। আন এবিধ সামাজিক প্ৰাণী হ'ল বান্দৰ। সকলো প্ৰজাতিৰ বান্দৰে দল বান্ধি বাস কৰে।আবাসস্থলৰ ওপৰত নিৰ্ভৰ কৰি বান্দৰৰ একোটা দলৰ সংখ্যা ১০ৰ পৰা ১০০টা পৰ্যন্ত হ'ব পাৰে।



*দীপশিখা বড়ো, গুৰুকুল গ্ৰামাৰ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল, তৃতীয় শ্ৰেণী।*

দৈনিক অগ্ৰদূত



# ক্ৰীড়াভূমি/ক্ৰীড়াভূমি



# খিতাপ নিশ্চিত হ’ল মানচেষ্টাৰ চিটীৰ

## ইংলিছ প্ৰিমিয়াৰ লীগ ঃ চাৰি বছৰত তৃতীয়টো ট্ৰফী




**লণ্ডন, ১২ মে’ ঃ** চেম্পিয়নছ লীগৰ ফাইনেল খেলাৰ পূৰ্বেই ইংলিছ প্ৰিমিয়াৰ লীগত খিতাপ জয় নিশ্চিত হ’ল মানচেষ্টাৰ চিটীৰ। গুৰুত্বপূৰ্ণ বিষয়টো এয়েই যে ই পি এলৰ তিনিখন মেচ খেলিবলৈ বাকী থাকোতেই ট্ৰফী শীৰত লোৱাটো নিশ্চিত কৰিছে মানচেষ্টাৰ চিটীয়ে। উল্লেখ্য যে ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত লেইচেষ্টাৰ চিটীয়ে 2-1 গ’লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। ইউনাইটেডৰ এই পৰাজয়ৰ পাছতে চিটীৰ খিতাপ জয় নিশ্চিত হয়। উল্লেখ্য যে চলিত ই পি এলত মানচেষ্টাৰ চিটীয়ে 35 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। আনহাতে, দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 35 খন মেচত 70 পইণ্ট লাভ কৰিছে। তিনিখন মেচ খেলিবলৈ বাকী থকা অৱস্থাত 10 পইণ্টৰ অগ্ৰগতি লাভ কৰি চিটীয়ে খিতাপ জয়ৰ কাষলৈ হেলাৰঙে আগবাঢ়িছে। উল্লেখ্য যে যোৱা চাৰিটা ছিজনত এয়া হ’ব মানচেষ্টাৰ চিটীৰ তৃতীয়টো ই পি এলৰ ট্ৰফী। ইফালে, চলিত মাহতে চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিৰ বিৰুদ্ধে ফাইনেল খেলিব মানচেষ্টাৰ চিটীয়ে। কিন্তু ই পি এলৰ অন্তিম মেচত মানচেষ্টাৰ চিটীক 1-2 গ’লত পৰাস্ত কৰিছে চেলছিয়ে। চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন অহা 29 মে’ত ইষ্টানবুলত অনুষ্ঠিত হ’ব।



## নিশ্চিত হোৱা নাই চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলৰ স্থান




**লণ্ডন, ১২ মে’ ঃ** চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন অহা 29 মে’ত অনুষ্ঠিত হ’ব। কিন্তু মেচৰ স্থান এতিয়াও নিশ্চিত হোৱা নাই। উল্লেখ্য যে প্ৰথমে এই মেচখন ইষ্টানবুলত অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু এতিয়া সেয়া বাতিল কৰা হৈছে। ইষ্টানবুলত অনুষ্ঠিত নহয় চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল। উল্লেখ্য যে এইবাৰৰ চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেল মেচখন দুটা ইংলণ্ডৰ ক্লাবৰ মাজত অনুষ্ঠিত হ’ব। চেম্পিয়নছ লীগৰ খিতাপৰ বাবে চেলছিয়ে খেলিব মানচেষ্টাৰ চিটীৰ বিৰুদ্ধে। সেয়ে মেচখন লণ্ডনৰ ৱেম্বলি ষ্টেডিয়ামত আয়োজন কৰাৰ বিষয়ে ভবা হৈছিল। শেহতীয়াকৈ পৰ্তুগালত আয়োজন কৰাৰ বিষয়েও চৰ্চা হৈছে। উল্লেখ্য যে ইয়াৰপূৰ্বে দুবাৰ দুটা ইংলণ্ডৰ দলে চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত পৰস্পৰে পৰস্পৰৰ বিৰুদ্ধে খেলিছিল। 2008 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত চেলছিয়ে খেলিছিল মানচেষ্টাৰ ইউনাইটেডৰ বিৰুদ্ধে। আনহাতে, 2012 ত চেম্পিয়নছ লীগ ফুটবলৰ ফাইনেলত লিভাৰপুলে খেলিছিল ট’টেনহামৰ বিৰুদ্ধে।



## ইটালীয়ান লীগ

### জয়ৰে দ্বিতীয়লৈ উত্তৰণ নেপ’লি

**লণ্ডন, ১২ মে’ ঃ** চলিত ইটালীয়ান লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত নেপ’লিয়ে 5-1 গ’লৰ ব্যৱধানত পৰাস্ত কৰে উদিনেছক। এই জয়ৰে নেপ’লি পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উত্তৰণ কৰাৰ লগতে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জনৰ দিশে আগবাঢ়িছে। স্মৰ্তব্য যে চলিত ইটালীয়ান লীগত ইণ্টাৰ মিলনে 35 খন মেচৰ পৰা লাভ কৰিছে 85 পইণ্ট। ইণ্টাৰ মিলানৰ খিতাপ জয় ইতিমধ্যে নিশ্চিত হৈছে। ইফালে, দ্বিতীয় স্থানত থকা নেপ’লি দলে 36 খন মেচৰ পৰা লাভ কৰিছে 73 পইণ্ট। আটলাণ্টাই 35 খন মেচৰ পৰা 72 পইণ্ট লাভ কৰি তৃতীয়ত থকাৰ বিপৰীতে এ চি মিলানেও 35 খন মেচৰ পৰা 72 পইণ্ট লাভ কৰিছে কিন্তু দল চতুৰ্থ স্থানত আছে। চেম্পিয়নছ লীগৰ পূৰ্ব চেম্পিয়ন জুভেণ্টাছ পঞ্চম স্থানত আছে আৰু দলে যোগ্যতা অৰ্জনৰ বাবে যুঁজ দিছে।

## শ্ৰীলংকা ভ্ৰমণৰ ভাৰতীয় অধিনায়ক

# শিখৰ ধৱনৰ সমানেই চৰ্চিত হৈছে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াৰ নামো

**নতুন দিল্লী, ১২ মে’ ঃ** অপেনিং বেটছমেন শিখৰ ধৱনৰ নেতৃত্বত ভাৰতীয় ক্ৰিকেট দল শ্ৰীলংকা ভ্ৰমণলৈ যোৱাৰ চৰ্চা চলি থকাৰ মাজতে অধিনায়কৰূপে অলৰাউণ্ডাৰ হাৰ্দিক পাণ্ডিয়াৰ নামো পোহৰলৈ আহিছে। উল্লেখ্য যে ধৱন বা হাৰ্দিকক টীম ইণ্ডিয়াৰ এদিনীয়া দলৰ নেতৃত্ব দিয়াৰ মূখ্য কাৰণ হ’ল সেইসময়ত ভাৰতীয় দলৰ অধিনায়ক বিৰাট কোহলিৰ লগতে কেবাজনো সদস্য ইংলণ্ড ভ্ৰমণত থাকিব টেষ্ট শৃংখলাৰ বাবে। শ্ৰীলংকাত ভাৰতীয় দলে তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচ খেলিব। সূচী অনুসৰি ভাৰতীয় দলে শ্ৰীলংকাৰ বিৰুদ্ধে অহা 13 জুলাইৰ পৰা খেলিব তিনিখন এদিনীয়া আৰু তিনিখন টি-20 মেচৰ শৃংখলা। উল্লেখ্য যে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব’ৰ্ডে ইংলণ্ড ভ্ৰমণ আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচৰ বাবে ইতিমধ্যে ভাৰতীয় দল ঘোষণা কৰিছে। 20 জনীয়া দলে ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা আৰু প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচত অংশ ল’ব। প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰত মুখামুখি হ’ব নিউজিলেণ্ডৰ। অহা 18 জুনত অনুষ্ঠিত হ’ব প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন। তাৰপাছত আৰম্ভ হ’ব ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলা। অহা চাৰি আগষ্ট ইংলণ্ডৰ বিৰুদ্ধে টেষ্ট শৃংখলাৰ প্ৰথম মেচ খেলিব টীম ইণ্ডিয়াই। আনহাতে শৃংখলা সামৰণি পৰিব 14 ছেপ্টেম্বৰত। সেয়ে ধৱন বা হাৰ্দিকৰ নেতৃত্বত শ্ৰীলংকা ভ্ৰমণলৈ যাব ভাৰতীয় ক্ৰিকেট দল।



## স্পেনিছ লা-লিগাৰ শীৰ্ষস্থানত উপনীত হোৱাৰ সুযোগ হেৰুৱালে

# ২-০ ত আগবাঢ়ি থকাৰ পাছতো বাৰ্চিলোনাৰ ড্ৰ

**বাৰ্চিলোনা, ১২ মে’ ঃ** বাৰ্চিলোনাই চলিত স্পেনিছ লা-লিগাৰ খিতাপ জয়ৰ সুযোগ বাৰে বাৰে হেৰুৱাইছে। যোৱানিশা দলে লেভাণ্টেৰ বিৰুদ্ধে 2-0 গ’লৰ অগ্ৰগতি লাভ কৰাৰ লগতে দুবাৰকৈ আগবাঢ়ি থাকিও অৱশেষত 3-3 গ’লত ড্ৰ খেলি পইণ্ট ভগাই লয়। ফলত শীৰ্ষস্থানত উপনীত হোৱাৰ দ্বিতীয়টো সুযোগ হেৰুৱায়। উল্লেখ্য যে বাৰ্চিলোনাৰ হৈ মেছিয়ে (25 মিনিট) প্ৰথমটো গ’ল কৰাৰ লগতে বিৰতিলৈ দল 2-0 ত আগুৱাই থাকে। কিন্তু লেভাণ্টে 57, 59 মিনিটত তিনি মিনিটৰ ভিতৰত দুটা গ’ল কৰি মেচত 2-2 ত সমতা স্থাপন কৰে। 64 মিনিটত বাৰ্চিলোনাই পুনৰ 3-2 ৰ অগ্ৰগতি লয় যদিও 83 মিনিটত লেভাণ্টে গ’ল কৰি 3-3 ত মেচ ড্ৰ কৰে। উল্লেখ্য যে চলিত স্পেনিছ লা-লিগাত শীৰ্ষস্থান অক্ষুন্ন ৰাখিছে এথলেটিকো মাদ্ৰিদে। এথলেটিকো মাদ্ৰিদে 35 খন মেচত 77 পইণ্ট লাভ কৰিছে। ইফালে,বাৰ্চিলোনাই 36 খন মেচত 76 পইণ্ট লাভ কৰি দ্বিতীয় স্থানত আছে। ৰিয়াল মাদ্ৰিদে 35 খন মেচত 75 পইণ্ট লাভ কৰিছে। আনহাতে, ছেভিলাই 35 খন মেচত 71 পইণ্ট লাভ কৰি চতুৰ্থস্থানত আছে। উল্লেখ্য যে অন্তিম মেচত এথলেটিকো মাদ্ৰিদৰ বিৰুদ্ধে গ’লশূন্য ড্ৰ খেলিছিল বাৰ্চিলোনাই। ইয়াৰপূৰ্বে বাৰ্চিলোনাই 3-2 গ’লৰ ব্যৱধানত পৰাস্ত কৰে ভেলেন্সিয়াক। মেচখনত প্ৰথমে গ’ল হজম কৰাৰ পাছতো তাৰকা লিয়নেল মেছিৰ গ’লেৰে বাৰ্চিলোনাই গুৰুত্বপূৰ্ণ তিনি পইণ্ট অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে, গ্ৰিজমানৰ দুগ’লৰ সহায়ত বাৰ্চিলোনাই 2-1 গ’লৰ ব্যৱধানত পৰাস্ত কৰিছিল ভিল্লা ৰিয়ালক। অন্য এখন মেচত লিয়োনেল মেছিৰ দুটা গ’লৰ সহায়ত বাৰ্চিলোনাই 5-2 গ’লৰ ব্যৱধানত পৰাস্ত কৰিছিল গেতাফেক। উল্লেখ্য যে যোৱা দুটা ছিজনৰ বিতৰ্ক আৰু হাতাশাৰ পাছত বাৰ্চিলোনাই এইবাৰ প্ৰথমটো খিতাপ লাভ কৰিবলৈ সক্ষম হৈছে। স্পেনিছ কোপা ডেলৰ খিতাপ অৰ্জন কৰিছে বাৰ্চিলোনাই। ফাইনেলত বাৰ্চিলোনাই 4-0 গ’লৰ ব্যৱধানত পৰাস্ত কৰে এথলেটিকো বিলবাঅ’ক। খেলৰ প্ৰথমাৰ্ধ গ’লশূণ্য ৰূপত সমাপ্ত হয় যদিও দ্বিতীয়াৰ্ধত বাৰ্চিলোনাই চাৰিটা গ’ল কৰে 12 মিনিটৰ ভিতৰত।





## চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন লেইচেষ্টাৰ চিটীৰ

**লণ্ডন, ১২ মে’ ঃ** লেইচেষ্টাৰ চিটীয়ে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন কৰিছে। উল্লেখ্য যে ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত লেইচেষ্টাৰ চিটীয়ে 2-1 গ’লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। দলৰ হৈ গ’ল দুটা দিয়ে থমাছ (10 মিনিট) আৰু ছ’য়ুনচুৰে (66 মিনিট)। আনহাতে, মানচেষ্টাৰ ইউনাইটেডৰ হৈ খেলৰ 15 মিনিটত একমাত্ৰ গ’লটো দিয়ে গ্ৰীনউদে। উল্লেখ্য যে এই জয়ৰ পাছত 66 পইণ্ট লাভ কৰি লেইচেষ্টাৰ চিটীয়ে অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন নিশ্চিত কৰিছে। অৱশ্যে পৰাস্ত হোৱাৰ পাছতো পইণ্ট তালিকাত মানচেষ্টাৰ ইউনাইটেডৰ দ্বিতীয় স্থান অপৰিবৰ্তীত হৈ আছে। উল্লেখ্য যে চলিত ই পি এলত মানচেষ্টাৰ চিটীয়ে 35 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। দলে 10 পইণ্টৰ অগ্ৰগতি লাভ কৰি খিতাপ জয়ৰ কাষলৈ আগবাঢ়িছে। দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 35 খন মেচত 70 পইণ্ট লাভ কৰিছে। আনহাতে, লেইচেষ্টাৰ চিটীয়ে 36 খন মেচত 66 পইণ্ট লাভ কৰি তৃতীয় স্থানত আছে। চতুৰ্থ স্থানত আছে চেলছি। 35 খন মেচত 64 পইণ্ট লাভ কৰি চেলছিয়ে। উল্লেখ্য যে 1998 ৰ পাছত লেইচেষ্টাৰ চিটীয়ে মানচেষ্টাৰ ইউনাইটেডক ঘৰত পৰাস্ত কৰিবলৈ সক্ষম হয়। লেইচেষ্টাৰ চিটী এফ এ কাপৰ ফাইনেলতো প্ৰৱেশ কৰিছে। খিতাপৰ যুঁজত দল মুখামুখি হ’ব চেলছিৰ।

### ঘোষণা কিৱিৰ উইকেটৰক্ষক বেটছমেনৰ

## বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ৱাটলিঙৰ অবসৰ

**ৱেলিংটন, ১২ মে’ ঃ** ভাৰতৰ বিৰুদ্ধে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন খেলাৰ পাছতে সকলো শ্ৰেণীৰ ক্ৰিকেটৰ পৰা অৱসৰ ল’ব নিউজিলেণ্ডৰ উইকেটৰক্ষক বেটছমেন ৱাটলিঙে। আজি এই কথা প্ৰকাশ কৰে কিৱি দলৰ 35 বছৰীয়া ক্ৰিকেটাৰজনে। উল্লেখ্য যে ৱাটলিঙে 2009 ত নিউজিলেণ্ডৰ হৈ অভিষেক কৰিছিল। আসন্ন ইংলণ্ড ভ্ৰমণত নিউজিলেণ্ডে এটা দুখনীয়া টেষ্ট শৃংখলাত অংশ লোৱাৰ লগতে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখনো খেলিব। উল্লেখ্য যে নিউজিলেণ্ডে ইংলণ্ডৰ বিৰুদ্ধে খেলিব লগা দুখনীয়া টেষ্ট শৃংখলাটো আৰম্ভ হ’ব অহা দুই জুনৰ পৰা। প্ৰথমখন টেষ্ট দুইৰ পৰা ছয় জুনলৈ। আনহাতে, দ্বিতীয়খন টেষ্ট 10 ৰ পৰা 14 জুনলৈ আৰম্ভ হ’ব। আনহাতে, প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেল মেচখন অহা 18 জুনৰ পৰা আৰম্ভ হ’ব। উল্লেখ্য যে প্ৰথম আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ ফাইনেলত ভাৰতৰ মুখামুখি হ’ব নিউজিলেণ্ড।



## ঘৰত পৰাজয়ৰ পাছতো দ্বিতীয় স্থানতে থাকিল মানচেষ্টাৰ ইউনাইটেড



**লণ্ডন, ১২ মে’ ঃ** চলিত ইউৰোপা কাপ ফুটবলৰ ফাইনেল মেচখন অনুষ্ঠিত হ’ব ইংলণ্ডৰ ক্লাব মানচেষ্টাৰ ইউনাইটেড আৰু স্পেইনৰ ক্লাব ভিল্লা ৰিয়ালৰ বিৰুদ্ধে। মানচেষ্টাৰ ইউনাইটেড খিতাপৰ প্ৰবল দাবীদাৰ যদিও ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত দল পৰাস্ত হৈছে। সেয়ে দুখন বৃহৎ মেচৰ পূৰ্বে এই ব্যৰ্থতাক লৈ দলৰ সমৰ্থক চিন্তিত। উল্লেখ্য যে ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱানিশা অনুষ্ঠিত হোৱা মেচত লেইচেষ্টাৰ চিটীয়ে 2-1 গ’লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। অৱশ্যে পৰাস্ত হোৱাৰ পাছতো পইণ্ট তালিকাত মানচেষ্টাৰ ইউনাইটেডৰ দ্বিতীয় স্থান অপৰিবৰ্তীত হৈ আছে। উল্লেখ্য যে অন্তিম মেচত মানচেষ্টাৰ ইউনাইটেডে 3-2 গ’লৰ ব্যৱধানত পৰাস্ত কৰিছিল এষ্টন ভিলাক। এই জয়ৰে দলে পইণ্ট তালিকাৰ দ্বিতীয় স্থানলৈ উত্তৰণ কৰিছিল। উল্লেখ্য যে চলিত ই পি এলত মানচেষ্টাৰ চিটীয়ে 35 খন মেচত 80 পইণ্ট লাভ কৰি শীৰ্ষ স্থানত আছে। দলে 10 পইণ্টৰ অগ্ৰগতি লাভ কৰি খিতাপ জয়ৰ কাষলৈ আগবাঢ়িছে। দ্বিতীয় স্থানত আছে মানচেষ্টাৰ ইউনাইটেড। দলে 35 খন মেচত 70 পইণ্ট লাভ কৰিছে। স্মৰ্তব্য যে ইয়াৰপূৰ্বে মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে চলিত ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত পৰাস্ত হোৱাৰ পাছতো ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছিল। ইউৰোপা লীগ ফুটবলৰ ছেমিফাইনেলৰ দ্বিতীয় লেগৰ মেচত ইটালীৰ ক্লাব ৰোমাই 3-2 গ’লৰ ব্যৱধানত পৰাস্ত কৰে মানচেষ্টাৰ ইউনাইটেডক। কিন্তু ইয়াৰপূৰ্বে হোৱা ছেমিফাইনেলৰ প্ৰথম লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে সহজে পৰাস্ত কৰিছিল ৰোমাক। এখন একপক্ষীয় ছেমিফাইনেলত মানচেষ্টাৰ ইউনাইটেডে 6-2 গ’লৰ ব্যৱধানত পৰাস্ত কৰে ৰোমাক। সেয়ে দ্বিতীয় লেগৰ মেচত মানচেষ্টাৰ ইউনাইটেডে ৰোমাৰ বিৰুদ্ধে পৰাস্ত হোৱাৰ পাছতো সামগ্ৰিকভাৱে 8-5 গ’লৰ ব্যৱধানত জয়ী হৈ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে ইংলণ্ডৰ ক্লাবটো। এতিয়া ফাইনেলত মানচেষ্টাৰ ইউনাইটেড মুখামুখি হ’ব স্পেইনৰ ক্লাব ভিল্লা ৰিয়ালৰ।

## অলিম্পিকৰ পূৰ্বে সমস্যাত ছাইনা-শ্ৰীকান্ত

**হায়দৰাবাদ, ১২ মে’ ঃ** ভাৰতৰ দুই তাৰকা শ্বাটলাৰ ছাইনা নেহৱাল আৰু কিদাম্বি শ্ৰীকান্তে আসন্ন টকিঅ’ অলিম্পিকত অংশ লোৱাৰ পৰা বঞ্চিত হ’ব পাৰে। কাৰণ টকিঅ’ অলিম্পিকলৈ যোগ্যতা অৰ্জন কৰিব লগা অন্তিমখন প্ৰতিযোগিতা ছিংগাপুৰ অপেন কৰ’নাৰ বাবে বাতিল কৰা হৈছে। এই প্ৰতিযোগিতাত খেলাৰ কথা আছিল ছাইনা নেহৱাল আৰু কিদাম্বি শ্ৰীকান্তে। সেয়ে কাযতঃ পথ বন্ধ হ’ল। উল্লেখ্য যে ছাইনা নেহৱালেই ভাৰতক বেডমিণ্টনত প্ৰথমটো অলিম্পিক পদক দিছিল 2012 ৰ লণ্ডন অলিম্পিকত ব্ৰঞ্জ লাভ কৰি। 2008 ৰ পৰাই অলিম্পিকত খেলি আহিছে ছাইনাই। উল্লেখ্য যে একৰ পৰা ছয় জুনলৈ অনুষ্ঠিত হোৱাৰ কথা আছিল ছিংগাপুৰ অপেন।



# অ’ল্ড ট্ৰাফৰ্ডত বাতিল হোৱা লিভাৰপুলৰ ই পি এল মেচ আজি

**লণ্ডন, ১২ মে’ ঃ** সমৰ্থকৰ প্ৰতিবাদৰ বাবে চলিত ইংলিছ প্ৰিমিয়াৰ লীগৰ যোৱা দুই মে’ত অনুষ্ঠিত হ’বলগা মানচেষ্টাৰ ইউনাইটেড আৰু লিভাৰপুলৰ মাজৰ হাইভ’ল্টেজ মেচখন বাতিল কৰিব লগা হৈছিল। উল্লেখ্য যে মানচেষ্টাৰ ইউনাইটেডৰ মালিকীস্বত্বক লৈ চলি থকা বিতৰ্কৰ বিৰুদ্ধে মেচৰ পূৰ্বে অ’ল্ড ট্ৰাফৰ্ডত প্ৰতিবাদ সাব্যস্ত কৰে ক্লাবৰ হেজাৰ হেজাৰ সমৰ্থকে। ফলত মানচেষ্টাৰ ইউনাইটেড আৰু লিভাৰপুলৰ মাজৰ মেচখন বাতিল কৰিব লগা হয়। এতিয়া এই মেচখন কাইলৈ অনুষ্ঠিত হ’ব। উল্লেখ্য যে লিভাৰপুলে চেম্পিয়নছ লীগলৈ



যোগ্যতা অৰ্জনৰ যুঁজ দি আছে। ইয়াৰবাবে দলে বাকী থকা আটাইকেইখন মেচত জয়লাভ কৰিব লাগিব। কিন্তু তাৰপাছতো অংকৰ খেল আছে। কাৰণ লিভাৰপুলে 34 খন মেচত 57 পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ ষষ্ঠ স্থানত আছে। শীৰ্ষ চাৰিলৈ যাবৰ বাবে ওপৰত থকা দল দুটা পৰাস্ত হ’ব লাগিব। অন্তিম মেচত লিভাৰপুলে 2-0 গ’লত পৰাস্ত কৰিছিল ছাউথহাম্পটনক। উল্লেখ্য যে ইংলিছ প্ৰিমিয়াৰ লীগৰ প্ৰতিটো দলে তিনিখনকৈ মেচ খেলিবলৈ বাকী আছে যদিও এইবাৰ কোন তিনিটা দল অবনমিত হ’ব সেয়া নিশ্চিত হৈছে। উল্লেখ্য যে ইতিমধ্যে ৱেষ্ট ব্ৰ’ম আৰু শ্বেফিল্ড ইউনাইটেড ইংলিছ প্ৰিমিয়াৰ লীগৰ পৰা অবনমিত হোৱাৰ পাছত তৃতীয়টো দলৰূপে ফুলহামো অবনমিত হয়। আনহাতে, মানচেষ্টাৰ চিটী, মানচেষ্টাৰ ইউনাইটেড আৰু লেইচেষ্টাৰ চিটীৰ অহা বৰ্ষৰ চেম্পিয়নছ লীগলৈ যোগ্যতা অৰ্জন নিশ্চিত হৈছে।



## বিয়াৰ বাবে জমা কৰা ধন কৰ'নাৰ ত্ৰাণত দান তাৰকা দম্পতীৰ

# মাত্ৰ ডেৰশ টকা ব্যয় কৰি বিবাহ সম্পন্ন

■ নিউজ ব্যুৰ'

**কলকাতা, ১২ মে' ঃ** বন্ধুৰ পৰা লোৱা পোছাকৰ পৰা আৰম্ভ কৰি ৰাবাৰ বেণ্ডৰে তৈয়াৰী আঙঠি পৰিধান আদি সম্পূৰ্ণ অভিনৱ পদ্ধতিৰে বিবাহপৰ্ব সমাপন কৰিলে অভিনেত্ৰী ছলোনী খান্না আৰু মডেল-অভিনেতা ভিৰাফ পেটেলে। এই বিবাহৰ বাবে তাৰকা দম্পতীৰ ব্যয় হ'ল মাত্ৰ ডেৰশ টকা। অথচ কে'বা কোটি টকা ব্যয়সাপেক্ষে এই বিবাহ অনুষ্ঠান সম্পন্ন হোৱাৰ কথা আছিল। অৱশ্যে বিবাহৰ বাবে তেওঁলোকে জমা কৰা ধন কৰ'না ত্ৰাণৰ বাবে দান কৰাৰ বাবেই ছলোনী আৰু ভিৰাফে এনে অতি মিতব্যয়ী বিবাহেৰে সমগ্ৰ দেশৰ সন্মুখত উদাহৰণ সৃষ্টি কৰিলে।

২০১৮ত পৰস্পৰৰ স'তে আলাপ হৈছিল ভিৰাফ আৰু ছলোনীৰ। ২০২০ত দুয়ো বিবাহৰ সিদ্ধান্ত লয়। কিন্তু কৰ'নাৰ প্ৰথম লহৰ আৰু তলাবন্ধৰ বাবে সেই পৰিকল্পনা বাতিল হয়। এক সাক্ষাৎকাৰত ছলোনীয়ে কয়, 'ভাবিছিলো ২০২১ৰ ভিতৰত সকলো ঠিক হৈ গ'লে ধুমধামেৰে বিয়াখন পাতিম। কোনে জানিছিল যে ইয়াতকৈও বেয়া দিন আহিব বুলি?' যোৱা জানুৱাৰীত তাৰকাদ্বয়ে পুনৰ বিবাহৰ দিন ধাৰ্য কৰিছিল। সেই অনুসৰি যোৱা ছয় মে'ত বিবাহৰ পঞ্জীয়ন হোৱাৰ কথা আছিল। সেইদৰে ১৫ মে'ত মুম্বাইত আৰু ১৬ মে'ত দিল্লীত সকলোকে অভ্যৰ্থনা অনুষ্ঠান আয়োজন কৰাৰ কথাও ভবা হৈছিল। অথচ কৰ'নাৰ দ্বিতীয় ঢৌ অহাৰ লগে লগে সকলো পৰিকল্পনা ভাহি যায়। যোৱা এপ্ৰিলত ভিৰাফ, ছলোনী আৰু তেওঁলোকৰ দুয়োটা পৰিয়ালৰে একাধিক সদস্য কৰ'নাত আক্ৰান্ত হয়। ফলত ১৫ আৰু ১৬ মে'ৰ অভ্যৰ্থনা অনুষ্ঠান বাতিল কৰা হয়। তাৰকাদ্বয়ৰ পিতৃ-মাতৃসকল কৰ'নাৰ পৰা ক্ৰমাৎ সুস্থ হৈ উঠাৰ সময়তে ভিডিঅ' কলৰ জৰিয়তে দুয়োটা পৰিয়ালে মিলি আলোচনা কৰে। কৰ'না আক্ৰান্ত হোৱা সত্ত্বেও উভয়ৰে পিতৃ-মাতৃয়ে তেওঁলোকক উৎসাহ যোগায়। পৰিয়ালৰ সদস্যৰ অনুপস্থিতিতে তাৰকাদ্বয়ে বিবাহ সম্পন্ন কৰিবলগীয়া হোৱাৰ বাবে দুয়ো মনত কিছু কষ্টও পাইছে। কিন্তু তেওঁলোক দুয়ো একেলগে থাকিব বিচাৰিছিল। নিজৰ পৰিস্থিতিৰ ভাল দিশবোৰ পৰস্পৰৰ সন্মুখত দাঙি ধৰিলে। ইয়াৰ পাছতে যেতিয়া আদালতত যোগাযোগ কৰি গম পালে যে এতিয়াও কাম বন্ধ হোৱা নাই, তেতিয়াই তেওঁলোকে বিবাহৰ প্ৰস্তুতি আৰম্ভ কৰে।

এগৰাকী বান্ধৱীয়ে ছলোনীলৈ এখন শাৰী প্ৰেৰণ কৰে। শাৰীৰ ৰঙৰ স'তে মিলাই ভিৰাফে পৰিধান কৰিলে এক পুৰণি পোছাক। ছলোনীৰ আঙঠি পৰিধানৰ চখ আছিল যদিও কৰ'না পৰিস্থিতিৰ বাবে ভিৰাফে কিনিব নোৱাৰিলে। তথাপি প্ৰিয়তমাৰ মুখত হাঁহি বিৰিঙোৱাৰ বাবে এক অভিনৱ উপায় উলিয়ালে ভিৰাফে। ৰাবাৰ বেণ্ড পকাই আঙঠি তৈয়াৰ কৰি পিন্ধালে ছলোনীৰ আঙুলিত। বিবাহৰ বাবে যিখিনি ধন দুয়ো জমা কৰিছিল, সেই সকলোখিনি কোনো স্বেচ্ছাসেৱী সংস্থাৰ স'তে যোগাযোগ কৰি কৰ'নাৰ সাহায্যৰ বাবে দান কৰিব বুলি তাৰকা দম্পতীয়ে জনাইছে।

এই 'কৰ্ণাফেৰ গুপ্পি' বেং ইমান ডাঙৰ চেহেৰাত উপনীত হ'ব নোৱাৰে। কিয়নো তাৰ আগতেই স্থানীয় লোকে বেংবোৰ ধৰি নিজৰ খাদ্যত পৰিণত কৰে। ইয়াৰ পৰা এটা কথা পৰিষ্কাৰ হৈছে যে এই বেংটো অনেক বয়সীয়া আৰু ইমানদিনে সি মানুহৰ কবলৰ পৰা ৰক্ষা পৰি আছিল।

# পৰম বিস্ময়ৰ সৃষ্টি কৰিছে এটা দৈত্যকায় বেঙে





## সুস্বাদু মাংসৰ বাবে বিলুপ্তিৰ পথত 'কৰ্ণাফেৰ গুপ্পি'

■ নিউজ ব্যুৰ'

**কলকাতা, ১২ মে' ঃ** এজন কিশোৰৰ হাতত এটা ভেকুলী। সচৰাচৰ এই ফটোখনে মানুহৰ মনত বিশেষ প্ৰতিক্ৰিয়া সৃষ্টি কৰাৰ কাৰণ নাই। অথচ সামাজিক মাধ্যমত সাধাৰণ মানুহৰ পৰা আৰম্ভ কৰি প্ৰকৃতি বিশেষজ্ঞসকলকো বিস্ময়াভিভূত কৰি তুলিছে এই বেংটোৰ শৰীৰৰ আকাৰে। এনে দৈত্যকায় বিয়াগোম বেং ইমানদিনে দৃষ্টিগোচৰ হোৱা নাছিল বুলিও একাংশ বিশেষজ্ঞই মন্তব্য কৰিছে। প্ৰকৃতিৰ ভাণ্ডাৰত যে কিমান ৰহস্য লুকাই থাকে, সেয়াই যেন পুনৰ প্ৰতীয়মান কৰিলে এই বিয়াগোম বেংটোৱে।

ইতিমধ্যেই সামাজিক মাধ্যমত ভাইৰেল হৈ পৰা ফটোখন ওছেনিয়া মহাদেশৰ ছল'মন আইলেণ্ডছ ৰাষ্ট্ৰৰ। প্ৰায় এটি মানৱশিশুৰ সমান আকাৰৰ বিয়াগোম বেংটো দেখি সকলোৱেই আশ্চৰ্যচকিত হৈ পৰিছে। যেন কোনো লোককাহিনীত থকা কোনো শাপগ্ৰস্ত ৰাজকুমাৰহে। এই ফটোখন তুলিছিল জিমি হুগো নামৰ এজন স্থানীয় কাঠ কলৰ স্বত্বাধিকাৰে। ইমান মানুহৰ সঁহাৰি ফটোখনে পাব বুলি হুগোৱেও কল্পনা কৰা নাছিল। সম্প্ৰতি এই বেংটোৰ ফটোখনেই সামাজিক মাধ্যমত বিশেষ চৰ্চাৰ বিষয় হৈ পৰিছে।

বেংটোৰ প্ৰকাণ্ড আকাৰে মানুহক যিমানেই বিস্মিত নকৰক কিয়, ইমান আকাৰৰ বেং অৱশ্যে একেবাৰে ব্যতিক্ৰম নহয়। ছল'মন দ্বীপপুঞ্জ আৰু পাপুৱা নিউ গিনিত এইবিধ বেং সততে দেখা যায়। অৱশ্যে 'কৰ্ণাফেৰ গুপ্পি' নামৰ এইবিধ বেঙো ফটোৰ বেংটোৰ সমান আকাৰৰ নহয়। ইয়াৰ স্থানীয় নাম হৈছে 'বুশ্ব চিকেন'। নামৰ পৰাই পৰিষ্কাৰ যে মুৰ্গীৰ মাংস বা বহুতৰ মতে মুৰ্গীতকৈও বেছি স্বাদযুক্ত এই বেঙৰ মাংস। ফলত ইয়াৰ চাহিদাও বেছি। হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে সুস্বাদু মাংসৰ অত্যধিক চাহিদাৰ বাবেই এইবিধ বেং সম্প্ৰতি বিলুপ্তিৰ দিশলৈ অগ্ৰসৰ হৈছে। ইয়াৰ সমান্তৰালকৈ প্ৰদূষণেও এইবিধ বেঙৰ বংশ হ্ৰাসৰ অন্যতম অৰিহণা যোগাইছে।

অৱশ্যে এই বেংটোৰ আকাৰে বিশেষজ্ঞসকলকো আচৰিত কৰি তুলিছে। তেওঁলোকৰ মতে, এই 'কৰ্ণাফেৰ গুপ্পি' বেং ইমান ডাঙৰ চেহেৰাত উপনীত হ'ব নোৱাৰে। কিয়নো তাৰ আগতেই স্থানীয় লোকে বেংবোৰ ধৰি নিজৰ খাদ্যত পৰিণত কৰে। ইয়াৰ পৰা এটা কথা পৰিষ্কাৰ হৈছে যে এই বেংটো অনেক বয়সীয়া আৰু ইমানদিনে সি মানুহৰ কবলৰ পৰা ৰক্ষা পৰি আছিল। অষ্ট্ৰেলিয়াৰ এটা যাদুঘৰৰ কিউৰেটৰ জুডি ৰ'লিয়ে এই সন্দৰ্ভত কয়, 'মই কেতিয়াও ইমান ডাঙৰ বেং দেখা নাছিলো। এই ধৰণৰ বেং ইমান ডাঙৰ হোৱাটো কিছু অস্বাভাৱিক। গতিকে বুজাই গৈছে যে এই বেংটোৰ যথেষ্ট বয়স হৈছে।'



# কৰ'নাৰ ভাৰতীয় ৰূপৰ ৰহস্য জানিবলৈ আগ্ৰহী হু

## বিশেষ তালিকাত অন্তৰ্ভুক্ত হ'ল বি১৬১৭

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ১২ মে' ঃ** ইতিমধ্যেই সংহাৰী ৰূপ ধাৰণ কৰিছে কৰ'না ভাইৰাছৰ ভাৰতীয় প্ৰজাতিয়ে। কৰ'নাৰ এই ভাৰতীয় ৰূপটোৰে ৰহস্য জানিবলৈ আগ্ৰহী হৈ পৰিছে বিশ্ব স্বাস্থ্য সংস্থা। এই ভাৰতীয় প্ৰজাতিটো ভালদৰে বুজিব বিচাৰে 'হু'ৱে। ভাৰতৰ নিয়ন্ত্ৰণহীন সংক্ৰমণৰ হাৰৰ অন্তৰালত কৰ'নাৰ এই বিশেষ প্ৰকাৰভেদকে দায়ী কৰিছে বিশেষজ্ঞসকলে। 'হু'ৰ বিজ্ঞানীসকলেও এই ভাইৰাছক অতি সংক্ৰামক বুলি দাবী কৰিছে। 'হু'ৰ তৰফৰ পৰা আজি জনাইছে যে কৰ'নাৰ এই ভাৰতীয় প্ৰকাৰভেদ সম্পৰ্কে তেওঁলোকে আৰু বিশদ তথ্য জানিবলৈ ইচ্ছুক। আনকি ভাৰতীয় প্ৰজাতিৰ এই কৰ'না ভাইৰাছক 'হু'ৰ তৰফৰ পৰা কৰ'নাৰ গুৰুত্বপূৰ্ণ প্ৰকাৰভেদৰ তালিকাতো অন্তৰ্ভুক্ত কৰা হৈছে।

কৰ'নাৰ এই প্ৰকাৰভেদৰ নাম হৈছে 'বি১৬১৭'। ভাইৰাছৰ এই বিশেষ প্ৰজাতিটোৰ সন্ধান ভাৰততেই প্ৰথমে পোৱা গৈছিল। আজি 'হু'ৰ তৰফৰ পৰা জনাইছে যে সম্প্ৰতি তেওঁলোকৰ কৰ'না আগ্ৰহৰ মূলতে আছে এই ভাৰতীয় প্ৰজাতি। সেয়ে ভাইৰাছটোৰ সম্পৰ্কে যিমান বেছি সম্ভৱ সিমান তথ্য তেওঁলোকে হাতত পাব বিচাৰিছে। ক'ভিড-১৯ সংক্ৰান্তীয় 'হু'ৰ প্ৰযুক্তিগত প্ৰধান চিকিৎসক মাৰিয়া ভন কাৰখ'ভে এই প্ৰসংগত কয়, 'এই প্ৰজাতিটোৰ জিনগত চৰিত্ৰ সলনিৰ পৰা আৰম্ভ কৰি বংশগতি পৰ্যন্ত সকলোবোৰ জনাটো আমাৰ দৰকাৰ। যাতে তাৰ বিচাৰ বিশ্লেষণ কৰি এক কাৰ্যকৰী চিকিৎসা পদ্ধতি বিচাৰি উলিয়াব পৰা যায়।' 'হু'ৱে আজিয়েই নিজৰ 'ভেৰিয়েণ্ট অৱ ইণ্টাৰেষ্ট'ৰ তালিকাভুক্ত কৰে 'বি১৬১৭' প্ৰজাতিক। উল্লেখ্য যে সোমবাৰে 'হু'ৰ প্ৰধান বিজ্ঞানী সৌম্যা স্বামীনাথনে কৰ'নাৰ ভাৰতীয় প্ৰজাতি অতি সংক্ৰামক বুলি মন্তব্য কৰিছিল। তেওঁ কৈছিল যে ইয়াৰ পূৰ্বে ব্ৰাজিল আৰু দক্ষিণ আফ্ৰিকাত কৰ'না ভাইৰাছৰ যি প্ৰজাতিৰ সন্ধান পোৱা গৈছিল, ভাৰতত পোৱা প্ৰজাতিটোৰ মাজত সেই দুয়োটা চৰিত্ৰই বিদ্যমান।




বিশ্ব স্বাস্থ্য সংস্থাই গৱেষণামূলক অধ্যয়নত প্ৰত্যক্ষ কৰিছে যে ভাৰতত কৰ'নাৰ সংক্ৰমণ অত্যধিক দ্ৰুত হোৱাৰ অন্যতম কাৰণটো হৈছে নতুন প্ৰজাতিৰ ভাইৰাছৰ বৰ্ধিত সংক্ৰমণ ক্ষমতা। এই প্ৰজাতিৰ ভাইৰাছ অতি দ্ৰুতগতিত সংক্ৰমিত হয়।



# বিশ্বৰ ৪৪ দেশলৈ বিয়পিল কৰ'নাৰ ভাৰতীয় প্ৰজাতি ঃ সকীয়ালে 'হু'ৱে

## কৰ'না ভাইৰাছৰ 'ভাৰতীয়' নামকৰণত আপত্তি ভাৰতৰ

■ নিউজ ব্যুৰ'

**জেনেভা, ১২ মে' ঃ** ভাৰতত কৰ'না ভাইৰাছৰ যি প্ৰজাতিয়ে দ্বিতীয় ঢৌক অধিক সংক্ৰামক ৰূপ দিছে, সেই প্ৰজাতিৰ কৰ'না ভাইৰাছ ইতিমধ্যে বিশ্বৰ ৪৪ খন দেশলৈ বিয়পিল। বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ তথ্য অনুসৰি যোৱা বছৰৰ অক্টোবৰত ভাৰতত বি.১.৬১৭ প্ৰজাতিৰ কৰ'না ভাইৰাছৰ সন্ধান লাভ কৰা হৈছিল আৰু এই মুহূৰ্তত বিশ্বৰ ৪৪ খন দেশত এই প্ৰজাতিৰ ভাইৰাছৰ সন্ধান বিজ্ঞানীসকলে লাভ কৰিছে। চলিত সপ্তাহতে হু'ৱে বি.১.৬১৭ প্ৰজাতিৰ কৰ'না ভাইৰাছৰ সংক্ৰমণক যথেষ্ট উদ্বেগজনক অভিহিত কৰিছিল। ভাৰতৰ পাছতে কৰ'নাৰ এই নতুন প্ৰজাতিৰ ভাইৰাছৰ সংক্ৰমণ সৰ্বাধিক হৈছে ব্ৰিটেইনত। অন্যান্য প্ৰজাতিৰ কৰ'নাৰ তুলনাত ভাৰতত ধৰা পৰা এইবিধ প্ৰজাতিৰ সংক্ৰমণ অতি দ্ৰুতগতিত হয় বুলিও 'হু'ৱে সকীয়াই দিছিল। বিশ্ব স্বাস্থ্য সংস্থাই এক বিবৃতিত কয়, 'বিশ্ব স্বাস্থ্য সংস্থাই গৱেষণামূলক অধ্যয়নত প্ৰত্যক্ষ কৰিছে যে ভাৰতত কৰ'নাৰ সংক্ৰমণ অত্যধিক দ্ৰুত হোৱাৰ অন্যতম কাৰণটো হৈছে নতুন প্ৰজাতিৰ ভাইৰাছৰ বৰ্ধিত সংক্ৰমণ ক্ষমতা। এই প্ৰজাতিৰ ভাইৰাছ অতি দ্ৰুতগতিত সংক্ৰমিত হয়। আনকি কৰ'নাৰ প্ৰতিষেধক গ্ৰহণৰ জৰিয়তে শৰীৰত যি 'এণ্টিবডী'ৰ সৃষ্টি হয়, সেই 'এণ্টিবডী'য়েও বহু সময়ত এই ভাইৰাছক প্ৰতিৰোধ কৰিবলৈ ব্যৰ্থ হয়। ফলত প্ৰতিষেধক লোৱাৰ পাছতো ভাৰতত বহু লোক ক'ভিড-১৯ত বৰ্তমানে সংক্ৰমিত হৈছে।'

যিসমূহ দেশত ভাৰতীয় প্ৰজাতিৰ কৰ'নাৰ সংক্ৰমণৰ প্ৰমাণ লাভ কৰা হৈছে, বিশ্ব স্বাস্থ্য সংস্থাই সংশ্লিষ্ট দেশসমূহক সতৰ্কতা অৱলম্বনৰ পৰামৰ্শ দিছে। 'হু'ৱে বিবৃতিত সংশ্লিষ্ট দেশক উদ্দেশি এইদৰে কয়, 'ভাৰতত প্ৰথম সন্ধান লাভ কৰা হৈছিল এই প্ৰজাতিৰ। কিন্তু এতিয়া বিশ্বত ৪৪ খন দেশত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। ইয়াৰ পৰাই বুজিব পাৰি এই ভাইৰাছ দ্ৰুত সংক্ৰমিত হৈছে। এই মুহূৰ্ত সবাতোকৈ গুৰুত্বপূৰ্ণ হৈছে এই প্ৰজাতিৰ সংক্ৰমণ হ্ৰাস কৰা। ইয়াৰ বাবে প্ৰতিখন দেশে পৰ্যাপ্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অন্যথা এই ভাইৰাছ আৰু অধিক দেশলৈ সংক্ৰমিত হ'ব পাৰে।' এনে পৰিস্থিতি উদ্ভৱ হ'লে তাক নিয়ন্ত্ৰণ কৰা কঠিন হ'ব বুলিও আশংকা প্ৰকাশ কৰিলে বিশ্ব স্বাস্থ্য সংস্থাৰ বিশেষজ্ঞই।

**কৰ'না ভাইৰাছৰ 'ভাৰতীয়' নামক লৈ আপত্তি নতুন দিল্লীৰ**

ভাৰতত ধৰা পৰা কৰ'না ভাইৰাছক বিজ্ঞানীসকলে বি.১.৬১৭ নাম দিছিল। কিন্তু ইতিমধ্যে বিশ্বজুৰি কৰ'না ভাইৰাছৰ এইবিধ প্ৰজাতি পৰিচিত হৈছে 'ভাৰতীয় প্ৰজাতি' হিচাপে। কৰ'না ভাইৰাছৰ এনে নামকৰণৰ সন্দৰ্ভত আপত্তি প্ৰদৰ্শন কৰিলে ভাৰতে। আজি এক চৰকাৰী বিবৃতিত এইদৰে ভাৰত চৰকাৰে কয়, 'বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ বিবৃতিত ভাৰতীয় শব্দটো ব্যৱহাৰ কৰা নাই। আনকি, 'হু'ৱে কোনো নিৰ্দিষ্ট প্ৰজাতিৰ ভাইৰাছক কোনো দেশৰ নামৰে চিহ্নিত কৰাৰ পক্ষপাতী নহয়।' ভাৰতৰ এই দাবীৰ প্ৰতি সমৰ্থন ব্যক্ত কৰিলে বিশ্ব স্বাস্থ্য সংস্থাই। আন্তৰ্জাতিক স্বাস্থ্য সংস্থাটোৱে প্ৰকাশ কৰা বিবৃতিত উল্লেখ কৰিছিল যে যোৱা বছৰৰ অক্টোবৰত ভাৰতত কৰ'নাৰ নতুন প্ৰজাতিৰ সন্ধান লাভ কৰা হৈছিল আৰু এই ভাইৰাছ ইতিমধ্যে বিশ্বৰ কমেও ৪৪ দেশলৈ বিয়পিছে। ৩২ পৃষ্ঠাৰ বিবৃতিত কৰ'নাৰ নতুন প্ৰজাতিৰ সন্দৰ্ভত 'হু'ৱে ক'তো 'ভাৰতীয় প্ৰজাতি' শব্দটো ব্যৱহাৰ কৰা নাছিল। আজি বিশ্ব স্বাস্থ্য সংস্থায়ো টুইট কৰি কয়, 'আমি কেতিয়াও কোনো ভাইৰাছক প্ৰথমে সন্ধান লাভ কৰা দেশৰ নামৰে নামকৰণ কৰা নাই। আমি সদায় ভাইৰাছক বিজ্ঞানভিত্তিক নামৰে চিহ্নিত কৰো আৰু ধাৰাবাহিকতা বৰ্তাই ৰখাৰ উদ্দেশ্যেৰে সকলোকে সেই পদ্ধতি অনুসৰণৰ পৰামৰ্শ দিওঁ।'

অগ্ৰদূত পাব্লিচাৰ্চ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com